www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

প্ৰেম কৰিবৰ কাৰণে মানুহৰ জন্ম হৈছে আৰু ব্যৱহাৰ কৰিবৰ বাবে বস্তুৰ সৃষ্টি কৰা হৈছে, কিন্তু মানুহে বস্তুক প্ৰেম কৰে আৰু মানুহক ব্যৱহাৰ কৰে। — স্পিৰিট চায়েন্স

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ১৪১ ❒ দেওবাৰ ❒ ৮ মাৰ্চ, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 141 ❒ Sunday ❒ 8th March, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

**হাগ্ৰামা মহিলাৰীৰ কোনো নীতি নাই ঃ প্ৰমোদ বড়ো**

## NDAৰ হিচাপে নহয়, UPPLৰ প্ৰাৰ্থী হিচাপেহে ৰাজ্যসভা নিৰ্বাচনত মনোনয়ন দাখিল প্ৰমোদ বড়োৰ

**অসম বাৰ্তা, বিজনী, ৬ মাৰ্চ ঃ** চিৰাঙৰ বিজনী জিলা ইউপিপিএলৰ কাৰ্যালয়ত আজি ৰাজ্যসভাৰ নিৰ্বাচনত মনোনয়ন দাখিল কৰা ইউপিপিএলৰ সভাপতি প্ৰমোদ ❑ ৬ পৃষ্ঠাত

### প্ৰধানমন্ত্ৰী বি টি চিলৈ আহি আছে, এয়া শুভ লক্ষণ ঃ হাগ্ৰামা মহিলাৰী

প্ৰমোদ বড়ো কিবা নেতা হয় নেকি, তেওঁৰ কথা মই একো নকওঁ, ৰাইজে ক'ব ঃ হাগ্ৰামা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ মাৰ্চ ঃ** অহা সপ্তাহত বড়োলেণ্ড টেৰিটৰিয়েল চিক'ল (বি টি চি)লৈ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনক লৈ অতি আশাবাদী ❑ ৬ পৃষ্ঠাত

**■ ৰঙানদীত বিজেপিৰ প্ৰাৰ্থী চূড়ান্তৰ পিছতেই অগপ এৰিছিল জ্যেষ্ঠ নেতাজনে ■**

## কংগ্ৰেছত যোগদান কৰিব জয়ন্ত খাউণ্ডে



> "অগপত মই বহু বছৰ সেৱা আগবঢ়াইছিলোঁ, কিন্তু বুজি পালোঁ অগপত কাম কৰি লাভ নাই"

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ মাৰ্চ ঃ** অসমৰ ৰাজনীতিত নতুন মোৰ পৰিলক্ষিত হৈছে। নৱগঠিত ৰঙানদী বিধানসভা সমষ্টিত অসম গণ পৰিষদৰ (অগপ) কেন্দ্ৰীয় বিত্ত সম্পাদক তথা দলৰ ❑ ৬ পৃষ্ঠাত

### টিকটৰ পৰা বঞ্চিত হোৱাৰ পাছতেই দলীয় নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ কলিতাৰ

## কংগ্ৰেছ ত্যাগ APCCৰ জ্যেষ্ঠ মুখপাত্ৰ ৰাতুল কলিতাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ মাৰ্চ ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ আগন্তুক বিধানসভা নিৰ্বাচনৰ টিকট বিতৰণক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসন্তোষে ❑ ৬ পৃষ্ঠাত

**■ অখিল গগৈক একাষৰীয়া কৰি নিৰ্বাচনত অৱতীৰ্ণৰ ইংগিত কংগ্ৰেছৰ ■**

# আজিও চূড়ান্ত হোৱা নাই বিৰোধীৰ মিত্ৰতা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৭ মাৰ্চ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপি চৰকাৰক প্ৰত্যাহ্বান জনোৱাৰ লক্ষ্যৰে বিৰোধী দলসমূহৰ মাজত মিত্ৰতা গঢ়ি তোলাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শুকুৰবাৰে কংগ্ৰেছ, অসম জাতীয় পৰিষদ (অজাপ), অসম প্ৰগতিশীল হেমল কংগ্ৰেছ (এপিএইচএলচি) আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ শীৰ্ষ নেতৃত্বই যৌথভাৱে আলোচনাত অংশগ্ৰহণ কৰে। আলোচনাৰ পিছতে এখন সংবাদমেল সম্বোধন কৰি দলকেইটাৰ নেতাসকলে ৰাইজৰ সন্মুখত ঐক্যবদ্ধ সংগ্ৰামৰ ❑ ৬ পৃষ্ঠাত

### উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত উত্তীৰ্ণৰ মাৰ্ক ৩৩ শতাংশলৈ বৃদ্ধি

**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ মাৰ্চ ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (ASSEB) উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীসকলৰ ❑ ৬ পৃষ্ঠাত

**❒ বাণিজ্যিক চিলিণ্ডাৰৰ দামো ১১৫ টকাকৈ বৃদ্ধি ❒**

## নিৰ্বাচনৰ পূৰ্বে প্ৰতিটো ঘৰুৱা চিলিণ্ডাৰৰ দাম ৬০ টকাকৈ বৃদ্ধি



মধ্য প্ৰাচ্যৰ অস্থিৰতা আৰু বিশ্বব্যাপী শক্তিৰ মূল্যবৃদ্ধিৰ প্ৰভাৱ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ মাৰ্চ ঃ** পশ্চিম এছিয়াৰ চলিত সামৰিক সংঘাত আৰু অস্থিৰতাই বিশ্ববজাৰত শক্তিৰ মূল্যক তীব্ৰভাৱে প্ৰভাৱিত কৰাৰ পিছত ভাৰততো ৰন্ধন গেছৰ দাম আকৌ বাঢ়িছে। ঘৰুৱা এল পি জি চিলিণ্ডাৰৰ মূল্য প্ৰতি ১৪.২ কেজিত ৬০ ❑ ৬ পৃষ্ঠাত


**কাৰ্যালয়ত মহিলাৰ যৌন নিৰ্যাতনৰ অভিযোগ দাখিলৰ বাবে অনলাইন ব্যৱস্থা**

## এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগত উপলব্ধ হ'ব SHe Box

### ৰাজহ বিভাগৰ অতিৰিক্ত সচিব হেমাশ্ৰী হাজৰিকাক SHe-Boxৰ দায়িত্ব অৰ্পণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৭ মাৰ্চ ঃ** মহিলা কৰ্মচাৰীসকলক কাৰ্যালয়ত যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা প্ৰদানৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ SHe-Box (Sexual Harassment electronic Box) অনলাইন ❑ ৬ পৃষ্ঠাত




**বিশ্বজয়ৰ লক্ষ্যৰে ২২ গজৰ যুঁজত নামিব টীম ইণ্ডিয়া**

## আজি T20 বিশ্বকাপৰ ফাইনেলত ভাৰত-নিউজিলেণ্ডৰ মহাযুদ্ধ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ মাৰ্চ ঃ** আগন্তুক ৮ মাৰ্চত নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ICC পুৰুষ T20 বিশ্বকাপ ২০২৬ৰ ফাইনেলত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত এক মহা যুদ্ধ অনুষ্ঠিত হ'ব। টীম ইণ্ডিয়াই চতুৰ্থবাৰৰ বাবে T20 বিশ্বকাপৰ ফাইনেলত স্থান লাভ কৰিছে আৰু নিউজিলেণ্ডক পৰাস্ত কৰি ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে শিৰোপা জয়ৰ সপোন দেখিছে। ছেমিফাইনেলত ভাৰতে ৱাংখেড়ে ❑ ৬ পৃষ্ঠাত

**◂ সমসাময়িক ▸**

### সমাজ সংগঠনত নাৰীৰ ভূমিকা

✍ শৰৎ চন্দ্ৰ চিৰিংফুকন

ভাৰতীয় সংবিধান প্ৰদত্ত নাৰী-পুৰুষ উভয়ৰে সম-অধিকাৰ আজি সমাজৰ সমস্ত দিশতে কাৰ্যকৰী হ'বলৈ ধৰিছে। একালত ❑ ৭ পৃষ্ঠাত

**সংশোধিত পাঠ্যক্ৰম ৱেবছাইটত হ'ব উপলব্ধ**

## নৱম আৰু দশম শ্ৰেণীৰ ১০খন পাঠ্যপুথিত সংশোধন-সংযোজন




২০২৬-২০২৭ শৈক্ষিক বৰ্ষৰ পৰা পুৰণি পুথি ব্যৱহাৰ নহ'ব

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ মাৰ্চ ঃ** অহা ২০২৬-২০২৭ শৈক্ষিক বৰ্ষৰ পৰা নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ১০ খনকৈ পাঠ্যপুথিত ❑ ৬ পৃষ্ঠাত

প্ৰাক্তন ন্যায়াধীশ এইচ এন শৰ্মাক দায়িত্ব, ৰাইজৰ পৰা তথ্য আহ্বান

## বিটিচি সচিবালয়ত সংঘটিত বিশৃংখলাৰ তদন্তৰ বাবে এজনীয়া কমিছন গঠন


**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৭ মাৰ্চ ঃ** অসম চৰকাৰে কোকৰাঝাৰস্থিত বড়োলেণ্ড আঞ্চলিক পৰিষদ (বিটিচি) সচিবালয়ত যোৱা ২০২৫ চনৰ ❑ ৬ পৃষ্ঠাত

**উত্তৰ-পূৰ্বাঞ্চলত বিমান সুৰক্ষা ব্যৱস্থাৰ প্ৰতি চিন্তিত ভাৰতীয় বায়ুসেনাৰ প্ৰাক্তন বিষয়া; চুখয়-৩০ দুৰ্ঘটনাই উত্থাপন কৰিলে ভৌগোলিক পৰিস্থিতি**

## 'দ্বিতীয় বাৰ্মুডা ত্ৰিভুজ'ৰ আখ্যা অৰুণাচল প্ৰদেশলৈ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ মাৰ্চ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ বিমান চলাচলৰ ক্ষেত্ৰত অৰুণাচল প্ৰদেশক 'দ্বিতীয় বাৰ্মুডা ত্ৰিভুজ' বুলি আখ্যা দি চিন্তা প্ৰকাশ কৰিছে ভাৰতীয় বায়ুসেনাৰ প্ৰাক্তন গ্ৰুপ কেপ্টেইন মহন্তো পাংগিং পাওৱে। অসমৰ কাৰ্বি ❑ ৬ পৃষ্ঠাত



# নিশা মৰিগাঁও ভূৰবন্ধাত ছখনকৈ ব্যৱসায়ী প্ৰতিষ্ঠান ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ মাৰ্চ ঃ** বুধবাৰে নিশা মৰিগাওঁ জিলাৰ ভূৰবন্ধাত সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰে। নিশাৰ প্ৰায় গভীৰ সময়ত প্ৰায় এক মান বজাত হঠাতে জুই লগাৰ ফলত ভূৰবন্ধা দৈনিক বজাৰত অৱস্থিত ছয় খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জুইত জাহ যায়। এই অগ্নিকাণ্ডত চল্লিশ লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হোৱা বুলি প্ৰাৰম্ভিকভাৱে অনুমান কৰা হৈছে। জুইত ক্ষতিগ্ৰস্ত হোৱা প্ৰতিষ্ঠানসমূহৰ ভিতৰত এখন ম'বাইল বিক্ৰি দোকা, এখন ঔষধৰ দোকান, এখন কাপোৰৰ দোকানৰ লগতে আন কইবাখনো সৰু-বৰ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জুইত জাহ যায়। ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় লোকসকলে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। কিছু সময়ৰ ভিতৰতে তিনি খনকৈ অগ্নি-নিৰ্বাপক বাহন লৈ অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ দীৰ্ঘ সময় ধৰি চেষ্টা চলাই জুই নিয়ন্ত্ৰণলৈ আনে যদিও তেতিয়ালৈকে দোকানসমূহৰ ভিতৰত থকা সৰহ সম্পত্তি সম্পূৰ্ণৰূপে ভস্মীভূত হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, জুইৰ লেলিহান শিখাই অতি দ্ৰুতগতিত এখন দোকানৰ পৰা আনখন দোকানলৈ বিয়পি পৰে। বিদ্যুতৰ ছৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূচনা হোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে যদিও প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। আৰক্ষী আৰু অগ্নিনিৰ্বাপক বিভাগে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলে এই ক্ষেত্ৰত চৰকাৰক সহায়-সহযোগিতা আগবঢ়াবলৈ দাবী জনাইছে। হঠাতে হোৱা এই ঘটনাই বহু পৰিয়ালৰ জীৱিকা বিপদত পেলাইছে। স্থানীয় ৰাইজেও ক্ষতিগ্ৰস্তসকলক সহায় কৰাৰ বাবে আগবাঢ়ি আহিছে। এই অগ্নিকাণ্ডৰ ফলত ভূৰবন্ধা অঞ্চলত শোক আৰু উদ্বেগৰ পৰিৱেশৰ সৃষ্টি হৈছে।

# চামগুৰিত কংগ্ৰেছত ধুমুহা; দুই শতাধিকৰ এআইইউডিএফ দলত যোগদান

**অসম বাৰ্তা, ৰূপহীহাট, ৫ মাৰ্চ ঃ** চামগুৰিত কংগ্ৰেছৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনৰ নাম ঘোষণা হোৱাৰ লগে-লগে কংগ্ৰেছত আৰম্ভ হৈছে ধুমুহা। আৰম্ভ হৈছে দল ত্যাগৰ জোৱাৰ। চামগুৰিত যোৱা নিশা প্ৰায় দুই শতাধিক কংগ্ৰেছ কৰ্মীয়ে এআইইউডিএফ দলত যোগদান কৰে। চামগুৰি সমষ্টিৰ এআইইউডিএফ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী মোস্তফা কামাল পাছাৰ নেতৃত্বত কৰৈগুৰি গাঁও পঞ্চায়তত কংগ্ৰেছ কৰ্মী সকলে যোগদান কৰে। মোস্তাফা কামাল পাছাই যোগদান সভাখনত কংগ্ৰেছ দলক উভতি ধৰি কয় যে কংগ্ৰেছ দল সৰ্বসাধাৰণৰ দল নহয়। কোনো মন্ত্ৰী বিধায়কৰ পুত্ৰই হে কংগ্ৰেছ দলত স্বীকৃতি লাভ কৰে আন কোনেও স্বীকৃতি নাপাই মন্তব্য বুলি মন্তব্য কৰে। যোৱা উপ নিৰ্বাচনত চামগুৰি সমষ্টিত তাঞ্জিল হুছেইনক ৰাইজে প্ৰত্যাখ্যান কৰিছিল। আগন্তুক বিধানসভা নিৰ্বাচনত চামগুৰিত তাঞ্জিল হুছেইনৰ কোনো চিনচাব নাথাকে বুলি মন্তব্য কৰে মোস্তাফা কামাল পাছাই। তেওঁ আৰু কয় যে কংগ্ৰেছ দল পৰিয়াল কেন্দ্ৰীক দল। চামগুৰিত এইবাৰ ককা, দেউতা আৰু নাতিৰ ৰাজনীতি এইবাৰ ৰাইজে মানি নলয়। কংগ্ৰেছৰ বহু নিষ্ঠাবান কৰ্মী সকলে সেইখিনি অনুভৱ কৰি আজি এআইইউডিএফ দলত যোগদান কৰিছে। এআইইউডিএফ দলত যোগদান কৰিয়েই বদৰ উদ্দিন আজমল জিন্দাবাদ, এআইইউডিএফ দল জিন্দাবাদ দি পৰিৱেশ উত্তাল কৰি তোলে। চামগুৰিত মোস্তাফা কামাল পাছাৰ লগত দলৰ সাংগঠনিক ভেটি মজবুত কৰাৰ কাৰণে জঁপিয়াইপৰিছে এ আই ইউ ডি এফ দলৰ কেন্দ্ৰীয় নেতৃত্বই। যাৰ বাবে চামগুৰিত আজিৰ দিনত সবল স্থিতিত আছে এ আই ইউ ডি এফ দল।

## ফাকুৱাৰ আনন্দৰ মাজতে অঘটন, দুই বহিৰাগতৰ আক্ৰমণৰ ফলত অসমীয়া যুৱকৰ অৱস্থা সংকটজনক

# আমগুৰিত বহিৰাগতৰ আক্ৰমণৰ বলি খিলঞ্জীয়া অসমীয়া

## দুই অভিযুক্তক জেল হাজোতলৈ প্ৰেৰণ

**অসম বাৰ্তা, আমগুৰি, ৫ মাৰ্চ ঃ** অসমত বহিৰাগত লোক খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ ৰূপ লোৱাৰ আশংকা বৃদ্ধি পোৱাৰ মাজতে শিৱসাগৰ জিলাৰ আমগুৰিটো সংঘটিত হৈছে অনুৰূপ এক ঘটনা। আমগুৰিৰ লাহদৈগড় মিচিং গাঁৱৰ সমীপত সংঘটিত হৈছে এক খিলঞ্জীয়াক আক্ৰমণৰ ঘটনা। আক্ৰমণৰ ফলত কেশৱ গগৈ নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণী মতে ফাকুৱাৰ আনন্দৰ মাজতে লাহদৈগড় মিচিং গাঁৱৰ সমীপৰ এখন ধাবাত হাৰিয়ানাৰ ৰাজিদ গুজ্জৰ আৰু উত্তৰ প্ৰদেশৰ জাহাঙ্গীৰ আলম নামৰ লোক দুজনে হালোৱাটিং জকাই পদুলী গাঁৱৰ নিৱাসী কেশৱ গগৈৰ প্ৰতি ইতিকিংসূচক মন্তব্য কৰাৰ ফলত লোকজনৰ সৈতে প্ৰথমে তৰ্কাতৰ্কি আৰু পৰৱৰ্তী সময়ত ঘটনাই হতাহতি পৰ্যায় পায়। সেই সময়তে আক্ৰমণকাৰী এজনে পিছফালৰ পৰা চিচাঁৰ বটলেৰে কেশৱ গগৈৰ মূৰত কোব মাৰে। ফলত কেশৱ গগৈ মাটিত বাগৰি পৰে। সেই সুযোগতে জাহাঙ্গীৰ আৰু ৰাজিদে মাটিত পৰি থকা কেশৱ গগৈক উপৰ্যুপৰি আক্ৰমণ কৰে। আক্ৰমণৰ ফলত কেশৱ গগৈৰ সমগ্ৰ শৰীৰত গুৰুতৰ ভাৱে আঘাত পোৱাৰ লগতে বাওঁ ভৰিৰ আঁঠুৰ ঘিলা ভাঙি যায়। চিএৱৰ বাখৰ শুনি স্থানীয় ৰাইজ গোট খাই আৰু হালোৱাটিং আৰক্ষীক খবৰ দিয়ে। লগে লগে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত দুই অভিযুক্তক আটক কৰে আৰু সংকটজনক অৱস্থাত কেশৱ গগৈক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পৰিয়ালৰ তৰফৰপৰা জানিব পৰা মতে সংকটজনক অৱস্থাত থকা কেশৱ গগৈক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে হালোৱাটিং আৰক্ষীয়ে অভিযুক্ত জাহাঙ্গীৰ আলম আৰু ৰাজিদ গুজ্জৰৰ বিৰুদ্ধে ৬/২৬নং গোচৰ ৰুজু কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। সমগ্ৰ ঘটনাৰ সন্দৰ্ভত সদৌ টাই আহোম ছাত্ৰ সন্থা, তাই আহোম যুৱ পৰিষদ, বীৰ লাচিত সেনা আদি সংগঠনসমূহক সক্ৰিয় হৈ পৰা দেখা গৈছে। সংগঠনসমূহে একেমুখে সমগ্ৰ ঘটনাৰ গৰিহণা দিয়াৰ লগতে দোষীক কঠোৰতম শাস্তিৰ দাবী জনাইছে।

# মৰিগাঁও জিলাৰ পানী যোগান আঁচনিসমূহৰ দীৰ্ঘ-স্থায়িত্বৰ বাবে ৰাইজৰ পৰা ন্যূনতম শুল্ক সংগ্ৰহৰ ওপৰত জিলা আয়ুক্তৰ গুৰুত্ব আৰোপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ মাৰ্চ ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনৰ পানী যোগান আঁচনিসমূহৰ পৰিচালনা আৰু মেৰামতি সন্দৰ্ভত আজি মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত অনমিকা তেৱাৰীৰ সভাপতিত্বত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত হিতাধিকাৰীৰ পৰা নিয়মীয়া শুল্ক সংগ্ৰহৰ জৰিয়তে এই আঁচনিসমূহৰ পৰিচালনা আৰু দীৰ্ঘ-স্থায়িত্ব সুনিশ্চিত কৰাৰ বিষয়ে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে উন্নয়ন খণ্ড বিষয়া আৰু গাওঁ পঞ্চায়তৰ সচিবসকলক জল মিত্ৰসকলৰ কাম-কাজৰ ওপৰত চকু ৰাখিবলৈ নিৰ্দেশ দিয়ে। তেওঁ জল ব্যৱহাৰকাৰী সমিতিসমূহক সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে ব্যাপক সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। তেওঁ প্ৰতিটো পৰিয়ালৰ পৰা ন্যূনতম ৩০ৰ পৰা ৫০ টকাৰ শুল্ক নিয়মীয়াকৈ সংগ্ৰহ কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনায় যাতে আঁচনিসমূহ সুচাৰুৰূপে পৰিচালনা কৰিব পৰা যায়। জিলা আয়ুক্তগৰাকীয়ে নৱনিযুক্ত পঞ্চায়ত সচিবসকলক গ্ৰামাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে উদ্ভাৱনী চিন্তাধাৰাৰে আগবাঢ়িব আহিবলৈ আহ্বান জনায়। সভাত ভাষণ দি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈয়ে উল্লেখ কৰে যে মেৰামতিৰ কাম কৰিবলৈ প্ৰতিখন গাঁও পঞ্চায়তেতে একোখন নিৰ্মাণ সমিতি গঠন কৰিব লাগিব। তেওঁ সমিতি গঠনৰ বাবে প্ৰয়োজনীয় চৰ্ত আৰু নিয়মসমূহৰ বিষয়ে উল্লেখ কৰে। সভাত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাই পানী যোগান আঁচনিসমূহত বিদ্যুতৰ অপব্যৱহাৰ যেনে ই-বাহন চাৰ্জ কৰা বা অন্যান্য ব্যক্তিগত ব্যৱহাৰ আদি কঠোৰভাৱে ৰোধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা বাবুল বড়ো, উন্নয়ন খণ্ড বিষয়া আৰু জিলাখনৰ পঞ্চায়ত সচিবসকল উপস্থিত আছিল।

# ওদালগুৰিত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ মাৰ্চ ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আন্তৰ্জাতিক মহিলা দিৱস -২০২৬ উপলক্ষে ভাৰতৰ ২৫০খন জিলাত বিভিন্ন কাৰ্যসূচী আয়োজন কৰিবলৈ প্ৰস্তুতি লৈছে। সেই উপলক্ষে ASMITA উদ্যোগত, Sports Authority of Indiaই ওদালগুৰি জিলা প্ৰশাসন, মাই ভাৰত ওদালগুৰি আৰু জিলা ক্ৰীড়া বিভাগৰ সহযোগত অহা ৮ মাৰ্চ তাৰিখে ৰাতিপুৱা ১০: ০০ বজাৰ পৰা হৰিশিঙাত অৱস্থিত ৰবি কাছাৰী ষ্টেডিয়ামত বিভিন্ন ধৰণৰ কাৰ্যসুচী আয়োজন কৰিবলৈ প্ৰস্তুতি চলাইছে। মাই ভাৰত ওদালগুৰিৰ জিলা যুৱ বিষয়া কমল ত্ৰিপাঠীয়ে এখন সংবাদ মেল আয়োজন কৰি জনায় যে এই দিৱস উপলক্ষে ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৪০০ মিটাৰৰ জিলা ভিত্তিক দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। এই প্ৰতিযোগিতা তিনিটা শ্ৰেণীত অনুষ্ঠিত হ'ব- ১৩ বছৰৰ তলত, ১৩-১৮ বছৰ আৰু ১৮ বছৰ ঊৰ্ধ্ব আৰু ইয়াতে শিশু, ছোৱালী বা মহিলাসকলোৱে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ বিজয়ীসকলক মেডেল আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি, বিভাগটোৰ দ্বাৰা কিছুমান মনোৰঞ্জনমূলক কাৰ্যসূচীও আয়োজন কৰা হ'ব। তেখেতে আগ্ৰহী অংশগ্ৰহণকাৰীসকলক My Bharat প'ৰ্টেল mybharat.gov.inত নাম পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনাইছে। এই সংবাদ মেলত গাণনিক বিষয়া বিশ্বজিত দাস, MRSD NGO-ৰ অধ্যক্ষ ডাঃ মিলন দাস আৰু PCA চেমুৱেল বাসুমতাৰী উপস্থিত থাকে।

## জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব" শীৰ্ষক আলোনাচক্ৰ

# সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘৰ প্ৰথম বছৰৰ প্ৰতিষ্ঠা দিৱসৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, জাঁজী, ৬ মাৰ্চ ঃ** ৰেডিঅ'ক অধিক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত অসমৰ বিভিন্ন জিলাৰ শ্ৰোতা সকলক লগ লাগি অহা ১৫ মাৰ্চৰ দিনা প্ৰথম বৰ্ষৰ প্ৰতিষ্ঠা দিৱসটি ধেমাজি মাছখোৱাত উলহ মালহেৰে উদ্‌যাপন কৰিবলৈ স্থিৰ কৰা হৈছে। ইতিমধ্যে অনুষ্ঠানত কেইবাজনো গণ্য মান্য ব্যক্তি উপস্থিত থাকিব বুলি উদ্যোক্তাই জানিবলৈ দিছে। আনহাতে দিনজোৰা কাৰ্য্যসূচীৰে বৰপাক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰয়াত সোমেশ্বৰ ভূএগ ক্ষেত্ৰত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ কাৰ্য্যসূচী অনুসৰি ১৫ মাৰ্চৰ পুৱা সংঘৰ পতাকা উত্তোলন, বৃক্ষ ৰোপণ, শ্বহীদ তৰ্পণ, মঞ্চ উদ্বোধন, সমূহীয়া বন্তি প্ৰজ্বলন, মঞ্চ উদ্বোধনী গীত পৰিৱেশন, ন-পুৰণি সদস্য সকলৰ চিনাকি পৰ্ব, অতিথি আদৰণি আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হব। আকাশবাণী যোৰহাট কেন্দ্ৰৰ ঘোষক আৰু ঘোষিকা পূৰবী সভাপণ্ডিত ভট্টাচাৰ্য আৰু গায়ত্ৰী দেৱীয়ে আত ধৰা বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠানৰ পাছতেই বিয়লি এক বজাত "জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব" শীৰ্ষক আলোনাচক্ৰ অনুষ্ঠিত হ'ব। আনহাতে অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ধেমাজি মাছখোৱাৰ জ্যেষ্ঠ সাংবাদিক বীৰেন কুমাৰ কোঁৱৰ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অনুষ্ঠানৰ মুৰব্বী কাৰ্তিক সূত্ৰধাৰ, নাট্য কৰ্মী ঋতুপৰ্ণ দাস, জ্যেষ্ঠ ঘোষিকা গায়ত্ৰী দেৱী, ত্ৰৈলোক্য বৰা, প্ৰাঞ্জল শইকীয়া, প্লাবন ৰাজখোৱা, গোপা হাজৰিকা, ভূষণ জ্যোতি সন্দিকৈ, প্ৰেইমথি গোহাঁই, বিনীতা ডেকা। সম্বৰ্ধনা অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি আৰু সাংবাদিকক সম্বৰ্ধনা জনোৱা হ'ব। কাৰ্য্যসূচী সফল ৰূপায়ণ কৰিবলৈ সংযুক্ত শ্ৰোতা সংঘৰ সভাপতি অৰুণ হাতীবৰুৱা, মুখ্য সম্পাদক নিত্যা ভূএগ, আৰু প্ৰচাৰ সম্পাদক প্ৰণৱ কুমাৰ দত্তই সকলোৱে সহযোগিতা কামনা কৰিছে।

## জৰাজীৰ্ণ পথ নিৰ্মাণৰ বাবে নিজাববীয়াকৈ কৰিলে ব্যৱস্থা

# নাজিৰাৰ যুৱ নেতা ময়ূৰ বৰগোহাঁইৰ মহানুভৱতা



**অসম বাৰ্তা, গেলেকী, ৬ মাৰ্চ ঃ** ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচন। নিৰ্বাচনৰ পাক মুহূৰ্তত ভাৰতীয় জনতা পাৰ্টীৰ নাজিৰা সমষ্টিৰ সম্ভাব্য প্ৰাৰ্থী ময়ূৰ বৰগোহাঁইৰ মহানুভৱতাত এতিয়া এটা অঞ্চলৰ ৰাইজ যথেষ্ট সুখী হোৱা দেখা গৈছে। নাজিৰা সমষ্টিৰ অন্তৰ্গত গেলেকী কলেজ ৰোডৰ মধুপুৰ নামঘৰৰ সমীপৰ এটি পথ যিটো জৰাজীৰ্ণ পথৰ বাবে ভালেসংখ্যক লোক আজি বছৰ বছৰ ধৰি বাৰিষাৰ সময়ত যাতয়তৰ ক্ষেত্ৰত জীয়াতু ভুগি আহিছে। পথটো যাতায়তৰ ক্ষেত্ৰত সুচল কৰি দিয়াৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ কৰ্তৃপক্ষই হওক বা চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। যাৰ বাবে জানিব পৰা মতে বিগত সময়ত স্থানীয় বিধায়কক এই অঞ্চলৰ ৰাইজে লিখিতভাৱে আবেদন দাখিল কৰিছিল। স্থানীয় বিধায়কজনে এই সৰু পথচোৱা যাতায়তৰ ক্ষেত্ৰত সুচল কৰি দিয়াৰ বাবে পৰ্যাপ্ত যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি স্থানীয় লোকে সংবাদমাধ্যমৰ আগত মত ব্যক্ত কৰিছে। পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে পুনৰ বাৰিষা সময়ত যাতায়তৰ বাবে জীয়াতু ভুগি আহিছে এই পথৰ কাষত বসবাস কৰা লোকসকলৰ লগতে সাধাৰণ ৰাইজ। অৱশেষত এই ঠাইৰ লোকসকলে লগ ধৰিলে নাজিৰাৰ যুৱ নেতা ময়ূৰ বৰগোহাঁইক। ৰাইজৰ আবেদন লাভ কৰি যুৱ নেতা গৰাকীয়ে তাৎক্ষণিকভাৱে ৰাইজৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যাপ্ত পৰিমাণৰ শিলগুটি পথচোৱাত দিয়াৰ ব্যৱস্থা কৰি দিয়ে। যাৰ বাবে এতিয়া এই ঠাইৰ লোকসকল যথেষ্ট সুখী হোৱা দেখিবলৈ পোৱা গৈছে। এই ঠাইৰ লোকসকলে যুৱ নেতাজনৰ এই মহানুভৱতাৰ বাবে ভূয়সী প্ৰশংসা কৰিছে।

## পত্নীৰ হাতত প্ৰাণ গ'ল চৰকাৰী গাঁওবুঢ়াৰ

# দলগাঁৱত চাঞ্চল্যকৰ হত্যাকাণ্ড

**অসম বাৰ্তা, দলগাঁও, ৬ মাৰ্চ ঃ** দৰং জিলাৰ দলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত দুলিয়াপাৰাত কালি নিশা এক চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। পাৰিবাৰিক কন্দলৰ পৰিণতি এগৰাকী চৰকাৰী গাঁওবুঢ়াক নিজ পত্নীয়ে ডিঙি চেপি হত্যা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ২ নং গলন্দি, ৩ নং গলন্দি, দুলিয়াপাৰা আৰু বাগৰবাৰী এই চাৰিখন গাঁৱৰ চৰকাৰী গাঁওবুঢ়া আব্দুৰ ৰহমানৰ সৈতে তেওঁৰ দ্বিতীয় পত্নীৰ দীৰ্ঘদিন ধৰি পাৰিবাৰিক কন্দল চলি আছিল। কালি এই বিবাদ চৰম পৰ্যায়লৈ যোৱাত পত্নীয়ে আৱেগিক হৈ গাঁওবুঢ়া জনৰ ডিঙি চেপি ধৰে। ইয়াৰ ফলত আব্দুৰ ৰহমান গুৰুতৰভাৱে অসুস্থ হৈ পৰে। পৰিয়ালৰ লোক আৰু স্থানীয় ৰাইজে ততাতৈয়াকৈ গাঁওবুঢ়াজনক খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। এজন চৰকাৰী বিষয়া তথা সমাজৰ গণ্য-মান্য ব্যক্তিৰ এনেদৰে মৃত্যু হোৱা ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰাৰ লগতে চেপা উত্তেজনা বিৰাজ কৰিছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। স্থানীয় ৰাইজে চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক এই ঘটনাৰ সঠিক তদন্ত কৰি দোষীক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

# নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাঙ্গণৰ ৩য় সংখ্যক দোলযাত্ৰা উদ্‌যাপনৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ৬ মাৰ্চ ঃ** নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাঙ্গণৰ৩য় সংখ্যক কৃষ্ণ দৌলযাত্ৰা উদযাপন ২মাৰ্চৰ পৰা অনুষ্ঠিত হৈ ৪ মাৰ্চত সফল সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ মুকলি সভা সঞ্চালনা কৰে বুঢ়ীনগৰ কনিষ্ঠ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰৱক্তা জিতেন হাজৰিকাই। গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহকাৰী অভিযন্তা ভদ্ৰকান্ত বৰুৱাই উদ্বোধন কৰা সভা আত ধৰে নাৰায়ণ ভট্ট আৰু বসন্ত চহৰীয়াই। সভাত আলোচকদ্বয় হিচাপে উপস্থিত থাকে ওদালগুৰি জিলাৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, সংঘ চালক খগেন ডেকা লগতে চমতীয়াৰ অৱসৰপ্ৰাপ্ত শিক্ষক গজেন শৰ্মা। বিশিষ্ট অতিথিৰ হিচাপে উপস্থিত থাকে বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক ৰীমা দাসে। লগতে উপস্থিত থাকে ছিপাঝাৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা দৌলযাত্ৰা উদযাপনত ভাগৱত পাঠ, মহিলাৰ দিহা-নাম প্ৰতিযোগিতা, দলীয় হোলী নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ইয়াৰ উপৰিও অসমৰ বিভিন্ন থলুৱা লোকবাদ্য দলে অংশগ্ৰহণ কৰা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ডি ৱাই বিহুৰাণী হিৰণ্ময়ী চহৰীয়াই। আজিৰ সমাজে সৰু সৰু কথাৰে ডাঙৰ চিন্তা কৰিব লাগিব। শ্ৰীকৃষ্ণৰ দৰে বৰ্ণ, ৰূপ আৰু বৈশিষ্ট্যৰে নৈতিকতাক পাধান্য দি নিজৰ চিনাকি দিব লাগিব। শ্ৰীকৃষ্ণৰ দৌলযাত্ৰাৰ মুকলি সভাত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ এই বক্তব্য। ইয়াৰ উপৰিও তেওঁ নামখলা শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা উদ্‌যাপন উদযাপন সমিতিৰ বিষয়ববীয়া সভাপতি ফনীধৰ বৰুৱা, লহিত বড়ো, কাৰ্যকৰী সভাপতি ভূপেন বৰুৱা, সম্পাদক যোগেন্দ্ৰ কলিতা, ভাৰ্গৱজ্যোতি ভট্ট আৰু ধনমণি বৰুৱাৰ লগতে অঞ্চলবাসীক ধন্যবাদ জ্ঞাপন কৰে। সভাত আলোকচকদ্বয় খগেন ডেকা আৰু গজেন শৰ্মাই বক্তব্য প্ৰদান কৰি কয় নামখলাত শ্ৰীকৃষ্ণ ৰাসলীলা, শ্ৰীকৃষ্ণৰ দৌলযাত্ৰাৰ উপৰিও বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি সকলো জাতি, ধৰ্ম, বৰ্ণই এক হৈ নামখলা অসমৰ উল্লেখযোগ্য ঠাই হিচাপে চিহ্নিত কৰিবলৈ আহ্বান জনায়।

# পুথিভঁৰাল, সংগ্ৰহালয়, বনৌষধি উদ্যান, ফল-ফুলেৰে জাতিষ্কাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী চুঙাজানৰ এখন প্ৰাথমিক বিদ্যালয়

## "চাকৰি নহয়, এয়া এক শ্ৰমদান"— এই মহান আদৰ্শ বুকুত বান্ধি অসম-নাগালেণ্ড সীমান্তৰ এক দুৰ্গম অঞ্চলত দুজন নিষ্ঠাবান শিক্ষক



**অসম বাৰ্তা, সৰুপথাৰ, ৬ মাৰ্চ ঃ** অসম-নাগালেণ্ড সীমান্তত প্ৰকৃতি আৰু শিক্ষাৰ অপূৰ্ব সমন্বয় এখন ব্যতিক্ৰমী প্ৰাথমিক বিদ্যালয়। চৰকাৰী সা-সুবিধাৰ অভাৱকো নেওচি কেৱল ব্যক্তিগত প্ৰচেষ্টাৰে চুই চাব পৰাকৈ জিলিকি উঠিছে সৰুপথাৰ সমজিলাৰ দক্ষিণ উন্নয়ন শিক্ষাখণ্ডৰ অন্তৰ্গত বনগাঁও প্ৰাথমিক বিদ্যালয়। অসম-নাগালেণ্ড সীমান্তৰ চুঙাজানত ১৯৮৯ চনত স্থাপন হোৱা এই বিদ্যালয়খনে এতিয়া সকলোৱে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ দুগৰাকী নিষ্ঠাবান শিক্ষকে প্ৰকৃতি আৰু শিক্ষাক একত্ৰিত কৰি কন কন শিশুসকলক মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ এক নিৰন্তৰ প্ৰচেষ্টা চলাই গৈছে। বিদ্যালয়খনৰ কেইটামান উল্লেখযোগ্য দিশ হৈছে, প্ৰাকৃতিক পৰিৱেশঃ বিদ্যালয়খনৰ চৌহদত গঢ়ি তোলা হৈছে এখন সুন্দৰ ফুলনি আৰু ফল-মূলৰ গছ। শিশুসকলক থলুৱা বন ঔষধৰ সৈতে পৰিচয় কৰাই দিবলৈ ইয়াত এখন বিশেষ বনৌষধি বাগিছা শিক্ষকসকলে পাতিছে। নাম ৰাখিছে 'গুণাৰাম খনিকৰ ঔষধি উদ্যান'। শগুণিলতা, ভেদাইলতা, চালকুঁৱৰী (এলোভেৰা), মানিমুনি আৰু তুলসী ইত্যাদিকে ধৰি প্ৰায় ৩০ বিধ দুষ্প্ৰাপ্য তথা দৰকাৰী ঔষধি উদ্ভিদ সংৰক্ষণ কৰা হৈছে বুলি শিক্ষকজনে জানিবলৈ দিছে। পুৰণি আৰু আপুৰুগীয়া সম্পদসমূহ সংৰক্ষণ কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবলৈ বিদ্যালয়খনত এটা ক্ষুদ্ৰ সংগ্ৰহালয় স্থাপন কৰা হৈছে। নাম সাধনী সংগ্ৰহালয়। পুৰণি অসমীয়া সংস্কৃতিৰ হেৰাই যাব ধৰা সামগ্ৰীবোৰ ছাত্ৰ-ছাত্ৰীক হাতে-কামে চিনাকি কৰি দিবলৈ এই সংগ্ৰহালয়টো সজোৱা হৈছে। ইয়াত পুৰণি কাঁহৰ বাচন (বানবাতি, বানকাঁহী, লোটা আদি) আৰু পৰম্পৰাগত বস্ত্ৰ (এৰী চাদৰ, চেলং, টঙালী আদি) সংৰক্ষণ কৰা হৈছে। প্ৰিয়দৰ্শন শিশু পুথিভঁৰালত শিশু উপযোগী বিভিন্ন গ্ৰন্থ সংগ্ৰহ কৰি ৰখা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে প্ৰতি শনিবাৰে ঘৰলৈ কিতাপ নিব পাৰে আৰু সোমবাৰে পঢ়ি জমা দিয়ে। ইয়াৰোপৰি ছাত্ৰ-ছাত্ৰীৰ বাবে মহাত্মা গান্ধী জিৰণি চ'ৰা, জৱাহৰলাল নেহৰু শিশু উদ্যান। ইয়াৰোপৰি দেৱালসমূহত অংকন কৰা হৈছে মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ, ড° ভূপেন হাজৰিকা, ড° এ.পি.জে. আব্দুল কালাম, অলিম্পিক বিজয়ী লাভলীনা বৰগোঁহাইৰ লগতে ভাৰতৰ বহুতো উল্লেখযোগ্য ব্যক্তিত প্ৰতিচ্ছবি। "চাকৰি নহয়, এয়া এক শ্ৰমদান"- এই মহান আদৰ্শ বুকুত বান্ধি নাগালেণ্ড সীমান্তৰ এক দুৰ্গম অঞ্চলত নীৰৱে এক শিক্ষা বিপ্লৱৰ সূচনা কৰিছে দুজন নিষ্ঠাবান শিক্ষকে। যি সময়ত চৰকাৰী বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশক লৈ বিভিন্ন প্ৰশ্ন উত্থাপন হয়, সেই সময়তে প্ৰকৃতিৰ নিবিড় সান্নিধ্য আৰু অপৰিসীম ত্যাগৰ জৰিয়তে এই বিদ্যালয়খনে এক অনন্য নিদৰ্শন দাঙি ধৰিছে। কেৱল চাৰিবেৰৰ মাজৰ পাঠদানতে সীমাবদ্ধ নাথাকি, ছাত্ৰ-ছাত্ৰীক প্ৰকৃতি, সংস্কৃতি আৰু নৈতিকতাৰ পাঠেৰে গঢ়ি তোলা এই বিদ্যালয়খন আজি কেৱল এটা অনুষ্ঠান হৈ থকা নাই, ই হৈ পৰিছে অঞ্চলটোৰ আশাৰ এক কিৰণ। ৰাতিপুৱাৰ কোমল ৰ'দ পৰাৰ লগে লগে টুথব্ৰাছডাল হাতত লৈ বিদ্যালয়ৰ ফুলনিখনত ব্যস্ত হৈ পৰা শিক্ষকৰ পৰা আৰম্ভ কৰি, হাতে-কামে পুৰণি ঐতিহ্যক বহন কৰা সংগ্ৰহালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকললৈকে- এই সকলোবোৰ মিলি ইয়াত ৰচিত হৈছে এক ব্যতিক্ৰমী শিক্ষা-কৰ্ম-সংস্কৃতিৰ নিদৰ্শন। উল্লেখযোগ্য যে চৰকাৰী বিদ্যালয় বুলিলেই সাধাৰণতে চকুৰ আগত ভাহি আহে সা-সুবিধাৰ অভাৱ বা জৰাজীৰ্ণ এটা পৰিৱেশৰ ছবি। কিন্তু এই ধাৰণা ভুল প্ৰমাণিত কৰি অসম-নাগালেণ্ড সীমান্তৱৰ্তী অতি দুৰ্গম অঞ্চলত অৱস্থিত এখন প্ৰাথমিক বিদ্যালয়ে বৰ্তমান সমাজৰ বাবে এক আদৰ্শ দাঙি ধৰিছে। কেৱল এটা চৰকাৰী শিক্ষানুষ্ঠান বুলিয়েই নহয়, ইয়াক এক পৱিত্ৰ সেৱাৰ থলী হিচাপে গঢ়ি তুলিছে বিদ্যালয়খনৰ নিষ্ঠাবান দুই শিক্ষকে। বিদ্যালয়খনৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হ'ল ইয়াৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশ। শিক্ষকসকলৰ মতে, তেওঁলোকে ইয়াক কেৱল এটা 'চাকৰি' হিচাপে লোৱা নাই, বৰঞ্চ 'শ্ৰমদান' হিচাপেহে গণ্য কৰে। বিদ্যালয়খনৰ প্ৰতি থকা দায়বদ্ধতা ইমানেই গভীৰ যে এগৰাকী শিক্ষকে ৰাতিপুৱাই উঠি ঘৰৰ কাম কৰাৰ পূৰ্বেই বিদ্যালয়ত উপস্থিত হৈ গছ-পুলিৰ যত্ন লয়। এই নিৰন্তৰ প্ৰচেষ্টাৰ ফলতেই বিদ্যালয়খনে এক নিকা আৰু সেউজীয়া ৰূপ লাভ কৰিছে। সীমিত সম্পদ আৰু দুৰ্গম পথৰ বাধা নেওচি এই বিদ্যালয়খনে যি নিদৰ্শন দাঙি ধৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। যদি চৰকাৰীভাৱে বিদ্যালয়খনৰ পথছোৱা আৰু অতিৰিক্ত শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰি দিয়া হয়, তেন্তে এই আদৰ্শ বিদ্যালয়ে ভৱিষ্যতে ৰাজ্যখনৰ শিক্ষা খণ্ডত এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰিব পাৰি। শিক্ষা বিভাগ আৰু চৰকাৰে এনে এক সুন্দৰ প্ৰচেষ্টাক কিদৰে সঁহাৰি দিয়ে, সেয়া এতিয়া লক্ষণীয় হ'ব।

বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ গৃহ নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ আৰ্থিক সাহায্য

# ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী, দাতা জ্যোতিপ্ৰসাদ কানৈৰ বদন্যতা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ মাৰ্চ ঃ** দেশ বা সমাজ এখন শৃঙ্খলাবদ্ধ ভাবে পৰিচালিত হোৱাত সাংবাদিকৰ ভূমিকা অনস্বীকাৰ্য্য। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিক সকলক আখ্যা দিয়া হয় যদিও সাংবাদিক সকলক যেনেদৰে গুৰুত্ব দিব লাগে, স্বাধীনতা পাব লাগিছিল সেয়াও কাৰ্যত পৰিলক্ষিত হোৱা নাই। - এই মন্তব্য ডিব্ৰুগড় আৰু ৰাজ্যৰ এগৰাকী নমস্য সমাজকৰ্মী, দাতা জ্যোতি প্ৰসাদ কানৈৰ। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ এক সৌহাদ্যপূৰ্ণ অনুষ্ঠানত অসমৰ এইগৰাকী অন্যতম দাতা, সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ স্থায়ী ভৱন নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়াই তেখেতৰ এনে বদান্যতা তথা মহানুভৱতাৰ পৰিচয় দিয়াৰ বাবে আজি জ্যোতি প্ৰসাদ কানৈক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ বাকৰিত এক উষ্ম আদৰণি জনোৱা হয়। তেওঁৰ স্বভাৱসিদ্ধ ভাষণত পুনৰাই কয় যে একো গৰাকী নিষ্ঠাবান সাংবাদিকে বহু কষ্টৰ মাজেৰেই জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'বলগীয়াত পৰে। কিন্তু আজি পৰ্যন্ত সাংবাদিকৰ জীৱনৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ একো পদক্ষেপ গ্ৰহণ নকৰিলে। সমগ্ৰ ৰাজ্যখনত উন্নয়ন সূচনা হৈছে কিন্তু বহু ঠাইত সাংবাদিক সকলকৰ বাবে নিজাববীয়া স্থায়ী গৃহ নোহোৱাত বহুত অসুবিধাৰ সন্মুখীন হ'ব লগীয়াত পৰে। সাংবাদিক নোহোৱাকৈ কোনো এখন চৰকাৰ বৰ্তি থাকিব নোৱাৰে বুলিও উল্লেখ কৰে সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে আঁত ধৰা অনুষ্ঠানত তেওঁ লগতে কয় যে শেহতীয়াকৈ অসম চৰকাৰে স্বীকৃতি প্ৰাপ্ত সাংবাদিক সকলক একোটিকৈ মোবাইল প্ৰদান কৰি উপকৃত কৰিছে। মুখ্যমন্ত্ৰী গৰাকীয়ে সাংবাদিকক মটৰ প্ৰদান কৰিব বুলিও ঘোষণা কৰিছে ভাল কথা। কিন্তু সাংবাদিক সকল বিভিন্ন সময়ত নিজৰ তথা পৰিয়ালৰ দূৰ্যোগৰ সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা আমি দেখিবলৈ পাওঁ। সেয়ে সাংবাদিক সকলৰ বাবে নিজৰ তথা পৰিয়ালৰ ভৱিষ্যত নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা উচিত। সভাপতি তথা অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাই সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈৰ বদন্যতাৰ বিষয়ে উল্লেখ কৰি ডিব্ৰুগড়ৰ সামাজিক জীৱনৰ বাবে আগবঢ়োৱা তেওঁৰ আৰু তেওঁৰ পৰিয়ালৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় তথা অসমৰ সমাজ জীৱনৰ এগৰাকী সমাজহিতৈষী, দাতা হিচাপে পৰিচিত জ্যোতি প্ৰসাদ কানৈয়ে বিগত পঞ্চাশ বছৰ চাৰ্টাৰ্ড একাউণ্ট হিচাপে নিজৰ কৰ্মজীৱন অব্যাহত ৰাখিছে। বৰ্তমান এইগৰাকী দাতা, সমাজ হিতৈষী কানৈয়ে তেওঁলোকৰ পৰিয়ালৰ নামতে প্ৰতিষ্ঠিত ডিব্ৰুগড় হনুমানবক্স সূৰযমল কানৈ আইন মহাবিদ্যালয়ত ৭৪ বছৰ বয়সতো আইনৰ শিক্ষাৰ বাবে নামভৰ্তি কৰি শিক্ষা গ্ৰহণ কৰি আছে। জ্যোতি ললিতা কানৈ ন্যাসৰ উদ্যোগত বৰ্তমান ডিব্ৰুগড়ৰ প্ৰতিখন শিক্ষানুষ্ঠান আৰু বিভিন্ন সামাজিক অনুষ্ঠানত কোনো লাভালাভৰ কথা চিন্তা নকৰি কেৱল মাত্ৰ নিজৰ সঞ্চিত ধনেৰে সমাজৰ প্ৰতি বিশিষ্ট অৱদান আগবঢ়ায় আৰু ডিব্ৰুগড়ৰ সমাজ জীৱনৰ বাবে দাতা জ্যোতি প্ৰসাদ কানৈ হিচাপে পৰিচিতি লাভ কৰিছে। ইফালে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবত অনুষ্ঠিত হোৱা সভাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ উপ-সভাপতি বিভাস দুৱৰা আৰু উপদেষ্টা ড° লোহিত শইকীয়া উপস্থিত থাকি সমাজকৰ্মী গৰাকীয়ে নিঃস্বাৰ্থভাবে সমাজলৈ আগবঢ়াই অহা কাম-কাজৰ সন্দৰ্ভত উল্লেখ কৰি উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন "বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব"ৰ তথা ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ ভৱন নিৰ্মাণৰ বাবে এককালীন আৰ্থিক অনুদান হিচাপে ৫০ লাখ টকা আগবঢ়োৱা বিষয়ে কয়। উল্লেখ্য যে, ডিব্ৰুগড়ৰ ডিকমৰ পৰা খোৱাং লৈকে কৰ্মৰত সাংবাদিক সকলক লৈ গঠিত 'বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাব'ৰ যোৱা ১৮ ফেব্ৰুৱাৰীত এ.টি. পথৰ কাষত লায়ন্স ক্লাবৰ সমীপত নিজা ভূমিত আধাৰশিলা স্থাপন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনৰ উপস্থিতিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ক্লাবৰ প্ৰেক্ষাগৃহ আধাৰশিলা স্থাপন কৰা অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী তথা উদ্যোগপতি তথা দানবীৰ হিচাপে পৰিচিত জ্যোতি প্ৰসাদ কানৈয়ে ক্লাবৰ নিৰ্মাণ ক্ষেত্ৰত ৫০ লাখ টকা তেওঁৰ জ্যোতি-ললিতা ফাউণ্ডেশ্যনৰ পৰা আগবঢ়াইছিল। তেখেতক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ তৰফৰ ফালৰ পৰা গামোচা, চেলেং, স্মাৰক আৰু কৃতজ্ঞতা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত ক্লাবৰ উপদেষ্টা ড° লোহিত শইকীয়া, শৈলেস জৈন, যাদৱ গগৈ, কৰুণা ফুকন প্ৰমুখ্যে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সমূহ সাংবাদিক উপস্থিত থাকে।

মাজুলী মহাবিদ্যালয়ত 'ৰৌদ্ৰোজ্জ্বল ৰুদ্ৰকান্ত' অনুষ্ঠান সম্পন্ন

# আদ্যশ্ৰাদ্ধত প্ৰতিষ্ঠাকালৰ অধ্যাপক ৰুদ্ৰকান্ত ঝালৈ শ্ৰদ্ধাঞ্জলি




**অসম বাৰ্তা, উজনী মাজুলী, ৬ মাৰ্চ ঃ** মাজুলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰতিষ্ঠাকালৰ অধ্যাপক, সুদূৰ বিহাৰৰ পৰা ১৯৬৬ চনতে আহি মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে ২০০২ চনৰ ৩১ আগষ্টলৈকে সেৱা আগবঢ়াই আওহতীয়া নদীদ্বীপ মাজুলীত উচ্চ শিক্ষাৰ বাটকটীয়াৰ ভূমিকাত অৱতীৰ্ণ হোৱা ৰুদ্ৰকান্ত ঝাৰ আজি আদ্যশ্ৰাদ্ধৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত 'ৰৌদ্ৰোজ্জ্বল ৰুদ্ৰকান্ত' শীৰ্ষক এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিয়লি ১ বজাৰ পৰা আয়োজিত এই অনুষ্ঠানত প্ৰথমতে ৰুদ্ৰকান্ত ঝাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বালন আৰু পুষ্পাৰ্ঘ্য তৰ্পণ কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই। ঝাৰ প্ৰাক্তন ছাত্ৰী তথা অৱসৰী শিক্ষয়িত্ৰী ডলী বৰুৱাই মংগলাচৰণ পৰিৱেশন কৰে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে বিভাগীয় শিক্ষক নৰজিৎ চেলেং, প্ৰজ্ঞা পাৰমিতা কৌশিক, মিলন পেগু আৰু প্ৰবীন কুমাৰ শইকীয়াই বিশিষ্ট অতিথিসকলক অংগবস্ত্ৰৰে আদৰণি জনায়। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই ৰুদ্ৰকান্ত ঝাৰ পাণ্ডিত্য আৰু কৰ্তব্যনিষ্ঠাৰ বিষয়ে বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সভাপতিত্ব কৰা অনুষ্ঠানটোত মূল বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথে জীৱনটো অধ্যয়ন-অধ্যাপনাতে অতিবাহিত কৰা ৰুদ্ৰকান্ত ঝা উঠি অহা প্ৰজন্মৰ বাবে আদৰ্শ বুলি অভিহিত কৰে। সভাপতিৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "শিক্ষাগুৰু হিচাপে ৰুদ্ৰকান্ত ঝা আছিল প্ৰজ্ঞা আৰু সাধনাৰ প্ৰতিমূৰ্তি। অপাৰ্থকত মাজুলীবাসীক তৰোৱাৰ গুণত তেওঁক মাজুলী মহাবিদ্যালয়ে সদায় স্মৰণ কৰি থাকিব" বুলি মন্তব্য প্ৰকাশ কৰি কয় অধ্যক্ষ ড° শইকীয়াই কয় যে প্ৰায় চাৰিটা দশক কাল মহাবিদ্যালয়লৈ অকুণ্ঠ সেৱা আগবঢ়োৱাৰ ঝাই বিহাৰৰ পৰা আহি মাজুলীত কৰা সেৱা সঁচাই অতুলনীয়। আয়োজক সমিতিৰ হৈ বক্তৃতা প্ৰদান কৰি বিভাগীয় মূৰব্বী অপূৰ্বজ্যোতি হাজৰিকাই কয় যে ৰুদ্ৰকান্ত ঝাই নিজা কৌশলেৰে মেধা নিৰ্বিশেষে ভিন ভিন শিক্ষাৰ্থীক উচিতভাৱে শিক্ষাদান কৰি এগৰাকী প্ৰকৃত গুণী শিক্ষকৰ পৰিচয় জ্ঞাপন কৰিছিল। তেওঁৰ ওচৰত ইংৰাজীৰ পাঠ গ্ৰহণ কৰা সকলোৱে ভাষাটোক শুদ্ধকৈ ক'বলৈ বা লিখিবলৈ নিজৰ ভিতৰৰ পৰাই এক প্ৰবল প্ৰেৰণা অনুভৱ কৰিছিল বুলিও হাজৰিকাই বক্তব্য কৰে। সমজুৱাৰ একাষাৰত শিক্ষাবিদগৰাকীৰ প্ৰাক্তন ছাত্ৰ তথা পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিত, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণমণি নাথ, নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুশল হাজৰিকা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বলোৰাম কলিতা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শইকীয়াই ৰুদ্ৰকান্ত ঝাৰ বিশাল ব্যক্তিত্ব আৰু শিক্ষাৰ্থীপ্ৰেম সম্পৰ্কত বক্তব্য প্ৰদান কৰে। আজিৰ অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, গীতাৰাণী গোস্বামী, বিপুল ৰাজখোৱা, ইন্দিৰা বড়া, ড° ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰীসকল, শিক্ষাবিদ আৰতি বৰা, ড° আনন্দ হাজৰিকা, অমৃতেশ্বৰ চুতীয়া, কৰুণা বৰা, ৰঞ্জিৎ কুমাৰ ভূঞা, পৰেশ দোলাকাষৰীয়া, লোহিত বৰা, অতুল হাজৰিকা, ডিম্বেশ্বৰ ভূঞা, শিল্পী যোগেন দত্ত বায়ন, উপেন শইকীয়া, দ্বীজেন দত্ত, যুগল হাজৰিকা, সাংবাদিক জীৱন বৰুৱাৰ উপৰি দুই শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে।

## কোকৰাঝাৰ সমষ্টিত শিউলী মহিলাৰীক বিপিএফ দলৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ দাবী

**অসম বাৰ্তা, কোকৰাঝাৰ, ৬ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই সক্ৰিয় হৈছে ৰাজনৈতিক দলৰ নেতা পালি নেতাৰ লগতে ভোটাৰ ৰাইজো। ৩ নং কোকৰাঝাৰ বিধানসভা সমষ্টিটোত এই বেলি নতুন মুখৰ সন্ধান আৰম্ভ কৰিছে সমষ্টিবাসী ৰাইজে। বিপিএফ দলে বিটিছি পৰিষদীয় চৰকাৰ গঠন কৰাৰ লগে লগেই একাংশ ৰাইজৰ বিপিএফ দলৰ প্ৰতি আন্তৰিকতা বৃদ্ধি পাইছে। সেয়ে তৃণমূল পৰ্যায়ৰ ৰাইজেও দলটোৰ মংগলৰ কথা চিন্তা কৰি, নিজৰ-নিজৰ মতামত প্ৰকাশ কৰা আৰম্ভ কৰিছে। ইয়াৰ সমান্তৰালভাৱে ৩নং কোকৰাঝাৰ বিধানসভা সমষ্টিত শিউলী মহিলাৰীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ দাবীও উত্থাপন কৰিছে একাংশ সমষ্টিবাসী ৰাইজে। উল্লেখ্য যে বিপিএফ দলৰ জেষ্ঠ নেত্ৰী তথা প্ৰাক্তন মন্ত্ৰী প্ৰমীলা ৰানী ব্ৰহ্ম আৰু বিটিছি প্ৰধান হাগ্ৰামা মহিলাৰীৰ সহধৰ্মীনি শিউলী মহিলাৰী এইবেলি বিধানসভা নিৰ্বাচনত অৱতীৰ্ন হব বুলি সমষ্টিটোত গাঁৱে-গাঁৱে ঘূৰি আছে যদিও সমষ্টিবাসী একাংশ ৰাইজে এইবেলি শিউলী মহিলাৰীক বিপিএফ দলৰ প্ৰাৰ্থী হিচাপে বিচাৰিছে। প্ৰমিলা ব্ৰহ্মৰ বয়স বেছি হৈছে বুলি উল্লেখ কৰি, সৱল নেতৃ হিচাপে উচ্চশিক্ষিত শিউলী মহিলাৰীক বিচাৰে বুলিও মন্তব্য কৰে সমষ্টিবাসী ৰাইজে। সমষ্টিটোৰ ভূমকী, কালিপুখুৰী, কাউনীয়াভাষা আদি অঞ্চলসমূহৰ ৰাইজে শিউলী মহিলাৰী জিন্দাবাদ, বিপিএফ জিন্দাবাদ ধ্বনী দি, শিউলী মহিলাৰীক কোকৰাঝাৰ বিধানসভা সমষ্টিত প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিবলৈ বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীলৈ দাবী জনাইছে।

## ছমৰীয়া সত্ৰত বিনামূলীয়া কম্পিউটাৰ শিক্ষা

**অসম বাৰ্তা, সোণতলী, ৬ মাৰ্চ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সত্ৰত স্থাপিত উচ্চতৰ মাধ্যমিকৰ ক'লা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ একমাত্ৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান 'হৰেশ্বৰ কলিতা জুনিয়ৰ একাডেমী'ত বিনামূলীয়া কম্পিউটাৰ শিক্ষাৰ শুভাৰম্ভ কৰে। দক্ষিণ কামৰূপৰ অন্যতম সত্ৰীয় সংস্কৃতিৰ কেন্দ্ৰস্থল ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰত পোন প্ৰথমবাৰৰ বাবে স্থাপিত হোৱা উচ্চতৰ মাধ্যমিকৰ ক'লা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ একমাত্ৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান। দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক উপযুক্ত মানৱ সম্পদ হিচাবে গঢ় দিয়াৰ লক্ষ্যৰে ছমৰীয়া সত্ৰৰ উদীয়মান শিক্ষানুৰাগী যুৱক ভূমিধৰ কলিতাৰ বিশেষ প্ৰচেষ্টাত 'হৰেশ্বৰ কলিতা জুনিয়ৰ একাডেমী' নামৰ এই শিক্ষানুষ্ঠানৰ গঢ় লৈ উঠিছে। ছমৰীয়া সত্ৰক বিদ্যানগৰী হিচাবে প্ৰতিষ্ঠা কৰাৰ মানসেৰে প্ৰথমবাৰ চলিত ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ক'লা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ শিক্ষাদানৰ ব্যৱস্থা আৰম্ভ কৰিছে। কালি হৰেশ্বৰ কলিতা জুনিয়ৰ একাডেমীত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কম্পিউটাৰ শিক্ষাৰ এক বিনামূলীয়া পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰে। ছমৰীয়া সত্ৰৰ বয়োজেষ্ঠ অৱসৰী শিক্ষক গজেন চন্দ্ৰ মহন্তই বিনামূলীয়া এই কম্পিউটাৰ শিক্ষাৰ পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক লোহিত চন্দ্ৰ ৰাভা, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক বীৰেশ চন্দ্ৰ তপাদাৰ, হৰেশ্বৰ কলিতা জুনিয়ৰ একাডেমীৰ স্বত্বাধিকাৰ ভূমিধৰ কলিতা, কম্পিউটাৰ শিক্ষক পৰিমল মালৈৰ লগতে একডেমীৰ শিক্ষক- শিক্ষয়িত্ৰী, ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য, কম্পিউটাৰ শিক্ষাৰ পাঠ্যক্ৰম মুকলি কৰাৰ পূৰ্বে শিক্ষানুষ্ঠানটোত কীৰ্তন পাঠৰ এক ধৰ্মীয় মাংগলিক অনুষ্ঠানৰো আয়োজন কৰে।

## শদিয়াত মাইক্ৰফাইনেঞ্চ ঋণ মাফৰ দাবীত তীব্ৰ প্ৰতিবাদ; চক্ৰ বিষয়া কাৰ্য্যালয় ঘেৰাও



**অসম বাৰ্তা, শদিয়া, ৬ মাৰ্চ ঃ** "অসম মাইক্ৰফাইনেঞ্চ উদ্‌গনি আৰু সঁকাহ আঁচনি - ২০২১"ৰ অধীনত মাইক্ৰফাইনেঞ্চ ঋণ ৰেহাইৰ দাবীত বৃহস্পতিবাৰে শদিয়াত ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় ঘেৰাও কাৰ্যসূচী ৰূপায়ণেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু নাৰী মুক্তি সংগ্ৰাম সমিতিৰ দুই সহস্ৰাধিক কৰ্মী-সমৰ্থকে। কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু নাৰী মুক্তি সংগ্ৰাম সমিতিৰ আহ্বানত তথা নাৰী মুক্তি সংগ্ৰাম সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ সহযোগত আৰু শদিয়া আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিবাদী সমদলত তিনিচুকীয়া জিলাৰ বহুসংখ্যক ঋণগ্ৰস্ত মহিলাই অংশগ্ৰহণ কৰে। বৃহৎ সমদলটো বীৰ লাচিত ষ্টেডিয়ামৰ পৰা আৰম্ভ হৈ শদিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ অগ্ৰসৰ হয়। উমানন্দ মুদৈ মৰাণৰ নেতৃত্বত অনুষ্ঠিত সমদলত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰীসকলে মাইক্ৰফাইনেঞ্চ কোম্পানী আৰু চৰকাৰৰ বিৰুদ্ধে তীব্ৰ শ্লো'গান ধ্বনি দিয়ে। প্ৰতিবাদৰ অন্তত সংগঠনদ্বয়ৰ নেতাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ সম্বোধন কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰত উল্লেখ কৰা মতে, NBFC-MFI আৰু বিভিন্ন ব্যক্তিগত বিত্তীয় প্ৰতিষ্ঠানসমূহে গ্ৰাম্য অঞ্চলৰ মহিলাসকলক নীতি-বৰ্হিভূতভাৱে অত্যধিক সুদৰ হাৰত ঋণ প্ৰদান কৰি ধন ঘটা প্ৰতিযোগিতা আৰম্ভ কৰি গ্ৰামাঞ্চলৰ অৰ্থনীতি ভাঙি থান-বান কৰি পেলাইছে। ঋণৰ কিস্তি আদায়ৰ নামত বহু ক্ষেত্ৰত মাইক্ৰফাইনেঞ্চ কোম্পানীৰ কৰ্মচাৰীয়ে মহিলা সকলক মানসিক নিৰ্যাতন, ভয়-ভাবুকি আৰু হাৰাশাস্তি প্ৰদান কৰি আহিছে। ঋণৰ বোজা সহিব নোৱাৰি বহু পৰিয়ালে ঘৰৰ মাটি-বাৰী, সা-সম্পত্তি, গৰু-ছাগলী আদি বিক্ৰী কৰি কিস্তি আদায় দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ উপৰিও আত্মহত্যা কৰিবলগীয়া দৰে ঘটনাও সংঘটিত হৈছে। স্মাৰক পত্ৰত লগতে উল্লেখ কৰা অনুসৰি, যোৱা বিধানসভা নিৰ্বাচনৰ আগত ড° হিমন্ত বিশ্ব শৰ্মাই সকলো ৰাজ্যৰ সকলো মহিলাৰ মাইক্ৰফাইনেঞ্চ ঋণ মাফ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও আজিপৰ্য্যন্ত সেই প্ৰতিশ্ৰুতি পূৰণ নকৰিলে চৰকাৰে। চৰকাৰে 'অসম মাইক্ৰফাইনেঞ্চ উদ্‌গনি আৰু সকাহ আঁচনি -২০২১'ৰ অধীনত যিসকল মহিলাই মাইক্ৰফাইনেঞ্চৰ ঋণৰ কিস্তি ইতিমধ্যেই আদায় দি আছিল তেওঁলোককহে উদ্‌গণিমূলকভাৱে ২৫ হেজাৰকৈ টকা প্ৰদান কৰাৰ লগতে NOC দিয়া দেখা গৈছিল। কিন্তু কিস্তি আদায় দিব নোৱাৰা মহিলাসকলৰ কোনো ঋণ মাফ নকৰিলে চৰকাৰে। অৰ্থাৎ কথা দি কথা নাৰাখিলে এইখন চৰকাৰে। চৰকাৰৰ এনে প্ৰবঞ্চনাৰ প্ৰতিবাদৰ সংগঠনটোৱে বিগত সময়ত তিনিচুকীয়া জিলাৰ আটাইকেইটা ৰাজহ চক্ৰ কাৰ্যালয়, উপায়ুক্ত কাৰ্যালয়, মন্ত্ৰী-বিধায়কৰ বাসগৃহ ঘেৰাও কাৰ্যসূচী ৰূপায়ণ কৰা উপৰিও মুখ্যমন্ত্ৰী ড° শৰ্মা ধলালৈ আহোঁতে পথত আগভেটা দিবলৈ চেষ্টা কৰা পৰ্য্যন্ত কাৰ্য্যসূচীও ৰূপায়ণ কৰি আহিছে সংগঠনটোৱে। স্মাৰক পত্ৰত সংগঠন দুটাই মাইক্ৰফাইনেঞ্চৰ ঋণগ্ৰস্ত মহিলাসকলক অতি শীঘ্ৰে ঋণ মাফ, কোম্পানীৰ পৰা ঋণৰ কিস্তি বিচাৰি অহা আৰু ভয়-ভাবুকি দিয়া কাৰ্য বন্ধ কৰা, ঋণগ্ৰস্ত মহিলাসকললৈ আদালতৰ জাননী প্ৰেৰণ কাৰ্য বন্ধ কৰা, মাইক্ৰফাইনেঞ্চ কোম্পানীৰ ওপৰত থকা আইন কঠোৰভাৱে বলবৎ কৰা, সকলো মহিলাক বিত্তীয় প্ৰতিষ্ঠানসমূহৰ দ্বাৰা NOC দিয়াৰ ব্যৱস্থা কৰাৰ দাবী তুলি উক্ত দাবীসমূহ তৎকালীনভাৱে সমাধান কৰিবলৈ আহ্বান জনায়।

**৬৬ নং বৰছলাত জচুৱা বাৰ্জ দেৱক প্ৰাৰ্থী ঘোষণা**

## অসম বিধানসভা নিৰ্বাচনত ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰৱেশ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৬ মাৰ্চ ঃ** সমাগত অসম ৰাজ্যৰ বিধানসভাৰ সাধাৰণ নিৰ্বাচনক লৈ ৰাজ্যজুৰি ৰাজনৈতিক পৰিৱেশ ক্ৰমে তৎপৰ হৈ উঠিছে। নিৰ্বাচনৰ দিন চমু চপাৰ লগে-লগে প্ৰতিটো ৰাজনৈতিক দলে নিজৰ নিজৰ ৰণকৌশল প্ৰস্তুত কৰাৰ লগতে ভোটাৰৰ সমৰ্থন লাভ কৰিবলৈ বিভিন্ন ধৰণৰ প্ৰচাৰ-প্ৰতিশ্ৰুতিত ব্যস্ত হৈ পৰিছে। বৃহৎ আঞ্চলিক আৰু ৰাষ্ট্ৰীয় দলসমূহৰ সমান্তৰালভাৱে এইবাৰ নিৰ্বাচনী ৰাজনীতিত নতুনকৈ সক্ৰিয় হৈ উঠিছে কিছুমান আঞ্চলিক শক্তিও। এই প্ৰেক্ষাপটতে ঝাৰখণ্ডৰ আঞ্চলিক ৰাজনৈতিক দল ঝাৰখণ্ড মুক্তি মৰ্চা (JMM) এ এইবাৰ অসম বিধানসভা নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দলটোৱে ইতিমধ্যে কেইবাটাও সমষ্টিত প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ প্ৰস্তুতি গ্ৰহণ কৰাৰ লগতে শোণিতপুৰ জিলাৰ ৬৬ নং বৰছলা বিধানসভা সমষ্টিতো নিজৰ প্ৰাৰ্থী ঘোষণা কৰিছে। ঝাৰখণ্ড মুক্তি মৰ্চাই বৰছলা বিধানসভা সমষ্টিৰ পৰা জচুৱা বাৰ্জ দেৱক দলীয় প্ৰাৰ্থী হিচাপে আগবঢ়াইছে। আজি ঢেকীয়াজুলিত সংবাদ মাধ্যমৰ জৰিয়তে এই কথা সদৰি কৰে জচুৱা বাৰ্জ দেৱে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত তেওঁ কয় যে ঝাৰখণ্ড মুক্তি মৰ্চা দলটো ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চৰেণৰ নেতৃত্বত সাধাৰণ খাটিখোৱা জনতাৰ স্বাৰ্থ ৰক্ষাৰ বাবে সংগ্ৰাম কৰা এটা শক্তিশালী ৰাজনৈতিক দল। তেওঁ আৰু কয় যে JMM সদায়েই দুখীয়া, শ্ৰমজীৱী আৰু বঞ্চিত জনগোষ্ঠীৰ অধিকাৰ সুৰক্ষাৰ বাবে কাম কৰি আহিছে। অসমতো বিশেষকৈ চাহ শ্ৰমিক, আদিবাসী আৰু সাধাৰণ খাটিখোৱা জনসাধাৰণৰ সমস্যা সমাধানৰ লক্ষ্যৰে তেওঁলোকে নিৰ্বাচনত অৱতীৰ্ণ হৈছে বুলি উল্লেখ কৰে। জচুৱা বাৰ্জ দেৱে লগতে কয় যে যদি জনগণে তেওঁক সমৰ্থন আগবঢ়ায় আৰু বিধানসভালৈ পঠিয়ায়, তেন্তে ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ উন্নয়ন, যুৱসমাজৰ কৰ্মসংস্থান, শিক্ষা— স্বাস্থ্য ব্যৱস্থা উন্নয়ন আৰু চাহ শ্ৰমিকসকলৰ জীৱনমান উন্নত কৰাৰ ক্ষেত্ৰত তেওঁ অগ্ৰাধিকাৰ দিব। উল্লেখযোগ্য যে এইবাৰৰ অসম বিধানসভা নিৰ্বাচনত বিভিন্ন নতুন ৰাজনৈতিক শক্তিৰ প্ৰৱেশে নিৰ্বাচনী ৰাজনীতিত নতুন সমীকৰণ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক মহলে মত প্ৰকাশ কৰিছে। বিশেষকৈ চাহ বাগিচা আৰু আদিবাসী অধ্যুষিত অঞ্চলসমূহত JMM দলে কিমানখিনি সমৰ্থন লাভ কৰে সেয়া এতিয়া লক্ষণীয় বিষয় হৈ পৰিছে।

## ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ত বাৰ্ষিক বঁটা বিতৰণী সভা

**অসম বাৰ্তা, উজনী মাজুলী, ৬ মাৰ্চ ঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ত আজি ২০২৫-২৬ বাৰ্ষিক খেল সপ্তাহৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। এই সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উত্তম কুমাৰ মেধিয়ে। বিদ্যালয়ৰ শিক্ষাৰ্থীৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত বিদ্যালয়ৰ বাৰ্ষিক খেল সপ্তাহৰ বিভিন্ন খেল তথা সাহিত্য, সাংস্কৃতিক প্ৰতিযোগিতা আৰু বন্ধু বিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু বাৰ্ষিক খেল সপ্তাহত অংশগ্ৰহণ কৰা অভিভাৱকক মাতৃসকলক মানপত্ৰসহ পুৰস্কাৰ প্ৰদান কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণজ্যোতি পামেগামে আঁত ধৰা সভাখনত ২০২৪-২৫ শৈক্ষিক বৰ্ষত বিদ্যালয়খনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি ষষ্ঠ শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা ছাত্ৰ সুশীল পায়েংক কাকৰিকটা গাঁও নিবাসী, খাৰজানপাৰ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰেমকান্ত মেধি আৰু তেওঁৰ সহধৰ্মিণী শেৱালি মেধি আৰু পৰিয়ালবৰ্গই "কৃতী ছাত্ৰ/ছাত্ৰী বঁটা ২০২৫" প্ৰদান কৰে। আজিৰ সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে চিলাকলা আৰু বালিচাপৰি শৈক্ষিক মণ্ডলৰ মণ্ডল সমল সমন্বয়ক ৰূপজ্যোতি শইকীয়া, ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰণৱ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভোলা বায়ন, কাকৰিকটা প্ৰগতি মহিলা সমিতিৰ সভানেত্ৰী অঞ্জলি দাস, বিশিষ্ট ব্যৱসায়ী অশোক শইকীয়া আৰু নিলাভৰঞ্জন মহন্তই। সভাত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক উদ্দেশ্যি শিক্ষাৰ সৰ্বাংগীণ উন্নয়নৰ লগতে খেলা-ধূলাৰ আৱশ্যকতাৰ বিষয়ে কয় বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণজ্যোতি পামেগামে। শৈক্ষিক দিশৰ ওপৰত সহকাৰী শিক্ষয়িত্ৰী ডলী গগৈ, জ্ঞানজ্যোতি নাথ, দেৱযানী ভূঞা আৰু নৱনীতা মহন্তও বক্তব্য আগবঢ়ায়। অৰ্ধ-শতাধিক ছাত্ৰ-ছাত্ৰীৰ গীত, নৃত্য, কবিতা আবৃত্তি আদিয়ে জীপাল কৰা বাৰ্ষিক বঁটা বিতৰণী সভাত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণজ্যোতি পামেগামে।

## কংগ্ৰেছ দলৰ দ্বিতীয় তালিকাৰ অপেক্ষাত দেৰগাঁৱৰ প্ৰাৰ্থিত্ব প্ৰয়াসী

**অসম বাৰ্তা, দেৰগাঁও, ৬ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ সময় সমাগত। ইতিমধ্যে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ ৪২গৰাকী প্ৰাৰ্থীৰে প্ৰথমখন তালিকা প্ৰকাশ পাইছে। প্ৰথম তালিকাত দেৰগাঁও বিধানসভা সমষ্টিৰ প্ৰাৰ্থীৰ নাম প্ৰকাশ হোৱা নাই। এতিয়া সকলো অপেক্ষাৰত দ্বিতীয় তালিকাৰ বাবে। কংগ্ৰেছ দলৰ পৰা ভৱেন গগৈ, বিবেক বৰা, গোপাল কৃষ্ণ খাওন্দ, সাগৰিকা বৰা, পৰাণজ্যোতি বৰা, নিজৰা বৰুৱা, ধীৰেন বৰা, উজ্জ্বল বৰুৱাকে ধৰি ৮গৰাকী প্ৰাৰ্থিত্ব প্ৰয়াসী আছিল। এক বিশেষ এয সূত্ৰৰ মতে ৰাজ্যিক সমিতিৰ পৰা ৰাষ্ট্ৰীয় স্ক্ৰীনিং কমিটীৰ বিবেচনাৰ বাবে তিনিগৰাকী প্ৰাৰ্থীৰ নাম ইতিমধ্যে প্ৰেৰণ কৰিছে। বৰ্তমান সকলো উৎকণ্ঠিত কোনে লাভ কৰিব কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্ব। দেৰগাঁৱৰ তৃণমূল পৰ্যায়ৰ পৰা কংগ্ৰেছ কৰ্মীসকলে দাবী কৰে এইবাৰ দেৰগাঁৱৰ পৰিৱেশৰ লগত সংপৃক্ত এগৰাকীক কংগ্ৰেছ দলৰ টিকট প্ৰদান কৰিব লাগে। দেৰগাঁৱৰ বহুতেই আশা প্ৰকাশ কৰিছে দেৰগাঁও নৰ্থ ব্লক কংগ্ৰেছৰ সভাপতি ভৱেন গগৈক দলীয় নেতৃত্বই প্ৰাৰ্থিত্ব প্ৰদান কৰিব। যিহেতু ১৯৮৭ চনৰ পৰাই কংগ্ৰেছৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপে সেৱা আগবঢ়োৱাৰ লগতে সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সামাজিক কৰ্মৰে সেৱা আগবঢ়ায় আহিছে। তেওঁ কাকডোঙা ব্লক কংগ্ৰেছৰ সভাপতি, বৰ্তমান দেৰগাঁও নৰ্থ ব্লকৰ সভাপতি, ২০০৯ৰ পৰা ২০২৪লৈ দেৰগাঁও সমবায় সমিতিৰ সভাপতি, ২০০৩ৰ পৰা ২০০৬লৈ বৰুৱা বামুণ গাঁও পঞ্চায়তৰ সভাপতি, ২০১৩ চনৰ পৰা ২০১৮লৈ দেৰগাঁও জিলা পৰিষদৰ সদস্য, ২০০৪ চনৰ পৰা ২০০৯ লৈ কাকডোঙা ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক হিচাপে কংগ্ৰেছ দলৰ হৈ সেৱা আগবঢ়াই আহিছে। আনহাতে, শেহতীয়াকৈ দেৰগাঁৱত প্ৰাৰ্থিত্ব চৰ্চালৈ আহিছে কংগ্ৰেছৰ সাগৰিকা বৰাৰ নাম। কিন্তু দেৰগাঁৱৰ বহুতেই নাজানে সাগৰিকা বৰাক। একপ্ৰকাৰ জন-সম্পৰ্কবিহীন বৰাৰ প্ৰাৰ্থিত্ব পোৱাটো নিবিচাৰে সৰহ সংখ্যক দলীয় কৰ্মকৰ্তাই। বৰাই প্ৰাৰ্থিত্ব লাভ কৰিলে দলীয় কৰ্মকৰ্তাৰ মাজতেই যেন বিক্ষোভ সৃষ্টি হ'ব সেয়া ধুৰূপ। আনহাতে, বেচৰকাৰী সংস্থা সেৱাৰ অধ্যক্ষ হিচাপে বিবেক বৰাই দেৰগাঁৱৰ চুকে-কোণে সোমাই বিভিন্ন কৰ্মৰাজিয়ে এক বিশেষ স্থান দখল লাভ কৰিছিল যদিও শেহতীয়াকৈ তেওঁৰ কংগ্ৰেছত যোগদান কৰা নকৰা এক বিতৰ্কৰ মাজত সোমাই পৰি কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰা ক্ষেত্ৰত কিছু জটিলতা সৃষ্টি হয়। আনহাতে, আন এগৰাকী সবল প্ৰাৰ্থিত্ব প্ৰয়াসী গোপাল কৃষ্ণ খাওন্দ দেৰগাঁৱৰ সমাজ জীৱনৰ এক অপৰিহাৰ্য অংগ স্বৰূপ। ৰাইজৰ লগত থাকি প্ৰতিটো মুহূৰ্ততে ৰাজহুৱা বিভিন্ন সমস্যাৰ ওপৰত নিৰ্ভয়ে মাত মাতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা এইগৰাকী নেতাক সাধাৰণ ৰাইজে আশা কৰিছিল যদিও দলীয়ভাৱে প্ৰাৰ্থিত্ব প্ৰদানত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই।

# ভাৰতীয় দৃষ্টিকোণেৰে নাৰী

ড° আৰ কে বেজবৰুৱা

**দু**টা অক্ষৰৰ এটা শব্দ - নাৰী! নাৰী ৰহস্যময়ী! এই নাৰীৰ মাজতে আৱদ্ধ হৈ আছে - মানুহৰ জন্ম ৰহস্য। এই নাৰীৰ অনুগ্ৰহত সৃষ্টি ৰচিত হৈছিল, সৃষ্টিৰ সংৰক্ষণ হৈছিল। নাৰীৰ হাতত অসুৰ নিপাত গৈছিল। সেয়া মহাকাব্যিক যুগৰ কথা। বৰ্তমানত নাৰীয়ে বহুবাৰ দেশ ৰক্ষাৰ হকে যুঁজিছে। কেতিয়াবা নিজৰ প্ৰাণ আহুতি দিছে, কেতিয়াবা বিজয়ী হৈছে। কিন্তু সদায়েই নাৰীক ৰহস্যৰ আৱৰ্তত ৰখাটোৰেই যেন সকলোৰে বাসনা।

নৃপতিৰ মন, কৃপণৰ ধন, দুৰাচাৰ মানুহৰ মনৰ গতি, নাৰীৰ চৰিত্ৰ আৰু পুৰুষৰ ভাগ্য দেৱতাৰো অগোচৰ। তাক জানিবলৈ মানুহৰ কি সাধ্য? - এয়া মহাভাৰতৰ কথা। কিন্তু এই শ্লোকৰ বাকী অংশ সদায়েই উহ্য ৰাখি কেৱল কোৱা হয় - "স্ত্ৰীয়াং চৰিত্ৰং দেৱো ন জানাতি কুতো মনুষ্যঃ।"

প্ৰাক - বৈদিক যুগৰ পৰা সমাজত নাৰী পূজনীয় হৈ আছিল। দৈৱকী নন্দন কৃষ্ণৰ পৰৱৰ্তী সময়ত নাৰীক পুৰুষ-নিৰ্ভৰ কৰি তোলা হ'ল। হয়তো বহু পুৰুষে নাৰীৰ চিৰন্তন মাতৃময়ী ৰূপ অনুধাৱন কৰাৰ মানসিকতা আহৰণ কৰিবলৈ সক্ষম হোৱা নাই আজিও। তাৰ বাবেই নাৰীক ৰহস্যময়ী বুলি অতীততো অভিহিত কৰিছিল, আজিও কৰি আহিছে। নাৰীৰ হৃদয় সাগৰৰ দৰে গভীৰ। তাৰ বেছি ভাগ ঠায়েই পূৰ্ণ হৈ থাকে মাতৃময়ী মমতাৰে। থাকে ভগ্নী স্নেহৰ সৰ্বজনীন প্ৰকাশ। পুত্ৰীৰূপে কাৰোবাৰ বুকুত মুৰ গুজিবলৈয়ো বাসনা নাৰীয়ে কঢ়িয়াই লৈ ফুৰে নিজৰ বুকুৰ গভীৰত নিৰন্তৰ। তাৰ পিছতহে আহে প্ৰেমৰ প্ৰসংগ। ফল্গুৰ দৰে প্ৰেম প্ৰবাহিত হৈ থাকে নাৰী- জীৱনৰ মন প্ৰাণ জুৰি। সেয়া চিৰন্তন সত্য। কাৰণ সৃষ্টিৰ প্ৰথম স্বৰ্তই হৈছে প্ৰেম। তাৰ প্ৰকাশ নাৰীয়ে মিতব্যয়িতাৰে কৰে, স্থান কাল পাত্ৰ ভেদে। সাধাৰণতে পুৰুষৰ দৰে নাৰী পলকতে উত্তেজিত হৈ নপৰে। কিবা এটা কৰাৰ আগতে ভাবি চিন্তি আগবাঢ়ে। ব্যতিক্ৰম তাতো আছে।

অতীত-বৰ্তমান চলাথ কৰিলেও তাকেই দেখা যায়। তাৰ মাজতে থাকে হিংসা, ঈৰ্ষা, অতৃপ্তি আৰু বেছি আহৰণ কৰাৰ লোভ। নাৰীয়ো কেতিয়াবা সাংঘাতিক ৰূপে অতৃপ্ত হৈ পৰে। দিনৰ পিছত দিন, অতৃপ্তিয়ে তেওঁৰ হৃদয়-মন চেপি খুন্দি কাঁতৰ কৰি তোলে। তাৰ খবৰ কিন্তু বহু ক্ষেত্ৰতেই নিজৰ মানুজনে নাপায় বা লোৱাৰ প্ৰয়োজন বোধ নকৰে। প্ৰায় সকলো নাৰীৰ ক্ষেত্ৰতেই যদি শাৰীৰ বা মনে প্ৰয়োজনীয় তৃপ্তি লাভৰ পৰা বঞ্চিত হয়, সমাজৰ গঞ্জনা, শ্লেষ আৰু অপমানৰ ভয়ত সেই অতৃপ্তিৰ কাহিনী আন্ধাৰতে সাঁপি দিয়ে। তাৰ মাজত দুই এজনী নাৰীয়ে প্ৰবল সাহস দেখুৱাই নিজৰ পৰিতৃপ্তিৰ বাবে কোনো পুৰুষ সাহচৰ্য্য হয়তো দাবী কৰে। সেই বাবে কোৱা হ'ব নেকি -নাৰী ৰহস্যময়ী বুলি? নাৰীৰ চৰিত্ৰ দেৱতাৰো অগোচৰ বুলি? তাৰ বাবে দায়ী কোন, সেই কথা কিন্তু কোনেও বিচাৰ নকৰে। পুৰুষৰ অক্ষমতাক কোনেও দায়ী নকৰে। আজিৰ পৰা কিছু বছৰৰ আগলৈ পুত্ৰ আৰু কন্যা সন্তান জন্মৰ বাবে জগৰীয়া কৰা হৈছিল -নাৰীক। প্ৰায়েই বন্ধ্যাত্বৰ বাবে আজিয়ো নাৰী শ্লেষ আৰু গঞ্জনাৰ পাত্ৰ। এই ক্ষেত্ৰত স্বামীক প্ৰায়েই সমাজে লক্ষ্য নকৰে। পাৰিলে দ্বিতীয় দ্বাৰ গ্ৰহণ কৰাৰো পৰামৰ্শ দিয়ে।

প্ৰাচীন গ্ৰন্থত নাৰীৰ বাবে কোৱা হৈছে- য'ত নাৰীৰ আদৰ-সাদৰ বা সন্মান থাকে, নাৰীৰ প্ৰয়োজনীয় বস্তু উপলব্ধ হয়, সেই পৰিয়াল আৰু সমাজত সৌভাগ্য বিস্তাৰ হয়। য'ত নাৰীৰ সন্মান কৰা নহয়, তাত কোনো শুভ কাৰ্য্য সম্পন্ন নহয়।

অতীতত কেৱল ৰজা-মহাৰজাৰ কাহিনী লিখা হৈছিল। সেই কাহিনীৰ পাত লুটিয়ালে দেখা যায় - প্ৰতিজন শক্তিশালী ৰজা বা পুৰুষে মন গলেই বা শক্তি প্ৰদৰ্শনৰ অহংকাৰত নিতৌ নতুন নতুন নাৰীক অংকশায়িনী কৰিছিল। কোনো ৰাষ্ট্ৰক বাহুবলেৰে পৰাভূত কৰি সেই ৰাষ্ট্ৰৰ পুৰ-নাৰীক নিজৰ অন্তেষপুৰত স্থান দিছিল। তাত পুৰুষজনৰ প্ৰেমৰ সংজ্ঞা মাত্ৰ শাৰীৰিক প্ৰয়োজন। বিজয়ী সম্ৰাটলৈ পৰাভূত কোনো ৰাষ্ট্ৰই সৌহাদ্যপূৰ্ণ সম্পৰ্কৰ বাবে আগবঢ়োৱা নাৰীৰ প্ৰতি প্ৰজা পালকৰ প্ৰেম উদয় হয় নে নহয়, সেয়া সদায়েই সন্দেহৰ আৱৰ্তত ৰৈ যায়। কিন্তু নাৰী হৈ পৰে মনোৰঞ্জনৰ আহিলা মাত্ৰ।

বৰ্তমানেও বিভিন্ন বিখ্যাত পুৰুষে বাহিৰৰ পৃথিৱীত ঘূৰি ফুৰে। হয়তো বহু সময়ত নতুন নতুন নাৰীৰ লগত অভিসাৰ চলে। কিন্তু তেওঁৰ পত্নীয়ে ঘৰৰ ভিতৰত একাকী জীৱন ব্যতীত কৰে। সেই নাৰীৰ বাবে সময় পাৰ কৰা কিমান কঠিন, সেয়া কাৰো বুজাৰ আহৰি নাই।

যিটো পৰিয়ালৰ নাৰীয়ে দুৰ্ব্যৱহাৰ আৰু লাঞ্ছনাৰ বাবে চিৰদিন সন্তাপত দগ্ধ হয়, সেই পৰিয়ালৰ কেতিয়াও উন্নতি নহয় বুলি শাস্ত্ৰত কৈছে। কিন্তু যি পৰিয়ালত নাৰীয়ে আন্তৰিক সন্তুষ্টি লাভ কৰে, নিজৰ সিদ্ধান্ত আগবঢ়াব পাৰে তেনে পৰিয়ালত কেতিয়াও সুখ-সমৃদ্ধিৰ অভাৱ নহয়।

যিসকল লোকে ঘৰৰ শান্তি-সমৃদ্ধি বিচাৰে তেওঁলোকৰ ঘৰৰ মাতৃ, ভগ্নী, পুত্ৰী, বধূ তথা পত্নীক সকলো প্ৰকাৰৰ বস্ত্ৰ-আভূষণেৰে মানসিক ভাৱে পৰিতৃপ্ত কৰি ৰখা উচিত। এয়া আমাৰ দৰ্শণ। ঘৰত কন্যা সন্তান জন্ম হ'লে লক্ষ্মীৰ আগমন বুলি কোৱা হয়। নাৰীক ঘৰৰ লখিমী বুলি কোৱা হয়। কিন্তু বাস্তৱত তাৰ প্ৰতিফলন আমি দেখা পাইছোঁ।

তাৰ বিপৰীতে ইয়াকো কোৱা হৈছে যে ঘোঁৰাৰ সৌন্দৰ্য্য যেনেকৈ তাৰ তীব্ৰ গতিত, হাতীৰ সৌন্দৰ্য্য যেনেকৈ তাৰ গহীন-গম্ভীৰ খোজত, সেইদৰে নাৰীৰ ভূষণ তেওঁৰ কৰ্ম কুশলতাৰ মাজত আৰু পুৰুষৰ ভুষণ, তেওঁৰ কৰ্মোদ্যমৰ মাজত ফুটি উঠে।

আকৌ কৈছে - যিখন ঘৰ বা সমাজত নাৰী প্ৰসন্ন হৈ নাথাকে, সেই ঘৰ তথা সমাজ কেতিয়াও সুখী হ'ব নোৱাৰে। তাক আমি সামাজিক জীৱনত সদায়েই লক্ষ্য কৰোঁ। যিখন ঘৰৰ নাৰী সুখী নহয় সেই পৰিয়ালত দাম্পত্য কলহ দেখা যায়। কিন্তু মহাকাব্যতেই নাৰীৰ ওপৰত প্ৰশ্ন উঠিছে। নাৰীৰ চৰিত্ৰ সন্দেহেৰে আড়ষ্ট হৈছে। চাৰিত্ৰিক পৰীক্ষা দিব লগীয়া হৈছে। এবাৰ নহয়, বাৰ বাৰ। শেষত নাৰীয়ে প্ৰতিবাদ কৰি উঠিছে -

"ফাঁট মেলা বসুমতী পাতালে লুকাওঁ!"

নাৰী উপহাসৰ পাত্ৰ হৈছে দ্বাপৰ যুগতো। মহাকাব্যই সাক্ষ্য দিয়ে - অম্বা, অম্বিকা অম্বালিকাৰ স্বাধীনতা খৰ্ব হৈছিল - পিতামহ ভীষ্মৰ দৰে শ্ৰেষ্ঠ কুৰু বীৰৰ হাতত। নাৰী পণৰ সামগ্ৰী হৈছিল ধৰ্মৰাজ যুধিষ্ঠিৰ পৌৰুষ অহমিকাৰে। আৰু এঢাপ আগুৱাই নাৰীক বিবস্ত্ৰ কৰাৰ চেষ্টা কৰা হৈছিল সেই কৌৰৱ সমাজৰ ৰাজসভাত।

আজিৰ নাৰীয়ে এই বোৰ প্ৰতিবন্ধকতা আঁতৰাই সংবিধানৰ মুৰব্বী হ'ব পাৰিছে। হ'লেও কিন্তু ভাৰতীয় শিক্ষিত বুলি পৰিচয় দিয়া পুৰুষ কিছুমানৰ মনৰ পৰা নাৰী সম্পৰ্কে ধাৰণাৰ সলনি হোৱা নাই আজিপৰ্যন্ত।

পাশ্চাত্যৰ নাৰীয়ে মুক্তি বিচাৰি এসময়ত ৰাজপথ আলোড়িত কৰিছিল। অৱশ্যে তাৰ অন্তৰ্নিহিত কাৰণ আছিল পুৰুষৰ অৱদমন। আমাৰ ভাৰতীয় মানসিকতাতো তাৰ চিটিকনি নাই বুলি ক'ব নোৱাৰি। সতীদাহ প্ৰথা, বাল্য বিবাহকে ধৰি কিছুমান বুৰঞ্জীমূলক তথ্যই তাৰ প্ৰমাণ দিয়ে। আমি নিবিচাৰোঁ - পাশ্চাত্যৰ দৰে আমাৰ নাৰীয়েও ৰাজপথত মুক্তি বিচাৰি ভীৰ কৰক। তাৰ বিপৰীতে, নাৰীৰ সামাজিক মৰ্যাদা আৰু সমতাৰ পথ মসৃণ কৰাত পুৰুষে ভূমিকা পালন কৰিব লাগিব। মৰ্যাদাসম্পন্ন ভাবে জীৱন নিৰ্বাহ কৰিবলৈ হয়তো আদালতৰ ৰায়ৰো প্ৰয়োজন নহয়। সুস্থ সামাজিক বাতাৱৰণৰ বাবে নাৰী-পুৰুষ উভয়ৰে দায়বদ্ধতা (Accountability) নিশ্চয় আছে আৰু থাকিব।

এয়া মোৰ নিজা উপলব্ধি হয় নে নহয় - সেয়া পিছৰ কথা। কিন্তু নাৰীৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ মানুহে কথাবোৰ বিবেচনা কৰা উচিত।



## নাৰী তোমাৰ মহিমা অপাৰ

জন্মতে তুমি এখন ঘৰৰ লখিমী
আদৰেৰে সাৱটি ৰাখি ঘৰখনি
চেনেহৰ বুটা বচা এনাজৰীত
আপোন পাহৰা হৈ সুখৰ সঁফুৰা সাজি
শিক্ষাৰে আলোকৰ যাত্ৰা কৰি
দূৰ দিগন্তলৈ বিয়পাই সু-কীৰ্তি
আন্ধাৰ আঁতৰাই পোহৰ সন্ধানী
বিভিন্ন উপমাৰে বিভূষিতা মহীয়সী নাৰী।

জোন জ্বলা কপালত হাঁহিৰ
মুকুতা মণি সৰে
নৱ জীৱনৰ সান্নিধ্য লভে মৰহা ফুলে
অজ্ঞাত ভাৱে আৰম্ভ হোৱা
জীৱন যাত্ৰা সাৱটি!
নাৰী তোমাৰ মহিমা অপাৰ
উন্মুক্ত পক্ষীৰ দৰে উৰা মৰা সপোন
অতীতবোৰ সোঁৱৰণিৰ পৃষ্ঠাত সামৰি
নিতৌ ন-ন আশাৰ সঞ্চাৰ কৰি
ভৱিষ্যতৰ দিশে ধাৱমান হোৱা জীৱন
শৈশৱ, যৌৱন থাকোঁতে তুমি মায়াৱী শক্তি।

বৰ্তমানত খোজ পেলাই
ভৱিষ্যতৰ সপোন বাস্তৱ
ৰূপায়ণৰ দিশত ধাৱমান
জন্মদাত্ৰী, অন্নদাত্ৰী, শিক্ষয়িত্ৰী
তুলনা বিহীন তোমাৰ উক্তি
নাৰী তোমাৰ মহিমা অপাৰ।

**ৰীমা গায়ন বৰা**
**নাওকটা, মৰিগাঁও**

# আন্তৰ্জাতিক নাৰী দিৱস আৰু কিছু চিন্তা

জুৰি শইকীয়া

৮ মাৰ্চ দিনটো সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰি অহা হৈছে। ১৯০৮ চনত নিউয়ৰ্কত প্ৰথম বাৰৰ বাবে পালন কৰা এই দিৱসটোৰ মূল উদ্দেশ্য হ'ল লিংগ বৈষম্য আঁতৰাই নাৰীক সমতাৰ অধিকাৰ প্ৰদান কৰা, নাৰীসকলক সকলো শোসনৰ পৰা মুক্ত কৰা। পশ্চিমৰ দেশবোৰত মালিকপক্ষৰ শোষণৰ বলি হোৱা মহিলাসকলৰ ভিতৰত উমি জ্বলি থকা ক্ষোভৰ জুইকুৰাই আন্দোলনৰ ৰূপ লৈছিল। এয়াই আছিল নিৰ্যাতিতা মহিলাৰ শোষণৰ পৰা মুক্তিৰ প্ৰথম পদক্ষেপ আৰু আন্তৰ্জাতিক নাৰী দিৱসৰ আৰম্ভণি।

১৯৪৮ চনৰ ১০ ডিচেম্বৰত সকলোৰে বাবে মানৱ অধিকাৰ ঘোষণা কৰাৰ পাছত নাৰীৰ অধিকাৰ মানৱ অধিকাৰৰ অন্তৰ্গত এক মৌলিক অধিকাৰ বুলি স্বীকৃতি দিয়া হৈছে। নাৰীৰ সুৰক্ষা আৰু মৰ্যাদাৰ বাবে সেইদিনা বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা হয়।

নাৰী ত্যাগৰ প্ৰতিমূৰ্তি, নাৰী মমতাৰ আঁকৰ। সহনশীলতা, ধৈৰ্যশীলতা আদি গুণেৰে বিভূষিতা নাৰী। এগৰাকী নাৰীয়ে সময়ে সময়ে মাতৃ, ভগ্নী, প্ৰেমিকা, শুভাকাংক্ষী আদি নামেৰে নামাংকৃত হৈ আহিছে। নানা সময়ত নাৰীয়েই দুৰ্গা, কালি আদিৰ ৰূপত অৱতীৰ্ণ হৈছে। ইতিহাসৰ পাতত জিলিকি আছে জয়মতী, মূলাগাভৰু, কনকলতা, ভোগেশ্বৰী ফুকননীৰ সাহসিকতাৰ কথা। মাদাৰ টেৰেছা, ফ্লোৰেন্স নাইটিংগেল আদি মহীয়সী নাৰীৰ নাম সোণালী আখৰেৰে খোদিত হৈ আছে। ইন্দিৰা গান্ধী, প্ৰতিভা পাটিল, বেনজিৰ ভুট্টো আদিয়েও দেশৰ শাসনভাৰ কান্ধত লৈছিল।

আজিৰ নাৰী স্বাধীন বুলি দাবী কৰিলেও ৰাতিপুৱা খবৰ কাগজখন মেলি চালেই দেখা পোৱা যায় নাৰীৰ নিৰ্যাতনৰ কাহিনী। ডায়নী হত্যা, বলাৎকাৰ, যৌতুকজনিত নিৰ্যাতন, দেহ ব্যৱসায়, ভ্ৰূণ হত্যা আদিৰ বাতৰিয়ে মুখ্য স্থান দখল কৰে বাতৰি কাগজ বা টি ভি ৰ নিউজত। দৈনিক নাৰীৰ ওপৰত শাৰীৰিক বা মানসিক অত্যাচাৰ চলিয়েই আছে। কোনো কোনো ঠাইত নাৰী এতিয়াও পৰ্দাৰ আঁৰতে থাকিব লাগে। ভোটাধিকাৰৰ অধিকাৰ নাৰীসকলক প্ৰদান কৰিলেও কোনো কোনো ঠাইত নাৰী এতিয়াও ভোটাধিকাৰৰ পৰা বঞ্চিত। ২১ শতিকাতো চৌডি আৰবৰ নাৰীয়ে কবিতা লিখিব নোৱাৰে, গান গাব নোৱাৰে, প্ৰেম কৰিব নোৱাৰে। আফগানিস্তান, পাকিস্তান, বাংলাদেশৰ মহিলাও বহুতো অধিকাৰৰ পৰা আজিও বঞ্চিত। বহুত পুৰুষে এতিয়াও নাৰীক কেৱল ভোগৰ সামগ্ৰী হিচাপেই ব্যৱহাৰ কৰে। মাতাল হৈ নাৰীৰ ওপৰত অত্যাচাৰ কৰাটো আছেই। সমাজত নাৰীৰ স্থান এতিয়াও দুখজনক যাৰ ফলত সামাজিক বিকাশৰ গতি মন্থৰ আজিও স্থবিৰ। সমাজত বৰ্তি থকা কিছুমান প্ৰাচীন ধ্যান ধাৰণাই ইয়াৰ বাবে বহু পৰিমাণে জগৰীয়া।

নাৰী সম্পৰ্কীয় বিশ্বাস তথা ধাৰণাই নাৰীক প্ৰকৃত মূল্যায়নৰ পৰা বঞ্চিত কৰিছে। নাৰীক এতিয়াও দুৰ্বল সাহসহীনা বুলিয়েই ভবা হয়। এইবোৰৰ পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ আটাইতকৈ প্ৰয়োজনীয় উপায় হ'ল নাৰী শিক্ষাৰ বিকাশ ঘটোৱা। নাৰীৰ মানসিক উৎকৰ্ষ সাধন হ'লেহে সমাজৰ প্ৰকৃত বিকাশ সম্ভৱ। নাৰীয়ে তেতিয়াহে পুৰুষৰ লগত সমানে ফেৰ মাৰিব পাৰিব যেতিয়া পুৰুষৰ সমানে সমানে আগুৱাই যাব। দৃঢ় মন আৰু আত্মবিশ্বাস থকা নাৰীসকলে সমাজৰ গতি তৰান্বিত কৰে। এতিয়াও সমাজত দেখা যায় নিৰ্যাতন সহ্য কৰিও নাৰী এগৰাকীয়ে কয় "ক'লৈনো যাম, কি কৰিনো খামগৈ ল'ৰা ছোৱালীও আছে।" এনেধৰণৰ নিৰ্যাতনৰ বিৰুদ্ধে সজোৰে মাত মাতিব পৰাকৈ নাৰীয়ে নিজকে সক্ষম কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। নিজৰ কণ্যা সন্তানক সকলো ফালৰ পৰা সক্ষম কৰি তুলিবলৈ চেষ্টা কৰিব লাগে মাতৃৰূপী নাৰীগৰাকীয়ে। নাৰীৰ শিক্ষা আৰু সজাগতাৰ অভাৱ এতিয়াও বিশেষকৈ গাওঁ অঞ্চলত। নাৰীয়ে নিজা প্ৰতিভাৰ পূৰ্ণ বিকাশ ঘটাব লাগিব। নাৰীৰ স্বাস্থ্যৰ উন্নতিৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব তেতিয়াহে সমাজো শক্তিশালী হ'ব। প্ৰকৃতাৰ্থত নাৰীৰ সবলীকৰণ হ'লেহে মানৱ জাতিৰ পূৰ্ণ সবলীকৰণ হ'ব।

পৃথিৱীৰ সৃষ্টিৰ মূল চালিকাশক্তি নাৰীয়ে স্বাধীনতা বিচাৰে, সমতা বিচাৰে। সময়ৰ লগে-লগে আজিৰ নাৰীক আগৰ দৰে দুৰ্বল বুলি ভবাটো অনুচিত। মুকলি আকাশৰ তললৈ ওলাই আহিল নাৰী, নিজৰ স্বাধীনতাৰ বাবে মাত মাতিব পৰা হ'ল নাৰী। পুৰুষৰ সমানে মহাকাশলৈ গৈছে নাৰী, দেশৰ শাসনভাৰ চলাই পুৰুষৰ সমানে দক্ষতাৰ প্ৰমাণ দিছে নাৰীয়ে। নাৰী আৰু পুৰুষৰ পৰিপূৰকতাতহে এখন সমাজ বৰ্তি আছে। নাৰীক বাদ দিলে পুৰুষ বিকলাংগ। গতিকে নাৰীক সন্মান কৰিবলৈ শিকিব লাগে, নাৰীক প্ৰাপ্য মৰ্যাদা দিব লাগে।



# মহিলা সৱলীকৰণৰ দ্বাৰা সমাজ ব্যৱস্থা শক্তিশালী হওক

বেণুৰাম ৰাভা

**সা**ধাৰণতে ভাৰতীয় সমাজ ব্যৱস্থা পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থা। এই পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষসকলে আধিপত্য বিস্তাৰ কৰি আহিছে যদিও মহিলাসকলে অতীতজৰে পৰা ইয়াৰ শোষণ, নিৰ্যাতন, বঞ্চনা, উৎপীড়ন, অৱহেলিত হৈ আহিছে। মহিলা সকলোৰ প্ৰতি সমাজৰ হীন আচৰণে সচেতন মহলক চিন্তিত কৰি তোলে। মহিলা সকলোৰ এই শোষণ, উৎপীড়ন, বঞ্চনা, অৱহিলতৰ বিৰুদ্ধে সময়ে সময়ে মহিলাসকলে প্ৰতিবাদ, চৰকাৰৰ ওপৰত ইয়াৰ সমাধানৰ উপায় বিচাৰে যদিও আজিও মহিলা, যুৱতীসকলে অসুৰক্ষিত অনুভৱ কৰি অহা দেখা যায়। সমাজত মহিলা, যুৱতীসকলে সদায় নিৰ্যাতনৰ সুম্মখীনৰ বলি হ'বলগীয়া হৈছে। তাৎপৰ্যপূৰ্ণ যে মহিলা, যুৱতীসকলোৰ নিৰাপত্তা নিশ্চিত কৰা আৰু মৰ্য্যদা সমাজত প্ৰতিষ্ঠা কৰিবলৈ প্ৰথমে আগবাঢ়ি আহিছিল কেইগৰাকী মান বৰেণ্য ভাৰতীয় পুৰুষে। উনৈশ শতিকাত মহিলাৰ উন্নয়নৰ বাবে আগবাঢ়ি অহা এই মহান পুৰুষসকলৰ ভিতৰত ৰাজা ৰামমোহন ৰায় তেওঁৰ দ্বাৰা গঠিত ব্ৰাহ্মসমাজৰ দ্বাৰাই মহিলা সৱলীকৰণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। সমাজত মহিলা সকলৰ প্ৰতি থকা কুসংস্কাৰ, অন্ধবিশ্বাস দূৰ কৰিবলৈ তেওঁ বাল্যবিবাহ, পৰ্দা প্ৰথা, বহু বিবাহ আদিৰ তীব্ৰ বিৰোধিতা কৰিছিল। বিধৱা বিবাহ আৰু অসবৰ্ণ বিবাহক তেওঁ সামাজিকভাৱে স্বীকৃতি দিব চেষ্টা কৰিছিল। একেদৰে কেশৱ চন্দ্ৰ সেনেও ৰাজা ৰামমোহন ৰায়ৰ ব্ৰাহ্মসমাজৰ আৰ্হিৰে সমাজত মহিলা সৱলীকৰণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। এই মহান সমাজ সংস্কাৰসকলে ব্ৰিটিছ শাসনৰ সহযোগত মহিলা সকলৰ স্থান আৰু মৰ্য্যদা বৃদ্ধি কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছিল। ৰাজা ৰামমোহন ৰায় আৰু দয়ানন্দ সৰস্ততীৰ ব্ৰহ্মসমাজে মহিলা সমিতি গঠন কৰি মহিলাৰ অধিকাৰ, সমতা, ন্যায়ৰ আদিৰ বাবে মাত মাতিছিল।

২০০১ চনত ৰাষ্ট্ৰীয় মহিলা সৱলীকৰণ নীতি গঠন কৰি ভাৰতত পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাত মহিলা সকলেই সুম্মখীন হৈ অহা ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সমস্যাসমূহৰ বিচাৰ কৰাৰ উদ্দেশ্যে চৰকাৰে এই মহিলা সৱলীকৰণ নীতিটো গঠন কৰিছিল। মহিলা সকলোৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, পৌৰ অধিকাৰ আৰু বাস্তৱিক প্ৰয়োগ কৰাৰ উদ্দেশ্যে। মহিলাৰ বিৰুদ্ধে বৈষম্য নিৰ্মূল কৰণ আৰু এক কাৰ্যদক্ষ ন্যায়িক ব্যৱস্থা সৃষ্টি কৰিব লাগিব। অৰ্থনৈতিক আৰু সামাজিক নীতিৰ জৰিয়তে এক ইতিবাচক পৰিৱেশ গঢ়ি তুলিব লাগিব যাতে মহিলাসকলে তেওঁলোকৰ গুণগত মান নিৰ্ধাৰণ কৰাৰ লগতে স্বাধীনভাৱে জীৱন নিৰ্বাহ কৰি মুক্তমনে ঘুৰি ফুৰিব পাৰি। পুৰুষৰ সমানে সমানে মহিলা সকলোক সম পদবী, স্বাস্থ্য, নিয়োগ, সামাজিক, নিৰাপত্তা আৰু সুযোগ সুবিধা প্ৰদান কৰিব লাগিব। পুৰুষৰ সমানে সকলো ক্ষেত্ৰতে আজি মহিলা সকলৰ আধিপত্য বিস্তাৰ হোৱা দেখা যায়। ডক্টৰ, ইঞ্জিনিয়াৰিং, মহাকাশচাৰী কিন্তু তৎসত্তে মহিলা সকলৰ প্ৰতি আজিও সমাজত হীন আচৰণৰ সন্মুখীন হয়। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ উপৰিও চৰকাৰৰ ফালৰ পৰাও মহিলা সকলোক সৱলীকৰণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰা দেখা যায়। ৰাজ্যখনৰ মহিলা সকলোক আৰ্থিক আৰু সামাজিকভাৱে সৱলীকৰণৰ উদেশ্যে অসম চৰকাৰখনে মুখ্যমন্ত্ৰী উদ্যোগমিতা আঁচনিৰ দ্বাৰা দহ হাজাৰ টকাকৈ দি লাখপতি বাইদেউলৈ উন্নীত কৰাৰ প্ৰয়াস কৰা হৈছে। এই ধনেৰে মহিলাসকলে সৰু সৰা ব্যয়সায় বাণিজ্য কৰি পৰিয়ালৰ লগতে সমাজলৈ আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব।

পৰিয়াল এখন পুৰুষ আৰু মহিলাৰ উমৈহতীয়া প্ৰচেষ্টাহে এখন সুন্দৰ পৰিয়াল আৰু এখন সুন্দৰ সমাজ গঠিত হয়। পুৰুষ মহিলাৰ ঘৰখন শান্তিময় মানে সমাজ এখনো শান্তিপূৰ্ণ। গতিকে পুৰুষৰ সমানে সমানে মহিলা সকলোৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশ হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ। পুৰুষ অবিহনে মহিলাৰ অৰ্থহীন, সেই দৰে মহিলা অবিহনে পুৰুষৰো কোনো মূল্যহীন নাই। শিক্ষা, স্বাস্থ্য, নিয়োগ সকলোতে পুৰুষৰ সমানে মহিলা সকলোৰো সমান চাকৰিৰ আসন সংৰক্ষণ কৰি মহিলা সৱলীকৰণৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব যাতে অনাগত ভৱিষ্যত মহিলাসকলে নিজৰ সন্তানক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ় দি তুলিব পাৰি। ইয়াৰ উপৰিও মহিলাসকলে নিজকে কেনেদৰে আত্মনিৰ্ভৰশীল হৈ শত্ৰুৰ পৰা আত্মৰক্ষা কৰিব তাৰো শিক্ষা লাভ কৰিছে। আজিৰ মহিলাই বিশ্ব জয় কৰিবলৈ সক্ষম হৈছে, ভাৰতীয় মূলৰ ছনিতা উলিয়ামছে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ছমাহ থাকি সমগ্ৰ বিশ্বৰ মহিলাৰ শক্তি দাঙি ধৰিছে। বায়ু, পানী, মাটি সকলোতে এতিয়া মহিলা শক্তিৰ জয়গান দেখা যায়। যোৱা ২০২৫ চনৰ ভাৰত - পাকিস্তানৰ যুদ্ধৰ সময়ত দুগৰাকী ভাৰতীয় মহিলাই সমগ্ৰ ভাৰতৰ জনসাধাৰণৰ সুৰক্ষাৰ দায়িত্ব লৈ বিশ্বৰ সম্মুখত মহিলা শক্তিৰ জয়গান গাইছে।

মহিলা সৱলীকৰণে দ্বাৰা দেশৰ উন্নয়নৰ ধাৰা আগুৱাই নিয়াৰ ক্ষেত্ৰত আগভাগ লোৱা গৈছে বৰ্তমান সময়ত। দেশৰ বিখ্যাত বিখ্যাত চৰকাৰী বিভাগসমূহ, উদ্যোগ কাৰখানা আদি সকলোতে বৰ্তমান মহিলাৰ দ্বাৰাই পৰিচালিত হয়। মহিলা সৱলীকৰণক আৰু শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰিও চৰকাৰৰ ফালৰ পৰাও উদ্যোগ ল'লে অনাগত দিনবোৰত সমাজ তথা দেশৰ প্ৰকৃত উন্নয়নৰ ছবি দেখিবলৈ পাম।

# বিয়লিৰ বেদনা

আল্পনা দলে

**জী**ৱনটো মায়াৰেই খেলা। এই জীৱনৰ বিয়লি বেলাত প্ৰতিটো সম্পৰ্কতে পুত্ৰ কন্যা আপোনজনৰ এষাৰি মৰমৰ মাত, সুন্দৰ মনৰ বৰ প্ৰয়োজন। ভাৰতীয় সনাতনী সমাজৰ প্ৰমূল্য অনুসাৰে পিতৃ-মাতৃৰ সমান মান্যবৰ এই জগতত কোনো নাই। মহাকাব্য ৰামায়ণত এঠাইত লিপিবদ্ধ হৈছে "ভূমেগৰীয়সী মাতা স্বৰ্গাৎ উচ্চতৰ পিতা। স্বগৰ্ভ ধাৰণাং পোষ্যভাং পিতুমাতা বিশ্বস্তে। সৰ্বদেৱ সৰুপায় সৰুপায় স্তম্মৈমাত্ৰে নমঃ নমোঃ।" আন এঠাইত পিতৃ বন্দনা বৰ্ণিত হৈছে এনেদৰেঃ পিতা স্বৰ্গঃ পিতা ধৰ্মঃ পিতাহি পৰমং তপঃ। পিতৰি প্ৰীতিমাপন্নে প্ৰিয়ন্তে সৰ্বদেৱতা নমঃ পিতৃ চৰণেভ্য নমঃ। যি দেশত সৰগতকৈ উচ্চ স্থান পিতাৰ আৰু জগতৰ সমস্ত কল্যাণকামী তীৰ্থৰ অৱস্থান মাতৃৰ চৰণ কমলত বুলি বিশ্বাস কৰা হয় সেই দেশত আজি পদে পদে নিজ সন্তানৰ পৰা তেওঁলোক বৃদ্ধ অৱস্থাত অবহেলিত, অনাদৰ হৈছে। আধুনিক জটিল জীৱনটোৱে আমাক আই বোপাইৰ পৰা বিছিন্ন কৰি তুলিছে। এক কথাত কবলৈ গ'লে জীৱন জীবিকাৰ তাগিদাত পিতৃ-মাতৃৰ পৰা আঁতৰি ফুৰিছো আৰু তেওঁলোকৰ বৃদ্ধকালত আমি চোৰা-চিতা কৰিবলৈ অসমৰ্থ হৈছো। পোনপটীয়া কথাত ক'বলৈ হ'লে আমৰ বৃদ্ধ পিতৃ-মাতৃৰ দায়িত্ব পালনত ব্যৰ্থ হৈছো, জীৱনৰ বিয়লি বেলাত আলৈ-আথানি হয়। একেখন ঘৰতে থাকি ল'ৰা-ছোৱলীৰে কথা নাপাতে। পাৰিবাৰিক সম্পৰ্ক আৰু বান্ধোনবোৰ মানুহৰ স্বাৰ্থপৰতা-আত্মকেন্দ্ৰিকতাৰ বাবে দূৰত্ব বাঢ়ি গৈছে। আনকি এনে নিৰ্দয় সন্তানে আমাৰ সমাজত আছে, যিয়ে বোজা জ্ঞান কৰি বৃদ্ধ পিতৃ-মাতৃক নানা ধৰণৰ নিৰ্যাতন চলায়। বহুতে আকৌ একেলগে থাকিও পিতৃ-মাতৃক অৱহেলা কৰে, বেমাৰ-আজাৰত মূৰ পোলোকা দিয়ে। অসহায় বৃদ্ধ পিতৃ-মাতৃক সন্তানে সেৱা শুশ্ৰূষা কৰিবনে নাই আদালতে ৰায় দিব লগা হৈছে। এয়া পৰিবৰ্তিত সময়ৰে পৰিণতি। আমি যিমানেই ডাঙৰ মানুহ নহওঁ বা ধনী নহওঁ লাগে, পিতৃ-মাতৃৰ ধাৰ সন্তানে কেতিয়াও সুজিব নোৱাৰো।

বুঢ়া বয়সত সম্পত্তিৰ মোহত অন্ধ হোৱা সন্তানৰ জিংঘাসাৰ বলি হৈ জীৱনৰ নিৰাপত্তা হেৰুৱায় পেলায়। বয়স্ক লোকসকলৰ মাজত আতাইতকৈ উদ্বেগবোৰৰ ভিতৰত এটা হ'ল স্বাধীনতা হেৰুৱাৰ ভয়। কিয়নো বহুতে দৈনন্দিন প্ৰয়োজনৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বিষয়ে চিন্তিত হৈ উদিগ্নভাৱে জীৱন কটাই। বয়সৰ লগে-লগে জেষ্ঠজনে নিঃসংগতা আৰু বিচ্ছিন্নতা হোৱা বুলি অনুভৱ কৰিবলৈ ধৰে। অপ্ৰিয় হ'লেও সত্য যে, পুত্ৰ কন্যাই বৃদ্ধ মাক দেউতাকক অনাহকত আমনি কৰি বিয়লি বেলাত বিষাদৰে মন ভৰাই তোলে। দুখৰ জুইৰ তাপত কলিজা ছিৰিলি ছিৰিলি হয়, সুখৰ প্ৰলেপে মেলানি মাগে। জীৱনৰ ভটিয়ালি ৰাগৰ উৰুলিকৃত কৰা সময়খিনি হৈ পৰে নীৰস যাতনাময়। এই বিধ মাৰাত্মক সোঁচৰা বেমাৰে গাঁৱে ভুঞে নগৰে চহৰে প্ৰায়বিলাক পৰিয়ালকে গ্ৰাস কৰি পেলাইছে। এই সংক্ৰামক ৰোগক কেনেকৈ নিৰ্মূল কৰিব কৰিব পাৰিব সেইটোহে চিন্তণীয় বিষয়। এয়া বংশগত অসুখ নহয় বৰঞ্চ সমাজত ইটোৰ পৰা সিটো পৰিয়াললৈ ক্ৰমান্বয়ে সুঁচৰি অহা এক সামাজিক ব্যাধি হৈ পৰিছে। পিতৃ মাতৃৰ অজ্ঞাতেই ল'ৰা ছোৱালীৰ মনত এই ৰোগে বিস্তাৰ লাভ কৰে। আট্টালিকা সজা সপোন নহয় ভোগ সৰ্বস্ব বিলাসী জীৱনত বিভোৰ হোৱাৰ দুৰ্বাহ হেঁপাহৰ ধামখুমীয়াত সলনি হৈছে যুৱচামৰ মানসিকতা। অৰ্থহীন আৰু সস্তীয়া বিনোদনৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে। এনে পৰিস্থিতিয়ে পৰিয়ালৰ অৰ্থনৈতিক স্থবিৰতাৰ সৃষ্টি কৰে। জীৱনৰ উত্তাপ দেখি মন সেমেকি উঠে, জহি-খহি যায় আলসুৱা হৃদয়। বুঢ়া বয়সৰ সাৰথি কেৱল পতি-পত্নী হে। হাতত হাত ধৰি প্ৰতিপলৰে সহযাত্ৰী। এটি মিচিকিয়া হাঁহিৰে জীৱন জিয়াব পাৰে।

পুত্ৰ -কন্যাৰে এখন সুখৰ সংসাৰ থকাৰ পিচতো নিঃসংগ। সকলো থাকিও যেন কোনো নাই। বিষাদবোৰে হেৰুৱাই পেলাই হাঁহিৰ জীপালতা। ফৰকাল মুখমণ্ডলকো কলীয়া ডাৱৰে আৱৰি ধৰে। সন্তানৰ হাঁহিৰ বাবে সকলো ত্যাগ কৰা বৃদ্ধ পিতৃ -মাতৃক কিয় মনোকষ্ট দিয়া হয়! শোকৰ অগণিত ভমক ভমকৈ উতলি থকা তালুখন শান্ত কৰিবলৈ হেৰুওৱা জীৱনৰ ছন্দ বিচাৰি শেষ ঠিকনা হয় শান্তিৰ আলয় "বৃদ্ধাশ্ৰম।" সন্তানৰ সুখৰ বাবে জীৱনৰ সৰ্বোচ্চ সাঁচতীয়া পুঞ্জী তুলি দি ত্যাগ স্বীকাৰ কৰাৰ পিছটো পিতৃ - মাতৃৰ কিয় এনে দশা হয় বাৰু! সময়ৰ সোঁতত মৰম - চেনেহ, শ্ৰদ্ধা - ভক্তি, সেৱাৰ মনোভাৱ সলনি হ'ল। এতিয়া সময় সলনি হ'ল, আত্মীয়তাৰ আবেগবোৰো শিথিল হ'ল। গতিকে মৰমৰ বাঘজৰীক শিথিল কৰি আমিও নিজৰ ভৱিষ্যতক সন্তানৰ হাতৰ পুতলা হ'বলৈ নিদিওঁ। নিজকে সুৰক্ষিত কৰোঁ নিজৰেই কু সংস্কাৰৰ পৰা। এই বিধ নতুন বেমাৰৰ নাম দিওঁ "অন্তদণ্ড।" কপালকে ধিয়াই নিয়তিৰ বিধান মানিবই লাগিব বুলি হাত সাৱটি বহি নাথাকি সমাজ ওলাই আহক। বেলেগলৈ দোষ ঠেলি থাকিলে সমস্যাৰ সমাধান নহয়। নিজেও সলনি হ'বৰ হ'ল। আশ্ৰয় হীন হোৱাতকৈ আহক আমি সকলোৱে মিলি ন চিন্তাৰে এই অচিন ৰোগক পুলিয়ে পোখাই উঘালি পেলাওঁ। পু-বোৱাৰীৰ হাতত আলৈ-আথানি নহওক। সকলো মা-দেউতা হাঁহি হাঁহি প্ৰাণোচ্ছল হৈ জীয়াই থাকক, নতুন দুখ নাহে যেন। বৃদ্ধ পিতৃ-মাতৃক পোহপাল নিদিয়া সন্তানৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পত্তি পিতৃ-মাতৃয়ে ঘূৰাই ল'ব পাৰিব। এই আইনে দুৰ্ভগীয়া পিতৃ-মাতৃক কিছু সকাহ দিব।



# কেৱল এটা দিনত কিয় দিয়া হয় নাৰীক মৰ্যাদা ?

**অজিত বৰুৱা**

**প্ৰ**তি বছৰে ৮ মাৰ্চ তাৰিখে সমগ্ৰ বিশ্বজুৰি পালন কৰা হয় আন্তৰ্জাতিক নাৰী দিৱস। দেখিবলৈ পোৱা যায় এই দিনটোত মূলতঃ পক্ষপাতমুক্ত এখন উন্নত সমাজ গঢ়ি তোলাৰ লক্ষ্যৰে লিংগ সমতাৰ বাৰ্তা প্ৰচাৰ কৰা হয়। বিভিন্ন নাৰীবাদী প্ৰবক্তাৰ বিভিন্ন বক্তব্য অথবা অমৃতবাণী প্ৰচাৰ কৰা আমি দেখিবলৈ পাওঁ। বিশ্বৰ ভিন ভিন প্ৰান্তত অৱশ্যে নাৰী দিৱস উদযাপনৰ প্ৰধান লক্ষ্য বেলেগ বেলেগ যদিও মহিলাৰ সমান অধিকাৰ, মহিলাৰ বিৰুদ্ধে হিংসা আৰু উৎপীড়ন ৰোধ তথা নাৰীৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনোৱাই হৈছে এই দিৱস উদ্‌যাপনৰ মুখ্য প্ৰতিপাদ্য বিষয়।

**নাৰী দিৱসৰ ইতিহাসনো কি ঃ**

আমি প্ৰতি বছৰে উদযাপন কৰি অহা নাৰী দিৱসৰ আছে এক সুকীয়া ইতিহাস। মূলতঃ নাৰী দিৱস উদ্‌যাপনৰ লগত নাৰী শ্ৰমিকৰ অধিকাৰ আদায়ৰ সংগ্ৰামখনেই ইয়াৰ ইতিহাসৰ সৈতে জড়িত হৈ আছে বুলিব পাৰি। ১৮৫৭ চনত মজুৰি বৈষম্য, কামৰ সময় নিৰ্দিষ্ট কৰা, কামৰ অমানৱিক পৰিৱেশৰ বিৰুদ্ধে প্ৰতিবাদ আদি বিষয়বোৰ সামৰি লৈ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কৰ সূতা কাৰখানাৰ নাৰী শ্ৰমিকসকলে গঢ়ি তোলা আন্দোলনেই হৈছে নাৰী দিৱসৰ প্ৰধান ইতিহাস। দেখিবলৈ পোৱা গৈছিল নাৰী শ্ৰমিকসকলৰ সেই আন্দোলন চৰকাৰে কঠোৰ হাতেৰে দমন কৰিছিল।

১৯০৮ চনত নিউয়ৰ্কৰ সামাজিক গণতান্ত্ৰিক নাৰী সংগঠনে আয়োজন কৰা নাৰী সমাবেশত জাৰ্মান সমাজতান্ত্ৰিক নেত্ৰী ক্লাৰা জেটকিনৰ নেতৃত্বত সৰ্বপ্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত হৈছিল। ইয়াৰ পিছত ১৯১০ চনত ডেনমাৰ্কৰ কোপেনহেগেনত অনুষ্ঠিত হয় দ্বিতীয় আন্তজাৰ্তিক নাৰী সন্মিলনখন। ১৭খন দেশৰ পৰা ১০০ গৰাকী নাৰী প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিছিল বুলি জনা যায়। এই সন্মিলনতে ক্লাৰাই প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। তাৰ ফলশ্ৰুতিতেই ১৯১১ চনৰ পৰা নাৰীসকলৰ সম-অধিকাৰ দিৱস হিচাপে এই দিনটো নাৰী দিৱস ৰূপে পালন কৰা হয়। ১৯১৪ চনৰ পৰা কেইবাখনো দেশত এই দিনটোক নাৰী দিৱস হিচাপে পালন কৰিবলৈ আৰম্ভ কৰে। উল্লেখযোগ্য যে ১৯৭৫ চনৰ ৮ মাৰ্চত ৰাষ্ট্ৰসংঘই প্ৰথমবাৰৰ বাবে এই দিনটোক আনুষ্ঠানিকভাৱে আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস হিচাপে পালন কৰে।

**এই বৰ্ষৰ বিষয়বস্তু ঃ**

আন্তৰ্জাতিক নাৰী দিৱসৰ প্ৰতিবছৰে একোটাকৈ বিষয়বস্তু ঘোষণা কৰা হয়। আন্তৰ্জাতিক নাৰী দিৱসৰ বিষয়বস্তু ৰাষ্ট্ৰসংঘই নিজাববীয়াকৈ ঘোষণা কৰে। এই বৰ্ষৰ আন্তৰ্জাতিক নাৰী দিৱসৰ বিষয়বস্তু ইতিমধ্যে ৰাষ্ট্ৰসংঘই ঘোষণা কৰিছে। সেই অনুসৰি এইবৰ্ষৰ বিষয়বস্তু হৈছে "Leading the Change: Women Shaping a Sustainable Future।" দৰাচলতে এনেদৰে একোটা বিষয়বস্তুৰ জৰিয়তে বিশ্ববাসীলৈ এই বাৰ্তা প্ৰেৰণ কৰিবলৈ বিচৰা হয় যে নাৰী শক্তি আমাৰ সমাজৰ প্ৰধান আধাৰ যাৰ অবিহনে এই পৃথিৱী কেৱল অসাৰ প্ৰতিপন্ন হ'ব।

আন্তৰ্জাতিক নাৰী দিৱসৰ বিষয়বস্তুৰ সৈতে ৰজিতা খোৱাকৈ প্ৰতীক বাছনি কৰা হয়। আন্তৰ্জাতিক নাৰী দিৱসৰ বিষয়বস্তুৰ প্ৰতীক হিচাপে লাজুকী লতা ফুলক বাচি লোৱা হৈছে। ফুল হৈছে শক্তি আৰু সংহতিৰ প্ৰতীক। দেখা যায় মহিলাসকলে প্ৰায়ে ইজনে সিজনৰ লগত নিজৰ মত বিনিময় কৰে যি তেওঁলোকৰ একান্ত ব্যক্তিগত বিষয়ো হ'ব পাৰে। অৰ্থাৎ Mimosaৰ দৰে মত বিনিময় মুহূৰ্তত নাৰীসকলক ফুলৰ প্ৰতীকেৰে অনুপ্ৰাণিত কৰাৰ কথাকেই দোহাৰিব বিচৰা হৈছে।

আন্তৰ্জাতিক নাৰী দিৱসত কি ৰং পিন্ধিব বা তেওঁলোকে কি ৰঙৰ বস্ত্ৰ পৰিধান কৰিব সেই সম্পৰ্কেও নিৰ্দেশনা দিয়া আছে। আন্তৰ্জাতিক নাৰী দিৱসৰ বাবে "বেঙুনীয়া ৰঙ" বাচি লোৱা হৈছে। এই ৰং হৈছে ন্যায়, মৰ্যাদা আৰু সন্মানৰ প্ৰতীক। বিভিন্ন কাৰ্যালয়, ফে''ৰী আদিৰ কৰ্মচাৰী আৰু বিদ্যালয়ৰ ছাত্ৰীসকলক নীলা জিন্সৰ সৈতে বেঙুনীয়া ৰঙৰ টি-চাৰ্ট পৰিধান কৰিবলৈ উৎসাহিত কৰা হয়।

**আন্তৰ্জাতিক নাৰী দিৱসৰ মূল লক্ষ্য ঃ**

আন্তৰ্জাতিক নাৰী দিৱসৰ মূল লক্ষ্য হৈছে বিশ্বজুৰি লিংগ সমতা প্ৰতিষ্ঠা কৰা, নাৰীৰ অধিকাৰ সুনিশ্চিত কৰি সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক তথা ৰাজনৈতিক অৱদানক স্বীকৃতি দিয়া। এই দিৱসৰ জৰিয়তে নাৰীৰ বিৰুদ্ধে হোৱা হিংসা আৰু বৈষম্য ৰোধ কৰি তেওঁলোকৰ সৱলীকৰণৰ বাবে সজাগতা বৃদ্ধি আৰু সমাজত ইতিবাচক পৰিৱৰ্তন আনিবলৈ আহ্বান জনোৱা হয়।

আন্তৰ্জাতিক নাৰী দিৱসৰ প্ৰধান উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল -

১) লিংগ সমতা (Gender Equality) ঃ পুৰুষ আৰু মহিলাৰ মাজত থকা বৈষম্য দূৰ কৰি এখন সমতাপূৰ্ণ সমাজ গঢ়ি তোলা।

২) নাৰী সৱলীকৰণ (Empowerment) ঃ শিক্ষা, চাকৰি আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মহিলাসকলক সৱল কৰি তোলা।

৩) অধিকাৰ আৰু ন্যায় ঃ নাৰীৰ মৌলিক অধিকাৰ, সম-অধিকাৰ আৰু আইনী সুৰক্ষা নিশ্চিত কৰা।

৪) অৱদানৰ স্বীকৃতি ঃ নাৰীৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কৃতিত্বক সন্মান জনোৱা।

৫) হিংসা ৰোধ ঃ মহিলাৰ বিৰুদ্ধে হোৱা হিংসা, উৎপীড়ন আৰু সামাজিক অন্যায়ৰ বিৰুদ্ধে মাত মতা।

এইখিনিতে আমি কিছুমান নাৰী সম্পৰ্কীয় কথা অৱতাৰণা কৰিবই লাগিব। আন্তৰ্জাতিক দূৰসংযোগ সংঘ(ITU)ৰ এক প্ৰতিবেদন অনুসৰি, ২০২২ চনলৈকে মাত্ৰ ৬৩ শতাংশ মহিলাইহে ইণ্টাৰনেট ব্যৱহাৰ কৰিছিল যি পুৰুষৰ তুলনাত তেনেই কম আছিল। আকৌ বিশ্ব অৰ্থনৈতিক মঞ্চ(WEF)ৰ প্ৰতিবেদনত কোৱা হৈছে যে ২০৫০ চনৰ ভিতৰত ৭৫ শতাংশ চাকৰিয়েই বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু গণিত ক্ষেত্ৰৰ সৈতে সম্পৰ্কিত হ'ব। কিন্তু এই ক্ষেত্ৰসমূহত আজিও মহিলাৰ অংশগ্ৰহণ যথেষ্ট কম। সি যিয়েই নহওক এখন শক্তিশালী সমাজ গঢ়িবলৈ হ'লে পুৰুষৰ সমানে মহিলা সকলেও তাত অংশগ্ৰহণ কৰিবই লাগিব। এনে অংশগ্ৰহণৰ বাবে মহিলাসকলক উৎসাহিত কৰিব পাৰিব লাগিব, প্ৰশংসা কৰিব পাৰিব লাগিব।

সমাজত এগৰাকী মহিলা হোৱাটো নিজেই এক মহাশক্তি। এনে অফুৰন্ত শক্তিৰ অধিকাৰী মহিলাসকলক কোনেও কেতিয়াও অৱজ্ঞা কৰিব নোৱাৰে, অস্বীকাৰ কৰিব নোৱাৰে। নাৰী শক্তিৰ অংশগ্ৰহণ অবিহনে আমাৰ এই পৃথিৱী অৰ্থহীন হৈ পৰিব। তেনে হ'লে আমাৰ সমাজৰ এনে গুৰুত্বপূৰ্ণ অংগ স্বৰূপ এই মহিলাসকলৰ বাবে কেৱল কিয় এটা দিনতেই প্ৰশংসা কৰা হয়। প্ৰতিটো দিনতেই কিয় নোৱাৰি তেওঁলোকৰ বাবে উদযাপনৰ সোপান ৰচনা কৰিব ? আমি বিচাৰোঁ মহাশক্তিৰ গৰাকী প্ৰতিগৰাকী মহিলাৰ জীৱন জিলিকি উঠক। সমৃদ্ধ হওক আপোনালোকৰ জীৱন সকলো প্ৰকাৰৰ সুখেৰে।

# সময়ে সলনি কৰা নাৰীকেন্দ্ৰিক ধাৰণা

**নিবেদিতা হাজৰিকা**

**ভা**ৰতীয় সমাজত নাৰী সকলক পুৰুষৰ তুলনাত পিছপৰা বুলি ভবা হয়। এই ধাৰণা আজিও সম্পূৰ্ণ ৰূপে সলনি হোৱা নাই। নাৰী সকল পুৰুষৰ দৰেই সমাজৰ এক গুৰুত্ব পূৰ্ণ অংগ যদিও নাৰী সকলক লৈ থকা এনে ধাৰণা সমগ্ৰ নাৰী জাতি আৰু সমাজ খনৰ বাবেই দুৰ্ভাগ্য জনক। পুৰুষ আৰু নাৰী একেটা মুদ্ৰাৰে দুটা পিঠি। নাৰী অবিহনে পুৰুষ আৰু পুৰুষ অবিহনে নাৰীৰ অস্তিত্ব অৰ্থহীন। ইমানৰ পাছতো পুৰুষ প্ৰধান সমাজত নাৰীক পুৰুষৰ সমকক্ষ বুলি বহুতেই মানি ল'ব নিবিচাৰে। নিবিচাৰে নাৰীৰ প্ৰতিভা আৰু গুণৰ স্বীকৃতি দিবলৈ।

মানুহে কয় সময় সলনি হৈছে। প্ৰকৃততে সেইটো নহয়। সময় সলনি নহয় মাত্ৰ সলনি হয় ধাৰণা সমূহৰ। যিদৰে সলনি হোৱা পৰিলক্ষিত হৈছে পূৰ্বতে নাৰীৰ প্ৰতি থকা কিছুমান ধাৰণাৰ। এটা সময়ত নাৰী বুলিলেই অৱহেলিত, অকমণ্য, যোগ্যতাহীন, পণ্য সামগ্ৰী বুলিহে ভবা হৈছিল। কিন্তু সময়ৰ লগে-লগে মানুহৰ চিন্তাধাৰা সলনি হ'বলৈ ধৰিলে আৰু নাৰীৰ প্ৰতি থকা ধাৰণাৰ বহু খিনিয়েই সলনি হ'বলৈ ধৰিলে।

নতুন যুগৰ আধুনিক নাৰী হিচাপে নাৰী সকলৰ আহি পৰিল বহু দায়িত্ব। বৰ্তমান সময়ত নাৰীয়ে পুৰুষৰ সমকক্ষ হৈ বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকাৰে নিজৰ প্ৰতিভা আৰু যোগ্যতা দেখুৱাবলৈ সক্ষম হৈছে। এই সকলো সক্ষম হৈছে একমাত্ৰ শিক্ষাৰ বাবে।

নতুন নাৰী সকল আধুনিক মনৰ। তেওঁলোকৰ চিন্তা-চৰ্চাও সেইমতে আধুনিক আৰু যুগৰ লগত খাপ খোৱা। পূৰ্বৰ দৰে আজিৰ নাৰীয়ে সহ্য নকৰে অন্যায়, শোষণ আদিৰ দৰে নিৰ্যাতন। আজিৰ নাৰী প্ৰতিবাদী আৰু যুক্তিৰে পৰিচালিত। এইখিনিতে নতুন নাৰী সকলে মনত ৰাখিব লগা কেইটামান দিশৰ বিষয়ে উল্লেখ কৰা হ'ল।

নতুন নাৰী সকলৰ বহুতেই শিক্ষিত। শিক্ষিত হোৱাৰ লগতে তেওঁলোক শাৰীৰিক আৰু মানসিক ভাৱেও সৱল হ'ব লাগিব। তেতিয়াহে নিজৰ পৰিয়ালটোক সুস্থতা প্ৰদান কৰিব পাৰিব আৰু সন্মুখৰ পৰিৱেশ-পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পাৰিব। আজিৰ নাৰী কোনো ফালৰ পৰাই সুৰক্ষিত নহয়। সেয়ে নিজৰ সুৰক্ষাৰ বাবে আৰু কন্যা সন্তানৰ সুৰক্ষাৰ বাবে চিন্তা কৰাটো আজিৰ নাৰীৰ প্ৰথম আৰু প্ৰধান দায়িত্ব। নিজকে দুৰ্বল বুলি নাভাবি নাৰীয়ে সাহসেৰে সমস্যাৰ লগত যুঁজিবলৈ সাহস কৰিব লাগিব। কিয়নো বিভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ থকা নাৰী সকলৰ বহুতেই কেতিয়াবা কিছুমান অনাহুত পৰিস্থিতিৰ সন্মুখীন হ'ব লগাত পৰে। এনে ক্ষেত্ৰত মানসিক প্ৰস্তুতি আৰু মনৰ সৱলতা খুবেই দৰকাৰী। সঠিক সময়ত সঠিক সিদ্ধান্ত লৈ আগুৱাই যাব পৰাকৈ নাৰীয়ে নিজেই নিজক প্ৰস্তুত কৰিব পাৰিব লাগিব।

লাজ হৈছে নাৰীৰ আভূষণ বা মূল অলংকাৰ। আধুনিক হ'লে লাজ, শালীনতা আদি বজাই ৰাখিবলৈ যত্ন কৰিব লাগিব। নতুন নাৰী আৰু সাজ-পাৰ দুয়োটাই নাৰী গৰাকীক প্ৰতিনিধিত্ব কৰিব লাগিব। সময় আৰু বয়সৰ লগত মিলাই নাৰীয়ে সাজ-পাৰ পৰিধান কৰা উচিত। দৃষ্টিকটু, শালীনতাহীন সাজ-পাৰ পৰিধান কৰাৰ পৰা নাৰীসকল পৰাপক্ষত দূৰত থকা উচিত। কিয়নো আপোনাৰ পোছাক দেখি বহুতে বিৰূপ মন্তব্য কৰিব পাৰে বা সমালোচনা কৰিব পাৰে। কেৱল সেয়ে নহয় পোছাক নিৰ্বাচনত সাৱধান নহ'লে বহু সময়ত বিপদতো পৰিব লগা হ'ব পাৰে। সেয়ে নিজৰ পৰিচয় বজাই আৰু বৰ্তাই ৰাখিবৰ বাবে এই কথাখিনিৰ প্ৰতি চকু ৰখাটো খুবেই প্ৰয়োজনীয়।

নাৰীৰ বাবে আন এক প্ৰয়োজনীয় গুণ হৈছে কথা-বতৰা বা আচৰণত সংযম। দাম্ভিকতা কোনো নাৰীৰ ক্ষেত্ৰতে শোভা নাপায়। বিনয়ী আৰু লাজকুৰীয়া নাৰীয়ে আনৰ মন জয় কৰিবলৈ সক্ষম হয়। কিন্তু সেই বুলিয়ে দুহাত দীঘল ওৰণি টানি নাৰী ঘৰৰ ভিতৰত সোমাই থাকিলেও নহ'ব। কিন্তু সময় অনুযায়ী ওৰণিখন টানি ল'বলৈও নাৰী গৰাকীয়ে জানিব লাগিব। আজিৰ নাৰী শিক্ষিত বুলি ভবা হয়, কোৱা হয়। তথাপিও আজিও বহু নাৰী ঘৰুৱা হিংসা, নিৰ্যাতনৰ বলী হ'ব লগা হৈছে। বহু এনে ঘটনা সমাজৰ আগতেই ঘটি আছে আৰু বহু ঘটনা ঘটি আছে আনৰ অলক্ষিতে। নাৰী সকলৰ বহুতেই কিন্তু ইয়াৰ প্ৰতিবাদ কৰিব খুজিও ব্যৰ্থ হৈছে। এনে ক্ষেত্ৰত বা এনে সময়ত নাৰী সহনশীল হ'লে নহ'ব। অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ সাহস গোটাব লাগিব। কিয়নো বিনা কাৰণত অন্যায় আৰু নিৰ্যাতন সহ্য কৰি থকাৰ কোনো যুক্তি নাই।

সামাজিক দায়বদ্ধতা আজিৰ নাৰীৰ আন এটা প্ৰধান দায়িত্ব আৰু গুণ বুলি ক'ব পাৰি। নাৰী সকলে এই গুণ আহৰণ অৱশ্যেই কৰা উচিত। কিয়নো আমাৰ সমাজখন পুৰুষ প্ৰধান সমাজ হ'লেও সামাজিক আচাৰ-আচৰণ, পৰম্পৰা আদি ৰক্ষাৰ ক্ষেত্ৰত পুৰুষতকৈ নাৰী সকলৰ ভূমিকাহে অধিক দেখা যায়। আজিৰ নাৰী সকলৰ সিংহ ভাগেই শিক্ষিত। সেই শিক্ষিত নাৰী সকলৰ বাবে সামাজিক দায়বদ্ধতাৰ প্ৰয়োজনীয়তা অনুভৱ কৰাটো খুব এটা জটিল নহয়। সমাজখন শৃংখলাবদ্ধ ভাৱে চলাই নিয়াৰ ক্ষেত্ৰত আজিৰ নাৰীয়ে অগ্ৰণী ভূমিকা ল'ব পাৰিব লাগিব।

নাৰী সকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত অন্যতম হৈছে ঘৰখন বা পৰিয়ালটো সুকলমে চলোৱা। এগৰাকী নাৰীয়ে ভিন্ন সময়ত ভিন্ন ৰূপে অৱতীৰ্ণ হ'ব লগা হয়। দুখন হাতেৰে দহ জনৰ কাম সামৰিব পৰাটো নাৰীৰ আন এটা আচৰিত গুণ। ধৈৰ্য, ত্যাগ আৰু সাহসৰ প্ৰতিমূৰ্তি নাৰী। সকলো বাধা অতিক্ৰমি পৰিয়াল বা সন্তানৰ বাবে নাৰীয়ে ল'ব পাৰে আদৰ্শ মূলক পদক্ষেপ। বহুমুখী দায়িত্ব আৰু কৰ্তব্য পালনেৰে আজিৰ আধুনিক নাৰী সকলৰ বহুতেই পালন কৰিছে বহু দায়িত্ব। যি সমূহে সলনি কৰিছে নাৰীৰ সংজ্ঞা তথা নাৰীৰ প্ৰতি থকা ধাৰণা।

সময়ৰ লগে-লগে সকলো কথাই সলনি হয়। সলনি নোহোৱা বা পৰিৱৰ্তন নোহোৱাটোহে অস্বাভাৱিক। জনমানসত নাৰীৰ প্ৰতি পূৰ্বৰে পৰা থকা ধাৰণাৰ বহু খিনিয়েই সলনি হৈছে। সেই ধাৰণাৰ ঠাইত নতুন কিছুমান ধাৰণা গঢ়লৈ নাৰীক প্ৰদান কৰিছে নতুনত্ব। সেই নতুনত্বৰ ভাল দিশ সমূহ বিবেচনা কৰি, গ্ৰহণ কৰি তথা নিজক শুদ্ধৰণি কৰি নাৰীয়ে নিজক অনন্য ৰূপে, আনৰ আদৰ্শ ৰূপে গঢ় দিয়াটো সকলোৰে বাবে মংগলজনক আৰু গ্ৰহণীয়। কিয়নো উপৰোক্ত গুণাৱলী সমূহ আয়ত্ত কৰি নাৰীয়ে পৰিয়াল, সমাজ আৰু দেশ খনৰ বাবে সৰ্বোত্তম সেৱা আগবঢ়াই প্ৰমাণ দিব পাৰে নতুন নাৰীৰ গৌৰৱময় পৰিচয়।

# উদ্‌যাপনৰ বিশেষ দিন নাৰী দিৱস

**ৰবী বড়া**

**সা**মাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক ক্ষেত্ৰত নাৰীক স্বীকৃতি প্ৰদান তথা সম অধিকাৰৰ লক্ষ্যৰে নাৰী দিৱস পালন কৰি অহা হৈছে। পক্ষপাতিত্বহীন, লিংগ সমতা, নাৰী সৱলীকৰণ আৰু নিজ অধিকাৰৰ প্ৰতি সজাগ হোৱাৰ যুঁজখনৰ উদ্‌যাপনৰ এটা বিশেষ দিন হৈছে "নাৰী দিৱস"। ১৮৫৭ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সূতা কাৰখানা… নাৰী শ্ৰমিকসকলে মজুৰি… বৈষম্য আৰু কৰ্মৰ অমানৱী… পৰিৱেশৰ বিৰুদ্ধে প্ৰতিবাদ জনাই আন্দোলন কৰিছিল। সেই আন্দোলন চৰকাৰে কঠোৰভাৱে দমন কৰিছিল। জাৰ্মান সমাজতান্ত্ৰিক নেত্ৰী ক্লাৰা জেটকিনৰ নেতৃত্বত ১৯৩৮ চনত নিউয়ৰ্কৰ সামাজিক গণতান্ত্ৰিক নাৰী সংগঠনে পোনপ্ৰথমে "আন্তৰ্জাতিক নাৰী সন্মিলন" অনুষ্ঠিত কৰিছিল। ১৯১০ চনত ডেনমাৰ্কত দ্বিতীয়খন আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত হৈছিল। ১৯১১ চনত ৮ মাৰ্চ তাৰিখটো সম অধিকাৰ দিৱস হিচাপে পালন কৰা হয়। ক্লাৰা জেটকিনে প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখত "আন্তৰ্জাতিক নাৰী দিৱস" পালনৰ প্ৰস্তাৱ দিয়ে। কেইবাখনো দেশে ১৯১৪ চনৰপৰা পালন কৰিবলৈ আৰম্ভ কৰে আৰু ১৯৭৫ চনত ৮ মাৰ্চক "আন্তৰ্জাতিক নাৰী দিৱস" হিচাপে স্বীকৃতি দিয়া হয়।

২০২৬ চনৰ নাৰী দিৱসৰ মূল বিষয়বস্তু হ'ল অধিকাৰ, ন্যায়, কৰ্ম সকলো মহিলা আৰু কন্যা শিশুৰ বাবে (Right, Justice, Action for All Women and Girls)। ৰাষ্ট্ৰসংঘই এই দিৱসৰ জৰিয়তে লিংগ সমতা, ন্যায় আৰু আইন প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সেইদৰে ৰাষ্ট্ৰসংঘই অৰ্থনৈতিক অক্ষমতা দূৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা ২০২৪ চনত নাৰী দিৱসৰ বিষয়বস্তু আছিল "মহিলাৰ বাবে বিনিয়োগ কৰক, প্ৰগতি ত্বৰান্বিত কৰক" (Invest in Women: Accelerate Progress)। ২০২৫ চনত বিষয়বস্তু আছিল "অন্তৰ্ভুক্তিক অনুপ্ৰাণিত কৰক" (Inspire Inclusion)। প্ৰতি …ছৰে ৮ মাৰ্চ তাৰিখটোত …াৰী দিৱস উদ্‌যাপন কৰা হৈ …াহিছে। তথাপিও সমাজত যৌতুক প্ৰথা, বলাৎকাৰ, নাৰী বিক্ৰী, বাল্য বিবাহ, ডাইনী হত্যা আদিৰ দৰে কুকৰ্মৰ পয়োভৰেৰে নাৰীৰ ওপৰত শাৰীৰিক, মানসিক নিৰ্যাতনৰ প্ৰকোপ দিনকদিনে বাঢ়িহে গৈছে।

নাৰীৰ বিৰুদ্ধে হোৱা বৈষম্যমূলক আচৰণ, হিংসা ৰোধ, ন্যায় প্ৰতিষ্ঠা আৰু সুৰক্ষিত পৰিৱেশ নিশ্চিত কৰাৰ অৰ্থে বিশ্বব্যাপী সজাগতা সৃষ্টি কৰাৰ লক্ষ্যতে নাৰী দিৱসৰ বিশেষ তাৎপৰ্য আছে। শিক্ষা, স্বাস্থ্য আৰু নিৰ্ণায়ক ভূমিকা গ্ৰহণৰ ক্ষেত্ৰত নাৰীক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিৰে নাৰী সৱলীকৰণৰ স্বপ্ন। বিশ্বজুৰি আইনগত বৈষম্য দূৰ কৰি লিংগৰ ক্ষেত্ৰত সমতা ৰক্ষাৰ প্ৰতিশ্ৰুতিৰে স্বাস্থ্য, কৰ্মসংস্থাপন, সম্পত্তিৰ অধিকাৰ প্ৰতিষ্ঠা কৰা। ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, সামাজিক ক্ষেত্ৰত নাৰীৰ অৱদান আৰু সাফল্যক সন্মান জনোৱা। নাৰীৰ বিৰুদ্ধে হোৱা হিংসা, বৈষম্য, শোষণৰ বিৰুদ্ধে জনমত গঠন কৰি সজাগতা সৃষ্টি কৰাৰ লগতে বিশ্বৰ সকলো নাৰীৰ মাজত ঐক্য আৰু সংহতিৰ ভাৱ জগাই তুলি সমস্যাসমূহৰ সমাধানৰ অৰ্থে ঐক্যবদ্ধ হৈ প্ৰচেষ্টাত ৰত হোৱাৰ সংকল্প গ্ৰহণ কৰা ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য। প্ৰকৃতপক্ষে এই দিনটোত সকলোকে নিজৰ পক্ষপাতমূলক বৈষম্যৰ বিষয়ে চিন্তাৰ উদ্ৰেক কৰি কুসংস্কাৰ, অন্ধবিশ্বাস আদিক প্ৰত্যাহ্বান জনোৱাৰ পৰিৱেশ গঠনত সহায়ক হয়। ঊনবিংশ শতিকাৰ কৰ্মজীৱী নাৰীৰ প্ৰতিবাদ আৰু শ্ৰমিকৰ অধিকাৰ আদায়ৰ সংগ্ৰামক স্মৰণ কৰি পক্ষপাতহীন আৰু সমতাভিত্তিক সমাজ গঠনৰ নিৰন্তৰ প্ৰচেষ্টা হ'ল নাৰী দিৱস উদ্‌যাপনৰ মূল লক্ষ্যৰে সামূহিকভাৱে কৰা এক প্ৰচেষ্টা।




নাৰীৰ ত্যাগ, ধৈৰ্য, আত্মবলিদান তথা পৰিয়াল আৰু সমাজৰ প্ৰতি অৱদানৰ মূল্যায়ন, স্বীকৃতিৰ এটা দিন। জীৱন মহিমামণ্ডিত কৰি উন্নত জীৱন যাপনৰ অৰ্থে ঐতিহাসিক যাত্ৰাৰ দিন হিচাপে এই বিশেষ দিনটো উদ্‌যাপিত হৈ আহিছে। শিক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰি প্ৰতিগৰাকী মাতৃয়ে কন্যা সন্তানক উপযুক্তভাৱে গঢ় দি আত্মসন্মান আৰু আত্মসংস্থাপনৰ জৰিয়তে শিৰ উচ্চ কৰি সমাজত নিজকে প্ৰতিষ্ঠিত কৰাত আত্মনিয়োগ কৰিব লাগিব। উপযুক্ত শিক্ষাৰে শিক্ষিত নাৰীয়ে সমাজত চলি থকা বৈষম্য আৰু অত্যাচাৰৰ সমুচিত প্ৰত্যুত্তৰ দি বৈষম্যবিহীন সমাজ গঠনত অগ্ৰণী ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।

# সমাজৰ অগ্ৰগতিত নাৰীশক্তিৰ ভূমিকা

**ললিত নাথ**

**স**মাজৰ অগ্ৰগতিত নাৰীশক্তিৰ ভূমিকা অপৰিসীম। যুগে যুগে নাৰীয়ে নিজৰ মেধা, বুদ্ধি, সাহস আৰু সৃষ্টিশীলতাৰে সমাজক আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। পৰিয়ালৰ পৰা ৰাষ্ট্ৰীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈকে নাৰীৰ সক্ৰিয় উপস্থিতিয়ে সমাজক অধিক সুস্থ আৰু সমৃদ্ধ কৰি তুলিছে। ভাৰতীয় সনাতনী পৰম্পৰাত নাৰীক দেৱী দুৰ্গা, কালী, লক্ষ্মী, সৰস্বতী আদিৰ ৰূপত পূজা কৰা হয়। নাৰী শক্তিৰূপিনী, দুৰ্গতিনাশিনী, জ্ঞানদায়িনী, মহীয়সী, ধৈৰ্যশীলা, মমতাময়ী, লাৱণ্যময়ী সংসাৰৰ অৰ্ধাংগিনী, জীৱনৰ সহধৰ্ম্মিণী। ভাৰতীয় শাস্ত্ৰত নাৰীক উচ্চতম স্থান দিয়া হৈছে। তেওঁক কেৱল ব্যক্তি হিচাপে নহয়, সমাজৰ মূল স্তম্ভ আৰু সৃষ্টিৰ এক অমোঘ শক্তি হিচাপে বৰ্ণনা কৰা হৈছে।

ঋগ্ব দত মাতৃ আৰু জন্মভূমিৰ মাহাত্ম্য বৰ্ণনা কৰি কোৱা হৈছে-"জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।" অৰ্থাৎ, মাতৃ আৰু জন্মভূমি স্বৰ্গতকৈও মহান। বৈদিক যুগত তেওঁলোকে পুৰুষৰ সমানে সন্মান, শিক্ষা আৰু অধিকাৰ লাভ কৰিছিল। বিশ্ববাৰা, আত্ৰেয়ী, অপলা, ঘোষা, কাক্ষীৱতী নীবাবৰী, লোপামুদ্ৰা, জড়িতা আদি নাৰীসকলে বৈদিক সাহিত্যলৈ অনৱদ্য অৱদান আগবঢ়াইছিল। বৃহদাৰণ্যক উপনিষদত উল্লেখ থকা মতে বৈদিক যুগৰ এগৰাকী উল্লেখযোগ্য বিদুষী নাৰী আছিল দাৰ্শনিক, তাৰ্কিক গাৰ্গী বাচকন্বী। তেওঁ ঋষি যাজ্ঞবল্ক্যৰ সৈতে বৌদ্ধিক বক্তৃতাত লিপ্ত হৈ নিজৰ বুদ্ধিমত্তা আৰু আত্মবিশ্বাস প্ৰদৰ্শন কৰিছিল। দাৰ্শনিক বিতৰ্কত গাৰ্গীৰ অংশগ্ৰহণে বৈদিক সমাজত বিদ্বান নাৰীক প্ৰদান কৰা সন্মানক সমুজ্জ্বল কৰি তুলিছিল। ঋষি যাজ্ঞবল্ক্যৰ পত্নী মৈত্ৰেয়ীয়ে স্বামীৰ সৈতে গভীৰ দাৰ্শনিক আলোচনাত লিপ্ত হৈ তেওঁৰ বৌদ্ধিক শক্তি প্ৰদৰ্শন কৰিছিল। ঋগবেদত থকা অপলাৰ গীতসমূহে তেওঁক এগৰাকী ভক্তিপূৰ্ণ উপাসক হিচাপে প্ৰতিষ্ঠা কৰে। আনহাতে ভগৱান শিৱৰ পত্নী পাৰ্বতী, জ্ঞান আৰু প্ৰজ্ঞাৰ দেৱী সৰস্বতী দেৱীও প্ৰখ্যাত ব্যক্তিত্বৰ নিদৰ্শন। পাৰ্বতীয়ে প্ৰেম, ভক্তি, দৃঢ়তা আৰু সৰস্বতী দেৱীয়ে শিক্ষণ, সৃষ্টিশীলতা, বাকপটুতাৰ নিদৰ্শন ডাঙি ধৰিছে। বৈদিক সমাজত বিদুষীসকলৰ এই ভূমিকা নাৰীসকলৰ উচ্চ স্থান আৰু সন্মান প্ৰদৰ্শন কৰে, যাৰ আধাৰত সমাজগঠনৰ এক শক্তিশালী পৰম্পৰা গঢ়ি উঠিছিল। হিন্দুধৰ্মৰ দুয়োখন মহান গ্ৰন্থ ৰামায়ণ আৰু মহাভাৰত শক্তিশালী আৰু প্ৰভাৱশালী নাৰীৰ কাহিনীৰে সমৃদ্ধ। এই মহাকাব্যসমূহত নাৰীশক্তিৰ প্ৰত্যক্ষ প্ৰতিফলন দেখা যায়। ৰামায়ণত ভগৱান ৰামৰ পত্নী সীতাক অদম্য ভক্তি, শক্তি আৰু পবিত্ৰতাৰ প্ৰতিমূৰ্তি হিচাপে বৰ্ণনা কৰা হৈছে। তথাপি, ৰাৱণে সীতাক হৰণ কৰি নাৰী অধিকাৰৰ ওপৰত এক গভীৰ আঘাত হানে। সীতাই তেওঁৰ অসীম সহনশীলতা, ধৰ্মনিষ্ঠা আৰু আত্মসন্মানৰ জ্বলন্ত উদাহৰণ স্থাপন কৰি দেখুৱাইছিল যে নাৰী কেৱল নিৰ্ভৰশীল নহয়, তেওঁ শক্তিৰ উৎস।



মহাভাৰতত, দ্ৰৌপদী শক্তিশালী, বুদ্ধিমতী আৰু আত্মগৌৰৱেৰে সমৃদ্ধ এগৰাকী নাৰী। যেতিয়া কৌৰৱসকলে ৰাজসভাত তেওঁক হেয় প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰে, তেতিয়া দ্ৰৌপদীয়ে নাৰীসকলৰ মৰ্যাদা, সমাধিকাৰ আৰু স্বাধীনতাৰ প্ৰশ্ন উত্থাপন কৰে। মধ্যযুগত ভাৰতীয় সমাজত নাৰীসকলে পুৰুষপ্ৰধান পৰিৱেশৰ মাজতো অসাধাৰণ সাহস, বুদ্ধি আৰু নেতৃত্বৰ পৰিচয় দি ৰাজনীতি, যুদ্ধ, প্ৰশাসন আৰু ভক্তি-সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। উনিশ শতিকা আৰু বিংশ শতিকাত বিভিন্ন সমাজ সংস্কাৰক যেনে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আৰু মহাত্মা গান্ধীৰ প্ৰচেষ্টাৰে নাৰীৰ অধিকাৰ পুনৰুদ্ধাৰৰ এক নতুন যুগ আৰম্ভ হ'ল। সতীদাহ প্ৰথা নিষিদ্ধ হ'ল, বিধৱা পুনৰ বিবাহ আইনী স্বীকৃতি লাভ কৰিলে আৰু শিক্ষাৰ আলোকেৰে নাৰী পুনৰ সমাজৰ মূল প্ৰবাহলৈ উভতি আহিব ধৰিলে। আজি একৈশ শতিকাত প্ৰৱেশ কৰাৰ পাছতো নাৰীয়ে প্ৰাপ্য সন্মান, অধিকাৰ আৰু স্বাধীনতা সম্পূৰ্ণৰূপে লাভ কৰিছে বুলি ক'ব নোৱাৰি। অগণন নাৰী এতিয়াও সমাজৰ বহু ঠাইত অন্যায়, অবিচাৰ, যৌন নিৰ্যাতন, অপহৰণ আৰু বঞ্চনাৰ সন্মুখীন হৈয়ে আছে। সেয়েহে নাৰীমুক্তি, নাৰীৰ অধিকাৰ, নাৰীৰ স্বাধীনতা সম্পৰ্কে সচেতন নাৰীসকলে বিভিন্ন সময়ত চলাই অহা সংগ্ৰামৰ পৰিণতিতেই ১৯১৩ চনত ৮ মাৰ্চ তাৰিখটো সমগ্ৰ বিশ্বতে 'আন্তৰ্জাতিক নাৰী দিৱস' হিচাপে পালন কৰা হয়। মহিলাসকলৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক কৃতিত্বক বিশ্বব্যাপী স্বীকৃতি প্ৰদান কৰাৰ লগতে জীৱনৰ বিভিন্ন ক্ষেত্ৰত লিংগভিত্তিক হিংসা, বৈষম্যৰ অৱসান ঘটাই নাৰীৰ অধিকাৰক সাব্যস্ত কৰিবলৈ এই দিৱসটি উদ্‌যাপন কৰা হয়। প্ৰতি বছৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসত নাৰীৰ অধিকাৰ আৰু লিংগ সমতাৰ গুৰুত্ব প্ৰতিফলিত কৰিবলৈ এটা বিশেষ বিষয়বস্তু নিৰ্ধাৰণ কৰা হয়।

২০২৬ চনৰ আন্তৰ্জাতিক নাৰী দিৱসৰ বাবে দুটা মূল বিষয়বস্তু হৈছে: 'Rights. Justice. Action. For ALL Women and Girls.' এই বিষয়ৰ মূল লক্ষ্য হৈছে বিশ্বজুৰি মহিলাৰ আইনী অধিকাৰ সুনিশ্চিত কৰা আৰু তেওঁলোকৰ প্ৰতি হোৱা বৈষম্য দূৰ কৰি বাস্তৱিক পৰিৱৰ্তন অনা। নাৰী শক্তিক প্ৰসাৰিত কৰি সমাজত এক ন্যায়সংগত আৰু সমতাভিত্তিক পৰিৱেশ গঢ়ি তোলাটোৱেই এই দিৱস উদ্‌যাপনৰ মূল লক্ষ্য। ভাৰত চৰকাৰে লিংগ সমতা আৰু নাৰীৰ সামগ্ৰিক উন্নয়নৰ বাবে বহুতো গঠনমূলক আঁচনি আৰু নীতি গ্ৰহণ কৰিছে। এইবোৰ আঁচনিয়ে কেৱল নাৰীৰ অধিকাৰ সুৰক্ষিত কৰাতেই সীমিত নহয়, বৰং তেওঁলোকৰ শিক্ষা, আৰ্থিক স্বাৱলম্বিতা, স্বাস্থ্য সুৰক্ষা আৰু সামাজিক অৱস্থান মজবুত কৰাৰ দিশটোত গুৰুত্ব দিয়ে। তেনে কেইখনমান উল্লেখযোগ্য আঁচনি হ'ল— বেটি বচাও, বেটি পড়াও, মহিলা শক্তি কেন্দ্ৰ, উজ্জ্বলা যোজনা, মুদ্ৰা যোজনা, সুকন্যা সমৃদ্ধি যোজনা আদি। অসম চৰকাৰে নাৰীৰ শিক্ষা, স্বাৱলম্বিতা আৰু সুৰক্ষা নিশ্চিত কৰিবলৈ বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। অৰুণোদয় আঁচনিৰ জৰিয়তে দৰিদ্ৰ পৰিয়ালৰ মহিলাসকলে মাহেকীয়া আৰ্থিক সহায় পায়, যাৰ সহায়ত তেওঁলোকে ঘৰুৱা খৰচ আৰু সন্তানৰ শিক্ষাৰ ব্যৱস্থা কৰিব পাৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিয়ে মহিলাসকলক নিজৰ ব্যৱসায় আৰম্ভ কৰিবলৈ ঋণ, প্ৰশিক্ষণ আৰু পৰামৰ্শ আগবঢ়াই। আনহাতে, স্বহীদ কনকলতা মহিলা সাবলীকৰণ আঁচনিৰ জৰিয়তে গ্ৰাম্য মহিলাসকলক সংগঠিত কৰি ক্ষুদ্ৰ উদ্যোগ, হস্তশিল্প আৰু কৃষিভিত্তিক কামৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ সুযোগ দিয়ে। স্ব-নিয়োজন আঁচনিৰ জৰিয়তে মহিলাসকলে ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিবলৈ সহায় পায়। প্ৰজ্ঞা ভাৰতী আঁচনিৰ অন্তৰ্গত মেধাৱী ছাত্ৰীসকলক উচ্চ শিক্ষাৰ সুবিধাৰ্থে বিনামূলীয়া স্কুটী প্ৰদান কৰে। অসম ৰাজ্যিক মহিলা আয়োগ নাৰীৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ কাম কৰে আৰু অসম মহিলা সমৃদ্ধি যোজনাই গ্ৰাম্য আত্মসহায়ক গোটসমূহক আৰ্থিকভাৱে শক্তিশালী কৰিবলৈ সহায় কৰে।

নাৰীৰ সৱলীকৰণ কোনো একক বিষয় নহয়, ই সমগ্ৰ সমাজৰ উন্নয়নৰ মূল স্তম্ভ। যেতিয়া নাৰীয়ে সমান সুযোগ পায়, তেতিয়া কেৱল তেওঁলোকৰেই নহয়, সমগ্ৰ সমাজৰ উন্নতি হয়। নাৰীৰ কৰ্মসংস্থানে দেশৰ অৰ্থনীতিৰ গতিশীলতা বঢ়ায়। স্বাৱলম্বী নাৰীয়ে নিজৰ পৰিয়ালৰ লগতে ৰাষ্ট্ৰৰ অৰ্থনৈতিক প্ৰগতিৰ অংশীদাৰ হয়। ব্যৱসায়, উদ্যোগ আৰু চাকৰি ক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণে জি ডি পি বৃদ্ধিত সহায় কৰে। শিক্ষিত আৰু আত্মনিৰ্ভৰশীল নাৰীয়ে নিজৰ লগতে পৰিয়ালৰ উন্নতি সাধন কৰে। তেওঁলোকৰ সচেতনতা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাই শিশু-সন্তানৰ শিক্ষা, স্বাস্থ্য আৰু পুষ্টি উন্নত কৰে। ফলস্বৰূপে, এক সুস্থ আৰু শিক্ষিত প্ৰজন্ম গঢ়ি উঠে। লিংগ সমতা কেৱল ন্যায়ৰ প্ৰশ্ন নহয়, ই সমাজৰ স্থিতিশীলতাৰ এক প্ৰধান উপাদান। যেতিয়া নাৰীক সমান অধিকাৰ আৰু সন্মান দিয়া হয়, তেতিয়া গাৰ্হস্থ্য হিংসা হ্ৰাস পায় আৰু সমাজ অধিক সংহত হয়। নাৰী নেতৃত্বই সমাজৰ সিদ্ধান্ত গ্ৰহণত নতুন দিশ আনিব পাৰে। ৰাজনীতিত নাৰীৰ উপস্থিতিয়ে সমতা, ন্যায় আৰু উন্নয়নমূলক নীতি গ্ৰহণত ইতিবাচক প্ৰভাৱ পেলায়। বিশেষকৈ শিক্ষা, স্বাস্থ্য আৰু সমাজকল্যাণমূলক ক্ষেত্ৰত নাৰী নেতৃত্বই দীৰ্ঘস্থায়ী পৰিৱৰ্তন আনিব পাৰে। নাৰীৰ ক্ষমতা সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক উন্নয়নৰ এক অবিচ্ছেদ্য অংশ। এখন সৱল সমাজ গঠনৰ বাবে নাৰীৰ উন্নতি বাধ্যতামূলক। নাৰীৰ সৱলীকৰণ কেৱল চৰকাৰী আঁচনি আৰু নীতিৰ মাজতে সীমিত নহয়, ই মানসিকতাৰ পৰিৱৰ্তন, সমাজৰ প্ৰচলিত দৃষ্টিভংগীৰ পৰিৱৰ্তন আৰু বাস্তৱ ক্ষেত্ৰত সুযোগ আৰু অধিকাৰৰ নিশ্চয়তাৰ সৈতে জড়িত। ভাৰত তথা অসম চৰকাৰে নাৰীৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে, কিন্তু ইয়াৰ প্ৰকৃত সফলতা তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া প্ৰতিগৰাকী নাৰী শিক্ষিত, আত্মনিৰ্ভৰশীল আৰু সামাজিক বৈষম্যৰ পৰাৰ মুক্তি লাভ কৰিব। সমাজৰ শক্তি আৰু প্ৰগতিৰ মূল আধাৰ হ'ল সক্ষম নাৰী। শক্তিশালী নাৰী মানেই সুদৃঢ় সমাজ আৰু এই দিশত সকলোৱে একেলগে আগবাঢ়িব লাগিব।

## কংগ্ৰেছ ত্যাগ APCCৰ জ্যেষ্ঠ মুখপাত্ৰ ৰাতুল কলিতাৰ

এতিয়া তীব্ৰ ৰূপ লৈছে। দলীয় নেতৃত্বৰ বিৰুদ্ধে একনায়কত্ববাদী আচৰণ, সাধাৰণ কৰ্মীক অৱহেলা আৰু অযোগ্য লোকক প্ৰাধান্য দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি জ্যেষ্ঠ মুখপাত্ৰ তথা নলবাৰী সমষ্টিৰ টিকট প্ৰত্যাশী ৰাতুল কলিতাই শনিবাৰে দলৰ প্ৰাথমিক সদস্যপদসহ সকলো দায়িত্বৰ পৰা পদত্যাগ কৰিছে। নিজৰ বাসগৃহত আয়োজিত এক সংবাদমেলত তেওঁ আনুষ্ঠানিকভাৱে কংগ্ৰেছ ত্যাগৰ কথা ঘোষণা কৰে। তেওঁৰ লগতে নলবাৰী জিলাৰ ২০ গৰাকীৰো অধিক জ্যেষ্ঠ নেতা-কৰ্মীয়ে একেলগে দল ত্যাগ কৰাৰ ফলত আগন্তুক নিৰ্বাচনৰ পূৰ্বে জিলাখনত কংগ্ৰেছ দলে এক গুৰুতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ২০ বছৰৰো অধিক সময় ধৰি কংগ্ৰেছৰ সৈতে নিষ্ঠাৰে জড়িত থকা ৰাতুল কলিতাই সংবাদমেলত আৱেগিক হৈ পৰে। দলৰ শীৰ্ষ নেতৃত্বৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি তেওঁ কয় যে সাধাৰণ পৰিয়ালৰ ল'ৰা হোৱা বাবেই তেওঁলোকক দলৰ ডাঙৰ নেতাসকলে কেতিয়াও গুৰুত্ব নিদিয়ে। দলত কেৱল মন্ত্ৰী বা ৰজাঘৰীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীহে প্ৰাধান্য লাভ কৰে বুলি তেওঁ গভীৰ আক্ষেপ প্ৰকাশ কৰে। কলিতাই স্পষ্ট কৰে যে দলৰ দুৰ্যোগপূৰ্ণ সময়তো তেওঁ নিষ্ঠাৰে কাম কৰি আহিছে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত তেওঁ নলবাৰী সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব বিচাৰিছিল যদিও জ্যেষ্ঠ নেতা প্ৰদ্যুৎ কুমাৰ ভূঞাই প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰাত দলৰ স্বাৰ্থত তেওঁ পিছুৱাই আহিছিল। পিছৰ সময়তো তেওঁ আবেদন জনাইছিল কিন্তু দলে দ্বীপ বায়নক টিকট দিছিল। এইবাৰো তেওঁ টিকটৰ বাবে আবেদন কৰিছিল যদিও দলে তেওঁক পুনৰ বঞ্চিত কৰে। তেওঁৰ মতে টিকটৰ পৰা বঞ্চিত হোৱাতকৈ দলীয় নেতৃত্বৰ অৱহেলা আৰু উপেক্ষাই তেওঁক অধিক মৰ্মাহত কৰিছে। প্ৰাৰ্থী তালিকা ঘোষণাৰ পিছত ৯০ ঘণ্টাৰো অধিক সময় পাৰ হৈ যোৱাৰ পিছতো দলৰ কোনো শীৰ্ষ নেতাই তেওঁৰ খবৰ লোৱা নাছিল। অৱশেষত সংবাদমেলৰ খবৰ পাই নেত্ৰী মীৰা বৰঠাকুৰে ফোন কৰি দলত্যাগ নকৰিবলৈ আহ্বান জনাইছিল। বৰঠাকুৰে বয়স আৰু সময় হাতত থকাৰ যুক্তি দি বুজনি দিয়াৰ প্ৰসংগ উত্থাপন কৰি কলিতাই প্ৰশ্ন কৰে যে যদি তেওঁৰ বয়স আৰু সময় আছে, তেন্তে তাঞ্জিল হুছেইন বা প্ৰতীক বৰদলৈৰ দৰে নেতাসকলৰ বয়সৰ সীমা ক'ত গ'ল? নলবাৰী সমষ্টিত শেহতীয়াকৈ বিজেপি ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰা অশোক শৰ্মাক টিকট প্ৰদান কৰাকো ৰাতুল কলিতাই তীব্ৰ সমালোচনা কৰে। তেওঁ মুকলিকৈ অভিযোগ কৰে যে প্ৰকৃত কংগ্ৰেছ কৰ্মীয়ে টিকট নাপায়, বৰঞ্চ বিজেপিৰ পৰা প্ৰত্যাখ্যাত নেতাসকলেহে দলত টিকট লাভ কৰে। অশোক শৰ্মাক কট্টৰ আৰ এছ এছ নেতা বুলি অভিহিত কৰি তেওঁ কয় যে শৰ্মাই পূৰ্বে নিজৰ দল বিজেপিকো প্ৰৱঞ্চনা কৰিছিল। ভূমি বেদখলসহ বিভিন্ন কেলেংকাৰীৰ অভিযোগ থকা এনে এজন ব্যক্তিয়ে কেনেকৈ টিকট লাভ কৰিলে, সেই লৈ তেওঁ কংগ্ৰেছৰ সভাপতি তথা শীৰ্ষ নেতৃত্বৰ স্থিতিৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। লগতে, পূৰ্বে ৰাজীৱ ভৱনৰ সন্মুখত আৰক্ষী বিষয়া মৃণাল ডেকাৰ হাতত প্ৰহৃত হোৱা ঘটনাৰ সময়তো দলৰ সভাপতি বা অন্য কোনো নেতাই তেওঁৰ খবৰ নোলোৱাৰ আক্ষেপ তেওঁ সংবাদমেলত প্ৰকাশ কৰে। সংবাদমেলৰ সময়ত এক আৱেগিক পৰিৱেশৰ সৃষ্টি হয়। ৰাতুল কলিতাৰ প্ৰতি সমৰ্থন জনাই সমবেত হোৱা ২০ গৰাকীৰো অধিক জ্যেষ্ঠ নেতা-কৰ্মীয়ে একেলগে কংগ্ৰেছ ত্যাগৰ ঘোষণা কৰে। দলীয় নেতৃত্বৰ প্ৰতি তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি দীৰ্ঘদিনীয়া সম্পৰ্ক ছেদ কৰা ৰাতুল কলিতাই অৱশ্যে তেওঁৰ ভৱিষ্যতৰ ৰাজনৈতিক যাত্ৰা বা অন্য কোনো দলত যোগদানৰ বিষয়ে এই পৰ্যন্ত কোনো মন্তব্য প্ৰকাশ কৰা নাই। এই ঘটনাই অসম প্ৰদেশ কংগ্ৰেছৰ ভিতৰুৱা অসন্তোষক আৰু স্পষ্ট কৰি তুলিছে, যিয়ে দলৰ নিৰ্বাচনী প্ৰস্তুতিত উল্লেখযোগ্য প্ৰভাৱ পেলাব পাৰে।

## কংগ্ৰেছত যোগদান কৰিব

প্ৰভাৱশালী নেতা জয়ন্ত খাউণ্ডে শুকুৰবাৰে দল ত্যাগ কৰিছে। দলৰ উচ্চ নেতৃত্বই ৰঙানদী সমষ্টি বিজেপিক এৰি নিদিয়াৰ স্পষ্ট সংকেত দিয়াৰ পাছতে তেখেতৰ এই সিদ্ধান্ত আহিছে। বহুদিন ধৰি এই নৱগঠিত সমষ্টিত সক্ৰিয়ভাৱে কাম কৰি অহা জয়ন্ত খাউণ্ডে অগপৰ পৰা টিকট লাভ নকৰাৰ পাছতে কংগ্ৰেছ দলৰ দিশে মুখ ঘূৰাইছে। জানিব পৰা মতে, শুকুৰবাৰে নিশাৰ ভাগত জয়ন্ত খাউণ্ডে প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ফোন যোগেৰে তেখেতক মীৰা বৰঠাকুৰৰ গৃহলৈ মাতি পঠিয়াইছিল। তাৰ পাছতে নিশা প্ৰায় ১০ বজাৰ পৰা অধিক সময়ত জয়ন্ত খাউণ্ড সত্যব্ৰত কলিতা আৰু বিনন্দ শইকীয়াৰ সৈতে মীৰা বৰঠাকুৰৰ গৃহত উপস্থিত হয়। এ এছ ০১ এফ ৱাই ০০২৩ নম্বৰৰ বাহনখনত আহি তেওঁলোকে এই বৈঠকত যোগদান কৰে। বৈঠকত তেখেতৰ ৰাজনৈতিক ভৱিষ্যতক লৈ বিস্তৃত আলোচনা হোৱা বুলি জানিব পৰা গৈছে। সকলো ঠিকে-ঠাকে থাকিলে শনিবাৰে জয়ন্ত খাউণ্ডে আনুষ্ঠানিকভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰিব পাৰে। যোগদানৰ পাছতেই দেওবাৰে তেখেতে ৰঙানদী সমষ্টিলৈ গৈ কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰাৰ সম্ভাৱনা দেখা গৈছে। উল্লেখ্য যে, ৰঙানদী সমষ্টি অসমৰ ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত ৰাজনৈতিকভাৱে যথেষ্ট চৰ্চিত হৈ পৰিছে। অগপে দীৰ্ঘদিন ধৰি এই সমষ্টিত শক্তিশালী ভিত্তি গঢ়ি তুলিছিল আৰু জয়ন্ত খাউণ্ডক ইয়াৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে দেখিছিল। কিন্তু মিত্ৰতাৰ অংশীদাৰিত্বৰ অধীনত বিজেপিয়ে সমষ্টিখন দাবী কৰাত অগপৰ ভিতৰত অসন্তোষ দেখা দিছিল। এনে পৰিস্থিতিত জয়ন্ত খাউণ্ডৰ দল ত্যাগ আৰু কংগ্ৰেছৰ দিশে যাত্ৰাৰ ফলত সমষ্টিটোৰ নিৰ্বাচনী সমীকৰণত নতুন মাত্ৰা যোগ হ'ব বুলি ৰাজনৈতিক মহলত মত প্ৰকাশ হৈছে। এই ঘটনাই অসমৰ ৰাজনীতিত দল বদলৰ ধাৰা অব্যাহত ৰখাৰ লগতে আগন্তুক নিৰ্বাচনৰ প্ৰস্তুতিত নতুন গতি আনিব পাৰে।

## উচ্চতৰ মাধ্যমিক প্ৰথম

বাবে উত্তীৰ্ণ হোৱাৰ ন্যূনতম নম্বৰৰ মান বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২ মাৰ্চত জাৰি কৰা নতুন নিৰ্দেশনা অনুসৰি এতিয়াৰ পৰা উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ প্ৰতিটো বিষয়তে শিক্ষাৰ্থীসকলে কমেও ৩৩ শতাংশ নম্বৰ লাভ কৰিব লাগিব। ইয়াৰ আগতে এই মান আছিল মাত্ৰ ৩০ শতাংশ। পৰিষদৰ মতে এই পৰিৱৰ্তনৰ মূল উদ্দেশ্য হৈছে শিক্ষাৰ গুণগত মান উন্নত কৰা আৰু শিক্ষাৰ্থীসকলক অধিক মনোযোগসহকাৰে অধ্যয়নৰ প্ৰতি উৎসাহিত কৰা। নতুন শৈক্ষিক গাইডলাইন অনুসৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি পৰিষদে স্পষ্ট কৰিছে। এই নিয়ম আগন্তুক শৈক্ষিক বৰ্ষৰ পৰাই কাৰ্যকৰী হ'ব। দেশৰ বিভিন্ন শিক্ষা পৰিষদ আৰু বিশ্ববিদ্যালয়ত উত্তীৰ্ণ হোৱাৰ ন্যূনতম মান সাধাৰণতে ৩৩ শতাংশ ধৰা হয়। সেই প্ৰেক্ষাপটত অসমতো এই মান প্ৰয়োগ কৰি ৰাজ্যৰ শিক্ষা ব্যৱস্থাক ৰাষ্ট্ৰীয় মানদণ্ডৰ সৈতে সামঞ্জস্যপূৰ্ণ কৰি তোলাৰ চেষ্টা কৰা হৈছে বুলি ধাৰণা কৰা হৈছে। শিক্ষা মহলৰ একাংশ বিশেষজ্ঞই এই সিদ্ধান্তক ইতিবাচক বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে নতুন নিয়মৰ ফলত শিক্ষাৰ্থীসকলে অধিক দায়বদ্ধতাৰে পঢ়া-শুনা কৰিবলৈ বাধ্য হ'ব আৰু শিক্ষাৰ সামগ্ৰিক মান বৃদ্ধি পাব। অৱশ্যে শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত এই সিদ্ধান্তক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়া দেখা গৈছে। কিছুমানে ইয়াক শিক্ষাৰ মান উন্নত কৰাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি স্বাগত জনাইছে। আন কিছুমানে আকৌ উদ্বিগ্ন হৈছে যে নতুন নিয়মৰ ফলত শিক্ষাৰ্থীসকলৰ ওপৰত অতিৰিক্ত চাপ সৃষ্টি হ'ব পাৰে। পৰিষদে স্পষ্ট কৰিছে যে এই পৰিৱৰ্তনৰ মূল লক্ষ্য হৈছে শিক্ষাৰ্থীসকলক অধিক দক্ষ আৰু যোগ্য কৰি তোলা। নতুন নিৰ্দেশনা কাৰ্যকৰী হোৱাৰ পিছত ৰাজ্যজুৰি উচ্চতৰ মাধ্যমিক শিক্ষাৰ মূল্যায়ন ব্যৱস্থাত সামান্য পৰিৱৰ্তন দেখা যাব। শিক্ষা ক্ষেত্ৰৰ সৈতে জড়িত বিভিন্ন মহলে আশা প্ৰকাশ কৰিছে যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ এই সিদ্ধান্তই দীৰ্ঘম্যাদীভাৱে ৰাজ্যৰ শিক্ষাৰ মান উন্নত কৰাত সহায়ক হ'ব।

## প্ৰধানমন্ত্ৰী বি টি চিলৈ আহি আছে, এয়া শুভ

হৈ পৰিছে বি টি চি প্ৰধান আৰু বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰী। শুকুৰবাৰে মুছলপুৰত বি পি এফ দলৰ 'দিছপুৰ যাত্ৰা' কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণক শুভ লক্ষণ বুলি গণ্য কৰিব পাৰি। তেওঁৰ মতে প্ৰধানমন্ত্ৰীয়ে অহাৰ লগে লগে বি টি চি আৰু অসমৰ বাবে উল্লেখযোগ্য উন্নয়ন পেকেজ ঘোষণা কৰি যাব। হাগ্ৰামাই কয়, "ভাৰতৰ প্ৰধানমন্ত্ৰী বি টি চিলৈ আহি আছে। মই কৈছোঁ এয়া শুভ লক্ষণ। আমি সকলোৱে সৌভাগ্যৱান। বিহাৰ, ছত্তীশগড়, হাৰিয়ানা, মহাৰাষ্ট্ৰলৈ যাওঁতে প্ৰধানমন্ত্ৰীয়ে যিমান ডাঙৰ ডাঙৰ পেকেজ ঘোষণা কৰে, এইবাৰো বি টি চি আৰু অসমৰ বাবে কিবা এটা ভাল পেকেজ দি যাব বুলি মই আশা কৰিছোঁ। এনেকৈয়ে নাহে।" আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰসংগতো হাগ্ৰামাই স্পষ্ট মন্তব্য কৰে। তেওঁ দাবী কৰে যে বড়োলেণ্ড টেৰিট'ৰিয়েল এৰিয়া ডিষ্ট্ৰিক্ট"ছ (বি টি এ ডি)ৰ ১৫খন বিধানসভা সমষ্টিত এন ডি এ জোটে সকলো আসনতে জয়লাভ কৰিব। লগতে ৯ মাৰ্চত বি পি এফে নিজৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলিও ইংগিত দিয়ে। ইউ পি পি এল (ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল)ৰ সৈতে বি পি এফৰ কোনো মিত্ৰতা নাই বুলি তেওঁ স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে এন ডি এৰ সৈতে মিত্ৰতা হৈছে যদিও এতিয়ালৈকে আসন ভাগ-বাটোৱাৰা চূড়ান্ত হোৱা নাই। প্ৰমোদ বড়োৰ ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ প্ৰসংগতো হাগ্ৰামাই তীব্ৰ মন্তব্য কৰে। তেওঁ কয়, "প্ৰমোদ বড়োৱে ৰাজ্যসভাৰ এম পি হ'বই লাগিব। কোন এ আই ইউ ডি এফ, কোন কংগ্ৰেছ, কোন বিজেপি— কোনোবাই চিনি পাই নেকি? কাৰ কাৰ পৰা কি কিমান কিনিছে সেইটো প্ৰমোদ বড়োৱেহে জানে।" আনহাতে বি পি এফে ৰাজ্যসভালৈ প্ৰতিনিধি নপঠোৱাৰ প্ৰশ্নৰ উত্তৰত হাগ্ৰামাই কয় যে মুছলপুৰ, বা'ী আদি অঞ্চলত কৃষি মহাবিদ্যালয়, মেডিকেল কলেজ আদি নিৰ্মাণ কৰাটো বি টি চিৰ দায়িত্ব। ৰাজ্যসভাই এনে কাম নকৰে। উল্লেখ্য যে বি টি চিৰ উন্নয়নৰ লক্ষ্যৰে বি পি এফ দলে 'দিছপুৰ যাত্ৰা' কাৰ্যসূচী আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে মুছলপুৰ কনিষ্ঠ আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা দুৰ্গামন্দিৰ প্ৰাংগণলৈ প্ৰায় দুই কিলোমিটাৰ দীঘলীয়া পদযাত্ৰাৰে দলীয় সভাত উপস্থিত হয় হাগ্ৰামা মহিলাৰী। পদযাত্ৰাত বি পি এফৰ এক্সিকিউটিভ মেম্বাৰ, জেনেৰেল মেম্বাৰকে ধৰি দলৰ বিভিন্ন স্তৰৰ নেতৃত্ব উপস্থিত থাকে। এই অনুষ্ঠানে বি পি এফৰ ২০২৬ৰ বিধানসভা নিৰ্বাচনী প্ৰস্তুতি আৰু বি টি চিৰ উন্নয়নমূলক দাবীক আৰু সুসংহত কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ আগমনক লৈ সৃষ্টি হোৱা আশাবাদক প্ৰতিফলিত কৰিছে।

## বিটিচি সচিবালয়ত সংঘটিত

২৯ নৱেম্বৰত সংঘটিত অনাকাংক্ষিত ঘটনাৰ প্ৰকৃত কাৰণ অনুসন্ধান কৰিবলৈ এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰে ২০২৬ চনৰ ৬ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ এইচ এন শৰ্মাৰ নেতৃত্বত এজনীয়া তদন্ত কমিছন গঠন কৰিছে। এই কমিছনে ১৯৫২ চনৰ তদন্ত আয়োগ আইনৰ ধাৰা ৩ৰ অধীনত কাম কৰিব। উল্লেখ্য যে, ২০২৫ চনৰ ২৯ নৱেম্বৰত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সংগঠনসমূহে অসম চৰকাৰৰ ছয়টা সম্প্ৰদায়ক অনুসূচিত জনজাতি (এছটি) মৰ্যাদা প্ৰদানৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি বৃহৎ প্ৰতিবাদ সংগঠিত কৰিছিল। বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ হোৱা এই প্ৰতিবাদী যাত্ৰাই বিটিচি সচিবালয়লৈ গৈ প্ৰৱেশ কৰে। প্ৰতিবাদকাৰীসকলে নিৰাপত্তা বেৰিকেড ভাঙি সচিবালয়ৰ ভিতৰত সোমাই পৰিস্থিতিক বিশৃংখল কৰি তোলে আৰু কিছুমান অংশত তোলপাৰ আৰু ক্ষতিসাধন কৰাৰ অভিযোগ উঠে। এই ঘটনাই অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰিছিল। নতুন গঠিত তদন্ত কমিছনে এই সমগ্ৰ ঘটনাৰ গভীৰ অনুসন্ধান কৰিব। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবাদৰ পৰিকল্পনা, সচিবালয় অভিমুখে যাত্ৰা, বেৰিকেড ভঙা, ভিতৰত প্ৰৱেশ আৰু তোলপাৰৰ প্ৰকৃত কাৰণসমূহ চালি-জাৰি চোৱা হ'ব। লগতে সেইদিনা জিলা প্ৰশাসন, আৰক্ষী বাহিনী আৰু সচিবালয় কৰ্তৃপক্ষই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কি ধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল, সেই বিষয়েও খতিয়ান লোৱা হ'ব। প্ৰশাসনে আগজাননী লাভ কৰাৰ পিছতো কোনো গাফিলতি বা অৱহেলা আছিল নেকি, সেইটোৱো তদন্তৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হ'ব। কমিছনে চৰকাৰী সম্পত্তিৰ ক্ষতিৰ পৰিমাণ, সচিবালয়ৰ দৈনন্দিন কাম-কাজত পৰা প্ৰভাৱ আৰু অন্যান্য সম্পৰ্কিত বিষয়সমূহো পৰীক্ষা কৰিব। তদন্ত প্ৰক্ৰিয়াক সম্পূৰ্ণ স্বচ্ছ কৰি ৰাখিবলৈ বিটিচি কৰ্তৃপক্ষ, বড়োলেণ্ড বিশ্ববিদ্যালয়, ছাত্ৰ সংগঠনসমূহ আৰু সাধাৰণ ৰাইজৰ পৰা প্ৰয়োজনীয় তথ্য-প্ৰমাণ সংগ্ৰহ কৰা হ'ব। যিসকল ব্যক্তি, সংগঠন বা সাক্ষীৰ ওচৰত এই ঘটনা সংক্ৰান্ত কোনো তথ্য, অভিযোগ বা প্ৰমাণ আছে, তেওঁলোকে লিখিত আবেদনৰ জৰিয়তে কমিছনক জনাব পাৰিব। আবেদনত আবেদনকাৰীৰ পূৰ্ণ নাম, ঠিকনা, শপতনামা আৰু সাক্ষীসকলৰ তালিকা অন্তৰ্ভুক্ত কৰিব লাগিব। এই সকলো নথিপত্ৰ ২০২৬ চনৰ ২৬ মাৰ্চৰ ভিতৰত পঞ্জীয়নভুক্ত ডাক বা স্পীড পষ্টৰ জৰিয়তে কমিছনৰ কাৰ্যালয়লৈ পঠিয়াব পাৰিব। ইয়াৰ উপৰিও কোকৰাঝাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত শুভম সিনহাৰ জৰিয়তেও ৰাইজে নিজৰ ভাষ্য বা তথ্য কমিছনলৈ প্ৰেৰণ কৰাৰ সুবিধা পাব। চৰকাৰৰ এই সিদ্ধান্তই ঘটনাৰ নিৰপেক্ষ তদন্ত আৰু দোষীসকলৰ বিৰুদ্ধে যথাযথ ব্যৱস্থা গ্ৰহণৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে।

## NDAৰ হিচাপে নহয়, UPPLৰ প্ৰাৰ্থী

বড়োক আদৰণী জনায় ইউপিপিএলৰ বিজনী জিলা কমিটিয়ে। আদৰণি পৰ্বৰ পাছতে এখন সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োই অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত কয় যে ৰাজ্যসভা নিৰ্বাচনৰ ইউপিপিএলৰ মনোনয়ন পত্ৰত সংখ্যালঘু বিধায়কসকলে স্বাক্ষৰ কৰা বিষয়টোকে ৰাজনৈতিক ভাৱে টানি লৈ বেকা বেকীকৈ কি অৰ্থ উলিয়াব বিছাৰিছে। বড়ো সংখ্যালঘু একেলগ হ'ব নালাগে নেকি বুলি উল্লেখ কৰি প্ৰমোদ বড়োই কয় মনোনয়ন পত্ৰত সংখ্যালঘু বিধায়কে স্বাক্ষৰ বিষয়টো লৈ কি অৰ্থ উলিয়াব বিছাৰিছে মই নাজানো। তেওঁ আৰু কয় যে বিপিএফ দলে চলাব নোৱাৰে। আগতে ১৭ বছৰত চিণ্ডিকেট কৰিয়ে দ'ল চলাইছিল। আজিও চিণ্ডিকেট লৈ আৰম্ভ কৰিছে। আমিও চৰকাৰ চলাইছোঁ। আমি তিনিশ কৌটি টকা থৈ আহিছোঁ আৰু বিপিএফৰ ১৭ বছৰত প্ৰায় তিনি হাজাৰ কৌটি টকা ধাৰ কৰি থৈ গৈছে। গতিকে চৰকাৰ কেনেকৈ চলাব লাগে তাৰ বেছিক ধাৰণা হাগ্ৰামা মহিলাৰীৰ নাই। নিৰ্বাচনত জয়ী হৈছে আৰু লম্ফজম্ফ কৰি থাকিব পাৰিব। কিন্তু উন্নয়নৰ কাম কৰিব পৰা নীতি তৈয়াৰ কৰিব নোৱাৰিব। বিজনী জিলা ইউপিপিএলৰ সম্পাদক হোম প্ৰসাদ শৰ্মাই আঁত ধৰা উক্ত সভাত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা পাৰিষদ ধনঞ্জয় বসুমতাৰী, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰী, পাৰিষদ উইলছন হাছদা, বিজনী জিলা ইউপিপিএলৰ সভাপতি ফণিন বড়োসহ অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে। ইফালে দুপৰীয়াৰ ভাগত মুছলপুৰ সমষ্টিৰ ইউপিপিএল পাৰিষদ ৰাকেশ ব্ৰহ্মৰ উদ্যোগত গোঁসাইগাঁৱৰ পৰা মাজবাটলৈ ন দিনীয়া কাৰ্যসূচীৰে আৰম্ভ কৰা চলো বিটিচি পাল্টাই চাচা-চাচীৰ বাড়ী যাই কাৰ্যসূচীৰ অংশ হিচাপে আজি বিজনীত দিনযোৰা কাৰ্যসূচী গ্ৰহণ কৰে। হাগ্ৰামা মহিলাৰীয়ে মিছা কথা কৈ মুছলমান সমাজক কৰা প্ৰতাৰণাৰ অভিযোগ তুলি চাচা-চাচীৰ ঘৰে ঘৰে ঘূৰি ফুৰিছে পাৰিষদ ৰাকেশ ব্ৰহ্মই। বিগত বিটিচি নিৰ্বাচনত হাগ্ৰামা মহিলাৰীয়ে মুছলমানক মাটিৰ পট্টা দিম বুলি কৈ প্ৰতাৰণা কৰিছে, মুছলমানক নিৰাপত্তা দিয়াত ব্যৰ্থ হৈছে, এছ আৰক লৈ মুছলমানৰ ওপৰত অত্যাচাৰ কৰিছে বুলি অভিযোগ উত্থাপন কৰি এতিয়া হাগ্ৰামা মহিলাৰীয়ে মুছলমানৰ নামাজী টুপী পিন্ধি মিটিঙত বহিবলৈ সাহস নাই বুলি কয় ৰাকেশ ব্ৰহ্মই।

## 'দ্বিতীয় বাৰ্মুডা ত্ৰিভুজ'ৰ আখ্যা অৰুণাচল প্ৰদেশলৈ

আংলং জিলাত সংঘটিত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমান Sukhoi Su-30MKIৰ দুৰ্ঘটনাই পুনৰবাৰ এই অঞ্চলৰ জটিল ভৌগোলিক পৰিস্থিতি, অস্থিৰ বতৰ আৰু বিমান সুৰক্ষা ব্যৱস্থাৰ দুৰ্বলতাসমূহক চৰ্চালৈ আনিছে। এই দুৰ্ঘটনাত দুজন সাহসী বায়ুসেনা যোদ্ধা—স্কোৱাড্ৰন লিডাৰ অনুজ আৰু ফ্লাইট লেফটেনেণ্ট পুৰভেশ দুৰ্গকাৰে প্ৰাণ হেৰুৱাইছে। যোৰহাটৰ এয়াৰ ফ'ৰ্চ ষ্টেচনৰ পৰা নিশা প্ৰশিক্ষণ উৰণৰ সময়ত বিমানখন কাৰ্বি আংলংৰ পাহাৰীয়া অঞ্চলত দুৰ্ঘটনাগ্ৰস্ত হয়। প্ৰাক্তন গ্ৰুপ কেপ্টেইন পাওৱেই টিভি ভাৰতৰ সৈতে টেলিফোনিক সাক্ষাৎকাৰত গভীৰ শোক প্ৰকাশ কৰি কয় যে এই ঘটনাই বিমান সুৰক্ষাৰ বিষয়টোক গুৰুত্বসহকাৰে পৰ্যালোচনা কৰাৰ প্ৰয়োজনীয়তা স্পষ্ট কৰিছে। তেওঁ উল্লেখ কৰে যে উত্তৰ-পূৰ্বাঞ্চলত এইটো সম্ভৱতঃ তৃতীয়টো চুখয়-৩০ দুৰ্ঘটনা। দুৰ্ঘটনাৰ সঠিক কাৰণ জানিবলৈ ফ্লাইট ডেটা ৰেকৰ্ডাৰ (FDR) আৰু ককপিট ভইচ ৰেকৰ্ডাৰৰ তথ্য বিশ্লেষণৰ অপেক্ষা কৰিব লাগিব। বিশেষকৈ অৰুণাচল প্ৰদেশত বিমান চলাচল অত্যন্ত জটিল হোৱাৰ কাৰণ হিচাপে তেওঁ উল্লেখ কৰে অঞ্চলটোৰ দ্ৰুত সলনি হোৱা বতৰ। এক ঘণ্টাৰ ভিতৰতে ৰ'দ থকা ঠাইত মেঘাচ্ছন্ন বা বৰষুণ আহিব পাৰে। গভীৰ উপত্যকা আৰু গিৰিখাতসমূহত ভুল উপত্যকাত প্ৰৱেশ কৰিলে বিমান ঘূৰাই অনাৰ সুযোগ নাথাকে। অতীতৰ দুৰ্ঘটনাসমূহৰ উদাহৰণ দি পাওৱে কয় যে বিগত বছৰসমূহত উত্তৰ-পূৰ্বাঞ্চলত যুঁজাৰু বিমান, হেলিকপ্টাৰ আৰু পৰিবহণ বিমানৰ বহু দুৰ্ঘটনা ঘটিছে। টাৱাং, বুম-লা আৰু ছেলা পাছ অঞ্চলসমূহত কঠিন ভৌগোলিক পৰিস্থিতিৰ বাবে বিমান চলাচল অধিক বিপদজনক। তেওঁ স্মৰণ কৰে যে ২০১১ চনত অৰুণাচলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দৰ্জী খাণ্ডুৰ মৃত্যু হোৱা হেলিকপ্টাৰ দুৰ্ঘটনাসহ বহু ঘটনা ঘটিছে। আগতে গড়ে বছৰত এখনকৈ বিমান দুৰ্ঘটনা ঘটিছিল আৰু বছৰি ৮-৯জন লোকে প্ৰাণ হেৰুৱাইছিল। তেওঁ বিমানসমূহত Emergency Locator Transmitter (ELT) ব্যৱস্থাৰ অভাৱৰ কথাও উত্থাপন কৰে। এই ব্যৱস্থাই দুৰ্ঘটনাৰ পিছত উপগ্ৰহৰ জৰিয়তে বিমানৰ সঠিক অৱস্থান জনায়। বহু ক্ষেত্ৰত ELT নথকা বা কাৰ্যক্ষম নোহোৱাৰ বাবে উদ্ধাৰ অভিযান বিলম্বিত হয়। এটা হেলিকপ্টাৰ দুৰ্ঘটনাত ELT নথকাৰ বাবে ধ্বংসাৱশেষ বিচাৰি পাবলৈ তিনিদিন লাগিছিল। পাওৱে উত্তৰ-পূৰ্বাঞ্চলত এক বিস্তৃত Aviation Safety Audit সম্পাদনৰ দাবী উত্থাপন কৰি কয় যে বিমানবন্দৰ, হেলিপেড আৰু হেলিপোৰ্টসমূহত Crash-fire tender, এম্বুলেন্স, উদ্ধাৰকাৰী দল আৰু প্ৰশিক্ষিত জনবলৰ উপস্থিতি পৰীক্ষা কৰাৰ প্ৰয়োজন। দিল্লীৰ পৰা দূৰত থকাৰ বাবে এই অঞ্চলৰ সমস্যা প্ৰায়ে উপেক্ষিত হৈ থাকে বুলিও তেওঁ মন্তব্য কৰে। এই অঞ্চলত ২০১০ চনৰ পৰা প্ৰায় ১২টা বিমান দুৰ্ঘটনাত ৭৭জন লোকৰ মৃত্যু হৈছে। যাত্ৰীবাহী হেলিকপ্টাৰ ৩টা, সামৰিক হেলিকপ্টাৰ ৫টা, যুঁজাৰু বিমান ৩টা আৰু পৰিবহণ বিমান ১টাৰ দুৰ্ঘটনা ঘটিছে। এই পৰিসংখ্যাই অঞ্চলটোৰ বিমান সুৰক্ষাৰ দুৰ্বলতাক স্পষ্ট কৰি তুলিছে। তদন্ত অব্যাহত থকা এই ঘটনাই উত্তৰ-পূৰ্বাঞ্চলত বিমান চলাচলৰ ক্ষেত্ৰত উন্নত সুৰক্ষা ব্যৱস্থা আৰু অধিক সতৰ্কতাৰ প্ৰয়োজনীয়তাক আৰু গুৰুত্বসহকাৰে উত্থাপন কৰিছে।

## এতিয়াৰে পৰা ৰাজ্য

অভিযোগ ব্যৱস্থা এতিয়া অসম চৰকাৰৰ প্ৰতিটো বিভাগত উপলব্ধ কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে কোনো মহিলা কৰ্মচাৰীয়ে নিজৰ পৰিচয় ৰাজহুৱা নকৰাকৈ যিকোনো সময়তে যৌন নিৰ্যাতনৰ অভিযোগ দাখিল কৰিব পাৰিব। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰণালয়ৰ অধীনত পৰিচালিত এই SHe-Box পৰ্টেলটো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ মহিলা কৰ্মচাৰীসকলৰ বাবে এক একক উইণ্ড' হিচাপে কাম কৰে। ইয়াৰ জৰিয়তে অভিযোগ দাখিল কৰিলে স্বয়ংক্ৰিয়ভাৱে সংশ্লিষ্ট বিভাগৰ Internal Complaints Committee (ICC)লৈ প্ৰেৰণ কৰা হয় আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত তদন্ত আৰু ব্যৱস্থা গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় নিৰ্দেশনা অনুসৰি প্ৰতিটো বিভাগত এই ব্যৱস্থা থকাটো বাধ্যতামূলক যদিও অসম চৰকাৰৰ বিভাগসমূহত ইয়াৰ পূৰ্বে সম্পূৰ্ণৰূপে উপলব্ধ নাছিল। এই পদক্ষেপৰ অধীনত ৰাজহ বিভাগৰ অতিৰিক্ত সচিব তথা ACS বিষয়া হেমাশ্ৰী হাজৰিকাক SHe-Boxৰ সামগ্ৰিক দায়িত্ব অৰ্পণ কৰা হৈছে। তেওঁক এই উদ্যোগৰ তদাৰকি আৰু সমন্বয়ৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে যাতে ৰাজ্যৰ সকলো চৰকাৰী কাৰ্যালয়ত এই অনলাইন ব্যৱস্থা সঠিকভাৱে কাৰ্যকৰী হয়। SHe-Boxৰ মূল উদ্দেশ্য হৈছে কৰ্মস্থলীত মহিলাসকলক নিৰাপদ পৰিৱেশ প্ৰদান কৰা আৰু যৌন নিৰ্যাতনৰ অভিযোগ দাখিলৰ প্ৰক্ৰিয়াক সহজ আৰু গোপনীয় কৰা। ভুক্তভোগী মহিলাই অনলাইন পৰ্টেলৰ জৰিয়তে অভিযোগ দাখিল কৰিব পাৰে আৰু তেওঁৰ পৰিচয় গোপন ৰখা হয়। এই ব্যৱস্থাই কেন্দ্ৰীয় চৰকাৰৰ Sexual Harassment of Women at Workplace (Prevention, Prohibition and Redressal) Act, 2013ক বলৱৎ কৰাত সহায় কৰিব। অসম চৰকাৰৰ এই সিদ্ধান্তক মহিলা কৰ্মচাৰীসকলৰ অধিকাৰ সুৰক্ষাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি গণ্য কৰা হৈছে। ইয়াৰ ফলত ৰাজ্যৰ বিভিন্ন বিভাগত কৰ্মৰত মহিলাসকলে অধিক আত্মবিশ্বাসেৰে কাম কৰিব পাৰিব আৰু নিৰ্যাতনৰ ক্ষেত্ৰত তৎকালীন ব্যৱস্থা গ্ৰহণৰ সুবিধা লাভ কৰিব। এই উদ্যোগৰ জৰিয়তে অসম চৰকাৰে কেন্দ্ৰীয় নিৰ্দেশনা পালন কৰি মহিলা সৱলীকৰণ আৰু কৰ্মস্থলীৰ নিৰাপত্তাক অগ্ৰাধিকাৰ দিয়াৰ বাৰ্তা প্ৰদান কৰিছে।

## নিৰ্বাচনৰ পূৰ্বে প্ৰতিটো ঘৰুৱা চিলিণ্ডাৰৰ দাম ৬০

টকাকৈ বৃদ্ধি কৰা হৈছে আৰু বাণিজ্যিক চিলিণ্ডাৰৰ (১৯ কেজি) দাম ১১৪.৫০ টকা বাঢ়িছে। ভাৰতীয় তেল নিগমৰ অফিচিয়েল তথ্য অনুসৰি এই নতুন মূল্যবৃদ্ধি ৭ মাৰ্চৰ পৰা সমগ্ৰ দেশতে কাৰ্যকৰী হৈছে। উজ্জ্বলা আঁচনিৰ বাহিৰে সাধাৰণ ঘৰুৱা ব্যৱহাৰকাৰীসকলৰ বাবে ৰাজসাহায্যবিহীন এল পি জি চিলিণ্ডাৰৰ দাম এতিয়া দিল্লীত ৯১৩ টকা হৈছে, যি আগতে ৮৫৩ টকা আছিল। এই বৃদ্ধিৰ ফলত মধ্যবিত্ত আৰু নিম্ন-মধ্যবিত্ত পৰিয়ালৰ দৈনন্দিন ৰোজগাৰী খৰচত যথেষ্ট চাপ পৰিব বুলি আশংকা প্ৰকাশ পাইছে। বিভিন্ন মহানগৰত এই মূল্যবৃদ্ধিৰ প্ৰভাৱ স্পষ্ট হৈ পৰিছে। মুম্বাইত এতিয়া এটা চিলিণ্ডাৰৰ দাম ৯১২.৫০ টকা হৈছে, কলকাতাত ৯৩০ টকা আৰু চেন্নাইত ৯২৮.৫০ টকা হৈছে। ৰাজ্যভেদে স্থানীয় কৰ আৰু ভেটৰ ওপৰত নিৰ্ভৰ কৰি এই মূল্যত সামান্য পাৰ্থক্য দেখা যায়। বাণিজ্যিক খণ্ডতো প্ৰভাৱ পৰিছে। হোটেল, ৰেষ্টুৰেণ্ট আৰু অন্যান্য ব্যৱসায়িক প্ৰতিষ্ঠানত ব্যৱহাৰ হোৱা ১৯ কেজিৰ চিলিণ্ডাৰৰ দাম দিল্লীত এতিয়া ১৮৮৩ টকা হৈছে। এই বৃদ্ধিৰ ফলত খাদ্য প্ৰস্তুতিৰ খৰচ বাঢ়িব আৰু শেষত সাধাৰণ গ্ৰাহকৰ খাদ্যৰ দামতো প্ৰভাৱ পৰিব পাৰে। তেল কোম্পানীসমূহৰ বিষয়াসকলে জনোৱা মতে, পশ্চিম এছিয়াৰ সংঘাতৰ ফলত বিশ্বব্যাপী তেল আৰু গেছৰ মূল্য বৃদ্ধি পোৱাৰ বাবেই এই পদক্ষেপ ল'বলগীয়া হৈছে। তথাপি তেওঁলোকে উল্লেখ কৰিছে যে চুবুৰীয়া দেশসমূহৰ তুলনাত ভাৰতত ৰন্ধন গেছৰ দাম এতিয়াও তুলনামূলকভাৱে কম। উল্লেখ্য যে ২০১৬ চনত উজ্জ্বলা আঁচনি আৰম্ভ হোৱাৰ পিছৰে পৰা প্ৰায় ১০ কোটিৰো অধিক দৰিদ্ৰ পৰিয়ালে বছৰত ১২টা চিলিণ্ডাৰলৈকে প্ৰতিটোত ৩০০ টকা ৰাজসাহায্য লাভ কৰি আহিছে। এই সুবিধাভোগীসকলৰ বাবে দাম বৃদ্ধিৰ প্ৰভাৱ কিছু পৰিমাণে কম হ'ব। এইটোৱেই বিগত এবছৰৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ঘৰুৱা এল পি জিৰ দাম বৃদ্ধি। যোৱা বছৰ এপ্ৰিল মাহত শেষবাৰৰ বাবে ৫০ টকা বাঢ়িছিল। বিশেষজ্ঞসকলৰ মতে মধ্য প্ৰাচ্যৰ যুদ্ধ আৰু ভূ-ৰাজনৈতিক অস্থিৰতাই বিশ্বব্যাপী শক্তিৰ বজাৰক অস্থিৰ কৰি তুলিছে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ ভাৰতীয় পৰিয়ালৰ ৰোজগাৰীত পৰিছে। এই মূল্যবৃদ্ধিয়ে সাধাৰণ মানুহৰ দৈনন্দিন জীৱনত অতিৰিক্ত বোজা যোগ কৰিব বুলি ৰাজনৈতিক আৰু সামাজিক মহলত ব্যাপক চৰ্চা চলিছে।

## আজিও চূড়ান্ত হোৱা

বাৰ্তা দিয়ে। উল্লেখযোগ্য যে এই সংবাদমেলত ৰাইজৰ দলৰ নেতা অখিল গগৈ অনুপস্থিত আছিল। সংবাদমেলত উপস্থিত আছিল কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু লুৰীণজ্যোতি গগৈ, এপিএইচএলচিৰজন ইংতি কাথাৰ আৰু চিপিএমৰ সুপ্ৰকাশ তালুকদাৰ। গৌৰৱ গগৈয়ে সংবাদমেলত কয় যে বৰ্তমানলৈকে ৰাইজৰ দল আৰু চিপিএমৰ সৈতে মিত্ৰতা সন্দৰ্ভত আলোচনা অব্যাহত আছে। তেওঁ কয়, "আজি আমি চাৰিটা দল একেলগে আহিছোঁ আৰু এই ঐক্যবদ্ধ যাত্ৰাৰ আৰম্ভণি কৰিছোঁ। আগন্তুক দিনবোৰত ৰাজ্যৰ বিভিন্ন ঠাইত যৌথ ৰাজহুৱা সভা অনুষ্ঠিত কৰা হ'ব আৰু ৰাইজৰ কাষলৈ গৈ এই সংগ্ৰাম আগবঢ়োৱা হ'ব।" তেওঁ বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি কয় যে ৰাজ্যত বিজেপিয়ে দু-শাসন আৰু কু-শাসন চলাই আহিছে। এই সকলো অভিযোগ ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে বিৰোধী দলসমূহ ঐক্যবদ্ধভাৱে সংগ্ৰাম চলাব। বদৰুদ্দিন আজমল আৰু এ আই ইউ ডি এফৰ প্ৰসংগত গৌৰৱ গগৈয়ে তীব্ৰ মন্তব্য কৰি কয়, "আজমল মুখ্যমন্ত্ৰীৰ বাবে ১০৮ৰ দৰে। মুখ্যমন্ত্ৰী যেতিয়াই বিপদত পৰে তেতিয়াই বদৰুদ্দিন আজমলৰ সহায় লয় আৰু এতিয়া সেই মিত্ৰতাৰ উপহাৰ হিচাপে এ আই ইউ ডি এফক লাভান্বিত কৰা হৈছে।" তেওঁ লগতে কয় যে কংগ্ৰেছে মূল্যবোধৰ ৰাজনীতি কৰিব বিচাৰে, কিন্তু বিজেপিয়ে সুবিধাবাদী ৰাজনীতি কৰে। "শেষত ৰাইজেই সিদ্ধান্ত ল'ব— তেওঁলোকে মূল্যবোধৰ ৰাজনীতিৰ লগত থাকিব বিচাৰে নে সুবিধাবাদী ৰাজনীতিৰ লগত" বুলি গৌৰৱ গগৈয়ে উল্লেখ কৰে। আনহাতে লুৰীণজ্যোতি গগৈয়ে বিজেপিৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ চলাই কয় যে বিজেপি এতিয়ালৈকে এ আই ইউ ডি এফৰ "অক্সিজেন" লৈয়ে জীয়াই আছিল। মুখ্যমন্ত্ৰীয়ে বহুদিন ধৰি এ আই ইউ ডি এফৰ নাম লৈ সাম্প্ৰদায়িক ৰাজনীতি কৰি আহিছে। 'জন আশীৰ্বাদ যাত্ৰা'ক সমালোচনা কৰি লুৰীণজ্যোতি গগৈয়ে কয়, "এইটো জন আশীৰ্বাদ যাত্ৰা নহয়, বৰংজন অভিশাপ যাত্ৰা।" তেওঁ জনজাতীয় লোকসকলৰ মাটি আদানি কৰি উদ্যোগপতিৰ হাতত দিয়াৰ অভিযোগ উত্থাপন কৰে। অজাপৰ সভাপতি গৰাকীয়ে লগতে কয় যে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতি, কেলেংকাৰী আৰু মাটি লুণ্ঠনৰ অভিযোগৰ প্ৰেক্ষাপটত ৰাইজে আশীৰ্বাদ নহয়, অভিশাপহে দিব। সংবাদমেলৰ অন্তত বিৰোধী দলসমূহে জানিবলৈ দিয়ে যে আগন্তুক সময়ত দিন-তাৰিখ নিৰ্ধাৰণ কৰি ৰাজ্যজুৰি যৌথ সভা আয়োজন কৰি বিজেপি চৰকাৰৰ বিৰুদ্ধে ঐক্যবদ্ধ আন্দোলন আগবঢ়োৱা হ'ব। অখিল গগৈৰ অনুপস্থিতিয়ে ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বহুতে এই অনুপস্থিতিক লৈ প্ৰশ্ন উত্থাপন কৰিছে আৰু ইয়াক মিত্ৰতা গঠনৰ প্ৰক্ৰিয়াত এটা প্ৰত্যাহ্বান বুলি অভিহিত কৰিছে। এই যৌথ সংবাদমেল আৰু ঐক্যৰ প্ৰচেষ্টাই আগন্তুক নিৰ্বাচনী ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে।

## আজি T20 বিশ্বকাপৰ

ষ্টেডিয়ামত ইংলেণ্ডৰ বিৰুদ্ধে এক শ্বাসৰুদ্ধকৰ যুদ্ধত জয়লাভ কৰিছে। ভাৰতে প্ৰথমে বেটিং কৰি ২৫৩/৭ ৰান সংগ্ৰহ কৰিছিল। সঞ্জু ছেমছনে ৮৯ ৰানৰ এক দুৰ্দান্ত ইনিংছ খেলি প্লেয়াৰ অফ দ্য মেচ হৈছিল। ঈশান কিষাণে ৩৯ আৰু শিৱম ডুবে ৪৩ ৰান যোগ দিছিল। ইংলেণ্ডে চেষ্টা কৰি ২৪৬/৭লৈকে উঠিছিল যদিও ভাৰতে ৭ ৰানৰ সংকীৰ্ণ জয় লাভ কৰিছে। অন্য ছেমিফাইনেলত নিউজিলেণ্ডে কলকাতাৰ ইডেন গাৰ্ডেনছত দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰিছে। দক্ষিণ আফ্ৰিকাই ১৬৯/৮ ৰান সংগ্ৰহ কৰিছিল যদিও নিউজিলেণ্ডে মাত্ৰ ১২.৫ অভাৰতে ১৭৩/১ কৰি জয় লাভ কৰে। ফিন এলেনে ৩৩ বলতে শতক অৰ্জন কৰি T20 বিশ্বকাপৰ ইতিহাসত নতুন অভিলেখ স্থাপন কৰে। ভাৰতৰ বেটিং বিভাগ বৰ্তমান অতি সুন্দৰ ফৰ্মত আছে। সঞ্জু ছেমছনে অ-ঘোষিত কোৱাৰ্টাৰ ফাইনেল আৰু ছেমিফাইনেলত প্লেয়াৰ অফ দ্য মেচ হৈ প্ৰবল আত্মবিশ্বাস লাভ কৰিছে। ঈশান কিষাণ, শিৱম ডুবে, হাৰ্ডিক পাণ্ডিয়া আৰু তিলক বাৰ্মাই দলক প্ৰয়োজনীয় সহায় দিছে। কিন্তু অধিনায়ক সূৰ্যকুমাৰ যাদৱ আৰু অভিষেক শৰ্মাৰ ফৰ্মে কিছু চিন্তাৰ সৃষ্টি কৰিছে। বিশ্বকাপৰ আৰম্ভণিতে বলিংত ত্ৰাস সৃষ্টি কৰা অভিষেক বিশ্বকাপত ক্ৰমাগতভাৱে ব্যৰ্থ হৈছে। যদিও ভাৰতে ছেমিফাইনেলত ২৫৩ ৰান সংগ্ৰহ কৰিছিল, তথাপি বলিং বিভাগৰ দুৰ্বলতাই চিন্তা বঢ়াইছে। যশপ্ৰীত বুমৰাহৰ বাদে আন কোনো বলাৰেই নিজৰ সৰ্বোত্তম ফৰ্মত নাই। ICC T20 ৰেংকিঙৰ শীৰ্ষ বলাৰ বৰুণ চক্ৰৱৰ্তীয়ে ছন্দ হেৰুৱাইছে। ষষ্ঠ বলাৰ হিচাপে থকা শিৱম ডুবেও নিয়ন্ত্ৰিত বলিং কৰিব পৰা নাই। নিউজিলেণ্ডৰ বেটিং আৰু বলিং দুয়োটা বিভাগেই বৰ্তমান সুন্দৰ ফৰ্মত আছে। ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তেওঁলোকে আত্মবিশ্বাস পুনৰুদ্ধাৰ কৰিছে। ফিন এলেনৰ বিস্ফোৰক বেটিঙে দলক শক্তিশালী কৰিছে আৰু সমগ্ৰ দলটোৱে ভাল ফৰ্ম দেখুৱাইছে। এই ফাইনেলত ভাৰতৰ ঘৰুৱা মাটিত খেলাৰ সুবিধা থাকিলেও নিউজিলেণ্ডৰ বৰ্তমানৰ ফৰ্মে ইয়াক এক প্ৰত্যাহ্বানমূলক মেচ কৰি তুলিছে। কোটি কোটি অনুৰাগীৰ চকু এতিয়া আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামৰ ফাইনেলৰ দিশে নিবদ্ধ হৈ আছে। টীম ইণ্ডিয়াই বিশ্বজয়ৰ লক্ষ্যৰে নামিব আৰু ইতিহাস সৃষ্টি কৰিব নেকি, সেয়া কালিৰ যুদ্ধতেই স্পষ্ট হ'ব।

## নৱম আৰু দশম শ্ৰেণীৰ

উল্লেখযোগ্য সংশোধন আৰু সংযোজন ঘটাইছে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (ASSEB, Division-I)। গণিত, সমাজ বিজ্ঞান, উচ্চ গণিতকে ধৰি বিভিন্ন বিষয়ৰ পাঠ্যপুথিত এই সাল-সলনি কৰা হৈছে আৰু নৱম শ্ৰেণীৰ সংস্কৃত (ইচ্ছামূলক) বিষয়ৰ পাঠ্যপুথি সম্পূৰ্ণৰূপে সলনি কৰা হৈছে। পৰিষদে বৃহস্পতিবাৰে (৫ মাৰ্চ, ২০২৬) এই সন্দৰ্ভত এক অফিচিয়েল নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি সংশোধিত বিষয়সমূহৰ ভিতৰত আছে— নৱম শ্ৰেণীৰ গণিত, দশম শ্ৰেণীৰ গণিত, দশম শ্ৰেণীৰ কাৰ্বি মাধ্যমিক ভাষা (MIL), দশম শ্ৰেণীৰ গাৰো MIL, নৱম-দশম শ্ৰেণীৰ দ্ৰুতপাঠ 'বৈচিত্ৰ্যময় অসম', নৱম আৰু দশম শ্ৰেণীৰ সমাজ বিজ্ঞান (তৃতীয় অংশ), নৱম শ্ৰেণীৰ উচ্চ গণিত আৰু নৱম শ্ৰেণীত নতুনকৈ প্ৰৱৰ্তন কৰা ডিমাচা (ইচ্ছামূলক) বিষয়। এই সকলো বিষয়ৰ পুৰণি পাঠ্যপুথি (যিবোৰ যোৱা বছৰ ছপা হৈছিল) ২০২৬-২০২৭ শৈক্ষিক বৰ্ষৰ পৰা একেবাৰে ব্যৱহাৰ নকৰিবলৈ পৰিষদে স্পষ্ট নিৰ্দেশ দিছে। সংশোধিত আৰু নতুন পাঠ্যপুথিসমূহ নিৰ্ধাৰিত সময়ত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অফিচিয়েল ৱেবছাইটত উপলব্ধ কৰা হ'ব বুলি জানিবলৈ দিয়া হৈছে। এই পদক্ষেপৰ জৰিয়তে পৰিষদে শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক অধিক আধুনিক আৰু প্ৰাসংগিক পাঠ্যক্ৰম প্ৰদান কৰাৰ লক্ষ্য লৈছে। বিশেষকৈ নতুন ডিমাচা (ইচ্ছামূলক) বিষয়ৰ প্ৰৱৰ্তনে ৰাজ্যৰ ভাষিক বৈচিত্ৰ্যক আৰু সমৃদ্ধ কৰিব বুলি আশা কৰা হৈছে। বিদ্যালয়সমূহ আৰু অভিভাৱকসকলক পৰামৰ্শ দিয়া হৈছে যে পৰিষদৰ ৱেবছাইট নিয়মীয়াকৈ পৰীক্ষা কৰি থাকক আৰু নতুন পাঠ্যপুথিৰ ব্যৱস্থা সময়মতে কৰক যাতে শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে কোনো অসুবিধা নহয়।

## ছৈখোৱাত আছুৰ উদ্যোগত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালা

**অসম বাৰ্তা, ছৈখোৱা, ৬ মাৰ্চ ঃ** সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অহা ২২ মাৰ্চৰ পৰা ২৮ মাৰ্চলৈ বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা অনুষ্ঠিত হ'ব। বিহুনাচৰ মূল প্ৰশিক্ষক হিচাপে লতাশীল বিহুৰাণী, লতাশীল বিহুকুৰৱী, প্ৰতিদিন শ্ৰেষ্ঠ বিহুৱতী আৰু ৰং বসন্ত ৰাণী তৃতীয় হিচাপে খ্যাত প্ৰীতিৰাণী বৰগোহাঁই উপস্থিত থাকিব। লগতে বিহুৱা হিচাপে ক্ৰমে ৰিপুল সোণোৱাল, নবীন কছাৰী, উমেশ শইকীয়া আৰু দেৱজিত গগৈ উপস্থিত থাকিব বুলি ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰা আৰু সম্পাদক অভিনন্দন কলিতাই জানিবলৈ দিছে।

# সমাজ সংগঠনত নাৰীৰ ভূমিকা

নাৰীসকল বৰপেৰাৰ জপা কাপোৰৰ সদৃশ আছিল। পুৰুষ প্ৰধান সমাজত নাৰীয়ে মন কৰিলেই সকলো কাম কৰিবৰ নোৱাৰিছিল। নাৰীক একালত পৰিয়াল-পৰিৱেশৰ আবেষ্টনি ভেদ কৰি বহিঃ জগতৰ স'তে সততে সম্পৰ্ক ৰক্ষা কৰি চলা-ফুৰা কৰিবলৈ, আনকি উচ্চ শিক্ষা লাভ কৰিবলৈও যাবলৈ দিয়া হোৱা নাছিল। সকলো সময়তে নাৰীয়ে পুৰণি ৰক্ষণশীল পৰম্পৰাকে সাৱটি পুৰুষৰ অনুশাসন আৰু সামাজিক বান্ধোনৰ মাজতে আৱদ্ধ হৈ কাল যাপন কৰিবলগীয়া হৈছিল। নাৰীৰ জন্মগত অসাধাৰণ প্ৰতিভা, অফুৰন্ত সুপ্ত সম্ভাৱনা থাকিলেও এনে ৰক্ষণশীলতাৰ চেপাত পৰি বিকাশ বা প্ৰকাশৰ বাবে কোনো ধৰণৰ সা-সুবিধা বা অনুকূল বাতাবৰণ পোৱা নাছিল। শৈশৱ, কৈশোৰৰ সমস্ত আৱেগ-অনুভূতি এদিন সাংসাৰিক কঠোৰ নীতি-নিয়মৰ মাজতে প্ৰায় অন্তৰ্হিত হৈছিল।

কিন্তু আজি আৰু পূৰ্বৰ সেই আওপুৰণি এলান্ধুকলীয়া দিনবোৰৰ ওৰ পৰিল। অতীজৰেপৰা নাৰীৰ মাথোঁন মনৰ ভিতৰতে উতলি থকা, গুজৰি-গুমৰি থকা পুঞ্জীভূত ভাবনাবোৰ, সঞ্চিত আকাংক্ষাবোৰ এই শতিকাত বিস্ফোৰিত হৈ বন্দীশালৰ বেহু ভেদি মুকলি মঞ্চলৈ ওলাই আহি নাৰীয়ে এতিয়া নিজৰ প্ৰতিভা, মনীষা, জ্ঞান বিকাশৰ বাবে প্ৰতিযোগিতাৰ মুকলি ক্ষেত্ৰলৈ নামি সাফল্যৰ ৰ'দ কাঁচলিত গা-টোকালিব পৰা হ'ল। আজিৰ নাৰী মাথোঁন বৰ ঘৰৰ বৰ-বোৱাৰীয়েই নহয়, আজিৰ নাৰী একোখন দেশৰ কাণ্ডাৰী, একোখন ৰাষ্ট্ৰৰো গুৰিয়াল। গতিকে সাম্প্ৰতিক সমাজত কেতবোৰ মাথোঁন শাৰীৰিক কাম-কৰ্মৰ বাহিৰে মানসিক, বৌদ্ধিক, আধ্যাত্মিক আৰু ব্যৱহাৰিক আদি সমস্ত দিশতে চিন্তা-চৰ্চা, ভাৱ-অনুভূতি, কৰ্ম পদ্ধতি ক'তোৱেই নাৰী পুৰুষৰ মাজত ভিন্নতা আনিব পৰা নাযায়। কুৰি শতিকাৰ এই বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুক্তি নিৰ্ভৰ প্ৰতিযোগিতাময় যুগত পুৰুষ-মহিলাৰ বাবে কোনো মাৰ্কা মৰা কৰ্মসূচীৰ বিধি-বিধান নথকা হ'ল। নিজৰ নিজৰ ৰুচি-অভীৰুচি, অনুৰাগ-বিৰাগ অনুসৰি পুৰুষে নাৰীৰ, নাৰীয়ে পুৰুষৰ অৰ্থাৎ উভয়ে উভয়ৰ কাম-বন সময় সুবিধা বা সুৰুঙা বুজি কৰি যাব পাৰে, পাৰস্পৰিক বুজা-পৰাৰ মাধ্যমেৰে সময়সূচীৰ গুৰুত্ব উপলব্ধিৰে সামগ্ৰিক উন্নয়নৰ হকে সেৱা আগবঢ়াই যোৱাত কাৰো ক'তো ওজৰ-আপত্তিবা মান-অভিমানৰ কথা আহি নপৰে। পুৰুষ-নাৰী উভয়ে সমভাৱে একেলগে উচ্চ শিক্ষা লাভ কৰিব পৰা অধিকাৰ পোৱাৰ ফলতেই সম্প্ৰতি আমাৰ সমাজৰ নাৰী-পুৰুষৰ মাজৰ বিভেদ-বিভাজনবোৰ লাহে লাহে অৱসান ঘটি আহিবলৈ ধৰিছে, কোমলাঙ্গী নাৰীয়েও আপোন ইচ্ছা অভিলাষৰ পূৰ্ণতা প্ৰাপ্তিৰ বাবে নিতৌ ন-ন দুঃসাহসিক কাৰ্য সম্পন্ন কৰিবলৈও সক্ষম হৈছে।

প্ৰতিটো পৰিয়ালকেই আখ্যা দিব পাৰি একো একোখন সৰু সৰু সমাজ। বহু পৰিয়াল, প্ৰতিবেশী, চুবুৰী, গাঁৱৰ সমষ্টিয়েই একো একোখন বহল সমাজ। পৰিয়ালৰ প্ৰথম পৰিচালিকা যিহেতু এগৰাকী মাতৃ বা নাৰী, গতিকে নাৰীৰ গাত দয়া, দাক্ষিণ্য, মৰম-প্ৰীতি, আন্তৰিকতা, সহনশীলতা, পাৰস্পৰিক বুজা-পৰা, সহযোগিতা তথা সহৃদয়তাৰ দৰে সজ গুণবোৰ সততে থকা বাঞ্ছনীয়। পৰিয়াল পৰিপাটিকৈ পৰিচালনা কৰিব পৰা উপৰোক্ত গুণৰাজি বা দক্ষতা আহৰণ কৰিবলৈ যত্ন কৰা দৰকাৰ। কিয়নো এটা কথা প্ৰণিধানযোগ্য যে, মাতৃসুলভ আচাৰ-আচৰণেৰে সমাজৰ নানান প্ৰকাৰৰ দুখ-দুৰ্গতি, অসূয়া-অপ্ৰীতি বা দুষ্কৃতিমূলক কাজ-কৰ্মবোৰৰ অৱসান ঘটাব পাৰি। এইখিনি নিকা আন্তৰিকতাৰে নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে সম্পাদন কৰি পৰিয়াল বা নিজ নিজ সমাজৰ কালিমা মোচন কৰাত অগ্ৰণী ভূমিকা পালন কৰাটো প্ৰতিগৰাকী নাৰীৰে মৌলিক আৰু নৈতিক কৰ্তব্য। কাৰণ, সমাজত সহজ প্ৰচলিত এষাৰ কথা সততে মনত ৰখা প্ৰয়োজন- "জুইৰ শালত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি।" আজিৰ নাৰীয়ে সমাজ সংস্কাৰ বা প্ৰগতিৰ সমস্ত দিশতে প্ৰত্যক্ষভাৱে অংশীদাৰ হোৱাৰ অধিকাৰ লাভ কৰিছে। কাজেই পোনতে সমাজ বা দেশসেৱাৰ প্ৰাথমিক জ্ঞান-অভিজ্ঞতাবোৰ ব্যৱহাৰিকতাৰে নিজৰ পৰিয়াল পৰিৱেশতে অনুশীলন কৰি লাহেকৈ সামাজিক ক্ষেত্ৰলৈ আগুৱাই যোৱা ভাল। তেতিয়াহ'লে বহল পৰিসৰৰ কাৰ্যপ্ৰণালীত বিশেষ আউল লগাৰ সম্ভাৱনা নাথাকে।

বহুজন, বহুমন আৰু বহুধৰণৰ জ্ঞান-অভিজ্ঞতা বা চিন্তা-পৰিকল্পনাৰ সমষ্টি আৰু সমন্বয়েই যিহেতু এখন সমাজ। সেই গতিকে সমাজ সংগঠনৰ দৃঢ় ভেঁটি প্ৰতিষ্ঠা কৰিবৰ বেলিকা বহু মতৰ সমাৱেশ ঘটাই অতি পৰিকল্পিত আৰু বিজ্ঞানসন্মত ভাৱে চিন্তাপ্ৰসূত এক ঐকমত্যত উপনীত হৈ সমাজ প্ৰগতিৰ পথ পোহৰাবলৈ যত্ন কৰা হয়। প্ৰতিটো কামতেই ঐকমত্য, সংহতি-সমন্বয়ৰ ওপৰত গুৰুত্ব দিয়া হয়। সেই হেতুকে সমাজ জীৱনৰ সকলো দিশ খৰচি মাৰি অধ্যয়ন কৰাৰ প্ৰয়োজন আহি পৰে। সমাজ এখনৰ শ্ৰীবৃদ্ধি, সমাজৰ উন্নতি-অৱনতি, স্থিতি-অৱস্থিতি বা প্ৰগতি-পৰম্পৰা আদি ভালেকেইটা দিশৰ ওপৰত নিৰ্ভৰ কৰে। আৰ্থিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, আধ্যাত্মিক, বৌদ্ধিক আৰু নৈতিক গাঁথনি বলিষ্ঠ তথা বিস্তৃত পৰিসৰৰ নহ'লে সমাজ এখনৰ আভ্যন্তৰীণ দিশৰ সফলতা বা উন্নত অৱস্থাৰ কথা কাহানিও ভাৱিব নোৱাৰি, আশা কৰিব পৰা নাযায়।

সমাজ সংগঠনৰ প্ৰথম পদক্ষেপতেই আহি পৰে মানুহৰ সাংস্কৃতিক হৃদয়াবেগৰ কথা। সাংস্কৃতিক সৌন্দৰ্যই মানুহৰ চিত্ত নিৰ্মল কৰি মনৰ পৰিধি বিশাল কৰি তোলে। সাধাৰণ অৰ্থত পৰিলক্ষিত হোৱা শ্ৰেণী বৈষম্যৰ ব্যৱধান আঁতৰাই সাংস্কৃতিক উদাৰতাৰ সেতু নিৰ্মাণ কৰি মানুহক মহানুভৱ কৰাত সহায় কৰে সাংস্কৃতিক বিকাশ আৰু আদান-প্ৰদানে। সেই হেতুকে সমাজ গঠনৰ প্ৰাথমিক স্তৰতে নাৰীয়ে সাংস্কৃতিক সৌন্দৰ্যৰ সমাহাৰ ঘটোৱাৰ কথা ভাৱিব লাগিব আৰু প্ৰতি খোজতে নিজে সংস্কৃত হ'ব লাগিব।

সামাজিক অনুভূতি হৈছে সমাজ গঠনৰ দ্বিতীয় প্ৰধান এটি দিশ। মানুহ যিহেতু সামাজিক প্ৰাণী, সমাজৰ হিতানতেই যে মানুহৰ সহ-অৱস্থান, সেই হেতুকে মানুহৰ সমাজক অন্তঃকৰণেৰে ভাল পোৱা প্ৰৱণতা অত্যন্ত দৃঢ় হ'ব লাগিব। সমাজক মানুহে নিজৰ দেহৰ তেজ-মঙহৰ অভিন্নতা হেন ভাবি সমাজ সেৱা কাৰ্যত ব্ৰতী হ'ব পাৰিব লাগিব। সমাজৰ হকে সেৱা কৰা কাৰ্যক মাথোঁন আধুনিক আভিজাত্যতাৰ শাৰীত নধৰি আপোন সমাজখনৰ সৰ্বমঙ্গলৰ বাবে ৰক্ষণাবেক্ষণ দিয়াটো মানুহৰ নৈতিক কৰ্তব্য বা দায়িত্ব বুলি ভবা উচিত। সমাজ গঠন আৰু সমাজ সংস্কাৰ আদিত নাৰীৰ ভূমিকাও এনে অন্তৰাৱেগিক হোৱা উচিত।

ইয়াৰ পিছতেই অতি সতৰ্কতাৰে মন কৰিবলগীয়া দিশটো হৈছে সাম্প্ৰতিক সমাজৰ ৰাজনৈতিক ৰেহ-ৰূপ। আজিৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ শাসন ব্যৱস্থাত এই ৰাজনৈতিক অস্থিৰ অৱস্থাৰ চাকনৈয়াই নাগৰিকক পদে পদে জুলুকি জুলিকিকৈ শিকাইছে। সমাজ বা দেশৰ ৰাজনৈতিক প্ৰেক্ষাপটত আজিৰ জনগণে দিক্-বিদিক্ হেৰুৱাই হাবু-ডাবু খাই মৰিব লগা অৱস্থা হৈছে। গণতন্ত্ৰত সকলোৰে সম-অধিকাৰ এই সুবিধা লৈয়ে ৰাজনৈতিক মতামত সাব্যস্ত কৰি আপোন প্ৰত্যয়ক আগ স্থান দি ক্ষমতাৰ ৰাজদণ্ড ধৰিবলৈ চৌদিশে হেতা-ওপৰা লাগিছে। অধিকাৰ আছে বুলিয়েই দেশত আজি বহু দলীয় ৰাজনৈতিক দল উদ্ভৱ হৈ ৰাজধানী তল-ওপৰ কৰি জনগণৰ মাজলৈ মহাপ্ৰলয় মাতি আনিছে। নাৰীয়েও আনকি দলীয় পদাধিকাৰীৰ ভূমিকা লৈছে। নাৰীয়েও সম্প্ৰতি যিহেতুকে গণতন্ত্ৰৰ দায়-দায়িত্ব বুজি উঠিছে, জননেতাসকলৰ চিন্তা-চেতনা, কাৰ্য-পৰম্পৰা আদিৰ ওপৰত নাগৰিকৰ আশা-আকাংক্ষা, ভূত-ভৱিষ্যত আদি নিৰ্ভৰ কৰিছে, গতিকে ৰাজ্যৰ নেতা-মহানেতাসকলৰ লগতে নাৰী সমাজৰ প্ৰত্যয় আৰু ভূমিকাও সদায় দূৰদৃষ্টিসম্পন্ন তথা নাগৰিকৰ মঙ্গলদায়ক হ'ব লাগে, সামগ্ৰিক বিকাশৰ অনুগত হ'ব লাগে নাৰীৰ ভাৱধাৰা।

আন এটা প্ৰধান আৰু সৰ্বজনগ্ৰাহ্য দিশ হৈছে, সমাজৰ প্ৰতিজন সদস্যৰে নৈতিক আৰু বৌদ্ধিক বিকাশ। শিক্ষা-জ্ঞান, অভিজ্ঞতা আৰু যথোচিত সময় উপযোগী কাৰ্য-প্ৰণালীত ইয়াৰ ৰূপায়ণ আৰু ব্যৱহাৰিক জীৱনত যথাৰ্থ প্ৰতিফলন প্ৰক্ৰিয়াত দৃঢ়তাৰে মনোনিৱেশ কৰাটো অতি প্ৰয়োজনীয় কথা। বৌদ্ধিক বিকাশে সাধাৰণতে মানুহক আন্ধাৰ আবেষ্টনিৰপৰা আলোক সন্ধানী কৰি তোলে। এইখিনিতে আহি পৰে নৈতিক জ্ঞান-বিবেচনাৰ আচল ছবিখন যাৰ ব্যতিৰেকে এখন সমাজৰ উন্নতি অৰ্থহীন। শিক্ষা-জ্ঞান-অভিজ্ঞতাৰে সমৃদ্ধ বৌদ্ধিক বিজ্ঞানভিত্তিক সমাজ এখনক যাতে কোনোধৰণৰ নৈতিক অৱক্ষয়ে স্খলিত কৰিব নোৱাৰে নাৰী সমাজেও এনেবোৰ দিশতে দৃষ্টি আৰোপ কৰাটো অতি বেছি প্ৰয়োজনীয় কথা। এইটোৱেই আজি আমাৰ সমাজৰ অত্যন্ত বিতৰ্কিত আৰু আলোচিত বিষয় হৈ পৰিছে, যাৰবাবে সমাজত দুৰ্নীতি, দুষ্কৃতি, অসূয়া-অপ্ৰীতি আদিৰ গজালিবোৰে সাংস্কৃতিক বিশাল ক্ষেত্ৰখন এফালৰপৰা ছানি ধৰিছে। এইক্ষেত্ৰত অৱশ্যে নাৰী সমাজ সতৰ্ক হ'লে সমাজত উদ্ভৱ হোৱা এনে বহু ব্যাধিৰ অৱসান ঘটিব পাৰে।

এখন সুস্থ সমাজ গঠনৰ আন এটি মহৎ অনুপান হৈছে সমাজৰ সজ আৰু শুদ্ধ পথৰ আৰিয়াস্বৰূপ সু-শৃংখলিত আধ্যাত্মিক চিন্তা-চৰ্চা-পৰম্পৰা আদি। আধ্যাত্মিক ভাবাদৰ্শ হৈছে মানুহৰ মানৱতাৰ উৰ্দ্ধত প্ৰয়োজন হোৱা সকলো প্ৰকাৰৰ শিষ্ট সমাহিত ওখ ভাৱ-চিন্তা আৰু কৰ্ম-পদ্ধতিৰ এক সু-উচ্চ তথা স্থিতপ্ৰজ্ঞ স্তৰ বা অৱস্থা। মানৱ মনত সততে আধ্যাত্মিক অন্তৰানুভূতিৰ উন্মেষ ঘটিলে আন সকলো প্ৰকাৰৰ বদ-অভ্যাস বা অশিষ্ট আচৰণ বিধিৰ অৱসান ঘটে। মনৰ মলিনতা, সমস্ত কলুষতা নিমজ্জিত হৈ মানৱ সমাজ নিৰঙ্কুশ প্ৰকৃতি ৰাজ্যলৈ পৰ্যবসিত হয়। আনহাতেদি নাৰী যিহেতু দয়াশীলা, সহনশীলা আৰু দেৱীস্বৰূপা মাতৃ। মনুষ্য হৃদয়ত আৱিৰ্ভূত সকলো প্ৰকাৰ ৰিপু দমনৰ ঘাই চালিকা শক্তি হৈছে নাৰী। গতিকে নাৰী সততে উৎসাহী, দূৰদৰ্শী, সংযমী, প্ৰেৰণাময়ী আৰু চিৰ-আৰাধ্যা হ'লে সমাজ জীৱনৰ বহু জড়তা আৰু কু-সংস্কাৰ আঁতৰ হ'ব নিশ্চয়।

অন্য এক প্ৰয়োজনীয় আৰু অতি উল্লেখনীয় দিশ হৈছে সমাজ জীৱনৰ অৰ্থনৈতিক অৱস্থা। সহজ ভাষাৰে পোনপটীয়াকৈ ক'ব পাৰি যে অৰ্থৰ বিনে আৰু সমাজৰ কোনো দিশতে উন্নতি নাই। সমাজৰ অৰ্থনৈতিক অৱস্থা সূচল আৰু সুস্থিৰ নহ'লে ওপৰত আলোচিত কোনো এটি দিশতে সফলতাৰে আগুৱাব পৰা নাযায়। আজিৰ নাৰীয়ে সমাজত নিজৰ অধিকাৰ সাব্যস্ত কৰি কৰ্ম-সংস্কৃতিৰ এক বিশাল অনুশীলনী মঞ্চ গঢ়িবলৈ যত্নপৰ হ'ব লাগিব। উচ্চ শিক্ষাৰ জ্ঞান-বুদ্ধি কামত লগাই মাথোঁন চৰকাৰী নিযুক্তিলৈ বাট নাচাই সমাজ তথা দেশৰ প্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখি ভিন্ন-ভিন্ কৰ্ম-আঁচনিৰে স্ব-নিয়োজনৰ দিহা কৰিব লাগিব। উত্তৰ পুৰুষৰ প্ৰগতি পথৰ পথ চিকুণাই সু-পথৰ সন্ধান দিয়াৰ বাবে কৰ্মক্ষেত্ৰত অগ্ৰসৰ হ'ব লাগিব। মাথোঁন পুৰুষৰ আৰ্জনলৈকে আশা নকৰি নাৰীয়ে নিজৰ শক্তি সামৰ্থ, বুদ্ধি-বৃত্তি খটুৱাই কামৰ চানেকিৰে জগত জিনিবলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহে 'কৰ্মই আমাৰ ধৰ্ম' তত্ত্বৰ আচল মৰ্ম উপলব্ধি কৰাত সহজ হ'ব, আৰ্থিক অৱস্থা সচ্ছল হ'ব।

এটা কথা প্ৰণিধানযোগ্য যে, পুৰুষেই হওক বা মহিলাই হওক আজিৰ সমাজত মুখৰ কথা আৰু হাতৰ কামৰ মাজত এক আকাশ-পাতাল প্ৰভেদ পৰিলক্ষিত হৈছে, যিয়ে সাম্প্ৰতিক সমাজবোৰ যেন এফালৰপৰা পঙ্কিলতাময় কৰি তুলিছে। এয়া নাৰী সমাজৰ এক দৃঢ় প্ৰত্যাহ্বান হোৱা উচিত, পুৰুষ প্ৰধান সমাজৰ যিবোৰ দিশৰ দোষ-দুৰ্বলতাৰ বাবে আজিৰ সমাজ পঙ্গু প্ৰায় হৈ আহিছে ইয়াৰ আচল ব্যাধি চিনাক্ত কৰি যেন প্ৰতিষেধকৰ সু-ব্যৱস্থা হাতত লৈ বিপথগামী সমাজৰ সংস্কাৰ সাধন কৰিব পৰা যায়। এয়া সংস্কাৰমুখী নাৰী সমাজৰ লক্ষ্য হোৱা উচিত, পণ হোৱা উচিত।

সামৰণিত ক'ব পাৰি যে নাৰী যিহেতুকে সমাজ জীৱনৰ, সৃষ্টি পৰম্পৰাৰ অৰ্ধাংগিনী নাৰীয়ে সমস্ত অধিকাৰ শিৰোধাৰ্য কৰি সম্পন্ন কৰিব নোৱৰা একো কামেই নাই। আজিৰ সমাজত সৃষ্ট নানা তৰহৰ নাৰী সমাজ, মহিলা স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে আলোচিত সমস্ত দিশৰ ওপৰত একান্ত দৃঢ়তা, একাগ্ৰতা, আন্তৰিকতা আৰু সূক্ষ্ম পৰ্যবেক্ষণেৰে সমাজ সংগঠন আৰু সংস্কাৰৰ দিশত কৰ্মমুখী ভূমিকা ল'লে আমাৰ সমাজৰ প্ৰগতি, সংহতি আৰু উন্নতি অনিৰ্বাৰ্য।

# নাৰী দিৱসৰ প্ৰাসংগিকতা

## সবলীকৰণৰ পৰা সামাজিক ন্যায়লৈ

নলিনী ৰঞ্জন ভূঞা




সমাজৰ অগ্ৰগতি, সংস্কৃতি, অৰ্থনীতি ৰাজনীতি আদি সকলো ক্ষেত্ৰতেই মহিলাসকলৰ অৱদান অমূল্য। তৎসত্ত্বেও ইতিহাসৰ বিভিন্ন সময়ত তেওঁলোক বৈষম্য, অৱহেলা আৰু অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। এই অসমতা দূৰ কৰি সমান অধিকাৰ আৰু মৰ্যাদা প্ৰতিষ্ঠাৰ লক্ষ্যৰে বিংশ শতিকাৰ প্ৰথম ভাগতেই সমগ্ৰ বিশ্বত এক বৃহৎ সামাজিক আন্দোলনে গা কৰি উঠিছিল। এই আন্দোলনৰ ফলস্বৰূপেই প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখে সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰি অহা হৈছে। নাৰী দিৱসৰ মূল উদ্দেশ্য হৈছে প্ৰতিগৰাকী নাৰীক সামাজিকভাৱে সম-মৰ্যাদা, সম-অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু সবলীকৰণৰ জৰিয়তে সমাজত তেওঁলোকৰ স্থান উন্নীত কৰাৰ লগতে এক ইতিবাচক সামাজিক পৰিৱৰ্তন অনা। নাৰী শিক্ষাৰ অবিহনে সমাজৰ প্ৰকৃত উন্নতি কেতিয়াও সম্ভৱ নহয়। সেই বাবেই নেপোলিয়নে কৈছিল— 'মোক এগৰাকী শিক্ষিত মাতৃ দিয়া, মই তোমালোকক এটা উন্নত জাতি দিম।' সুদীৰ্ঘ পথ অতিক্ৰম কৰি এই বৰ্ষৰ ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱসে ১১৫ বছৰত ভৰি দিলে।

আন্তৰ্জাতিক নাৰী দিৱসৰ ইতিহাস বিংশ শতিকাৰ আৰম্ভণিতে উদ্ভৱ হোৱা শ্ৰমিক আন্দোলনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে। সেই সময়ত উদ্যোগ খণ্ডত কাম কৰা মহিলাসকলে পুৰুষৰ তুলনাত কম মজুৰি লাভ কৰিছিল আৰু অত্যন্ত কঠিন পৰিৱেশত শ্ৰমদান কৰিবলগীয়া হৈছিল। এনেদৰে শোষিত হৈ অহা নাৰীসকলে আচলতে ওঁঠৰ শতিকাতেই ফ্ৰান্সত নিজৰ অধিকাৰ আৰু শ্ৰমৰ সম-মজুৰিৰ বাবে দাবী উত্থাপন কৰিছিল। পৰৱৰ্তী সময়ত ১৮৫৭ চনত নিউয়ৰ্ক চহৰৰ বস্ত্ৰ শিল্পৰ মহিলা শ্ৰমিকসকলে মজুৰি বৃদ্ধি আৰু লিংগ বৈষম্যৰ বিৰুদ্ধে ধৰ্মঘট কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। একেদৰে ১৯০৫ চনত ৰাছিয়াত জাৰ নিকোলাচৰ শাসনৰ বিৰুদ্ধেও মহিলাসকলে বিদ্ৰোহ ঘোষণা কৰিছিল। ১৯০৮ চনত আমেৰিকাৰ নিউয়ৰ্ক চহৰত প্ৰায় ১৫, ০০০ মহিলা ৰাস্তালৈ ওলাই আহি কামৰ সময় হ্ৰাস, ন্যায্য মজুৰি আৰু ভোটাধিকাৰৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই আন্দোলনে মহিলাসকলৰ অধিকাৰৰ দাবীক বিশ্বব্যাপী আলোচনাৰ কেন্দ্ৰবিন্দু কৰি তোলে।

এই নাৰী সমাবেশৰ পাছতেই জাৰ্মানৰ সমাজতান্ত্ৰিক নেত্ৰী তথা ৰাজনীতিবিদ ক্লাৰা জেটকিনৰ নেতৃত্বত সৰ্বপ্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত হয়। ইয়াৰ পাছত ১৯১০ চনত ডেনমাৰ্কৰ কপেনহেগেনত অনুষ্ঠিত দ্বিতীয় আন্তৰ্জাতিক নাৰী সন্মিলনত ১৭খন দেশৰ প্ৰায় এশগৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে আৰু তাতেই ক্লাৰা জেটকিনে প্ৰতি বছৰে ৮ মাৰ্চক আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱক বহু দেশৰ প্ৰতিনিধিয়ে সমৰ্থন কৰে। এই প্ৰস্তাৱৰ ফলশ্ৰুতিতেই ১৯১১ চনৰ পৰা নাৰীৰ সম-অধিকাৰ দিৱস হিচাপে এই দিনটো পালন কৰিবলৈ বিশ্বৰ সমাজতান্ত্ৰিক সকল আগবাঢ়ি আহে। এনেদৰে আন্তৰ্জাতিক নাৰী দিৱসৰ সূচনা হয়। ১৯১৪ চনৰ পৰা কেইবাখনো দেশত ৮ মাৰ্চৰ দিনা নাৰী দিৱস উদযাপন আৰম্ভ হয় আৰু অৱশেষত ১৯৭৫ চনত ৰাষ্ট্ৰসংঘই এই দিনটোক আন্তৰ্জাতিক নাৰী দিৱস হিচাপে স্বীকৃতি প্ৰদান কৰে।

সাধাৰণতে নাৰী দিৱস উদযাপনৰ দ্বাৰা নাৰীৰ অধিকাৰ, মৰ্যাদা, ত্যাগ, শক্তি আৰু সাহসক স্বীকৃতি প্ৰদান কৰা হয়। নাৰীৰ অধিকাৰ আৰু দায়িত্বৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰাৰ লগতে সমাজত নাৰীৰ স্থান আৰু অৱদানৰ বিষয়ে সচেতন কৰি তোলা হয়। নাৰীক শাৰীৰিক আৰু মানসিকভাৱে শক্তিশালী কৰা, বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে অভিনন্দন তথা পুৰস্কাৰ আগবঢ়াই তেওঁলোকক সন্মান জনোৱাৰ লগতে অনুপ্ৰাণিত কৰাই হৈছে এই দিৱসৰ অন্যতম লক্ষ্য। নাৰী দিৱসৰ জৰিয়তে লিংগ বৈষম্য দূৰ কৰি যৌতুক প্ৰথা আৰু ভ্ৰূণ হত্যাৰ দৰে ঘৃণনীয় সামাজিক ব্যাধিসমূহ নিৰ্মূল কৰিবলৈকো চৰকাৰ তথা সমাজক সোঁৱৰাই দিয়া হয়।

ৰাষ্ট্ৰসংঘৰ মহিলাৰ সমতা আৰু সবলীকৰণ সংস্থাই (UN Women) এই বৰ্ষৰ বাবে এক শক্তিশালী মূলমন্ত্ৰ ঘোষণা কৰিছে- 'সকলো মহিলা আৰু ছোৱালীৰ বাবে অধিকাৰ, ন্যায় আৰু পদক্ষেপ' (Rights, Justice, Action for ALL Women and Girls)। আনহাতে, আন্তৰ্জাতিক নাৰী দিৱসৰ বাবে গ্ৰহণ কৰা বিশেষ থিমটো হৈছে 'Give To Gain'। ৰাষ্ট্ৰ সংঘৰ মহিলাৰ সমতা আৰু সবলীকৰণ সন্থাই গ্ৰহণ কৰা মূলমন্ত্ৰই নাৰী সবলীকৰণৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। সমাজ এখনৰ প্ৰকৃত উন্নয়ন তেতিয়াহে সম্ভৱ, যেতিয়া দেশৰ মহিলাসকলে ভয়হীন আৰু মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিব পাৰিব। আচলতে এখন ন্যায়ভিত্তিক সমাজ গঢ়িবলৈ নাৰীৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাটো অপৰিহাৰ্য। অধিকাৰ অবিহনে স্বাধীনতা অৰ্থহীন। সেয়েহে নাৰীৰ সৰ্বাংগীণ উন্নয়নৰ বাবে শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাক বিশেষ গুৰুত্ব দিয়া হৈছে। প্ৰথমতে, শিক্ষাৰ অধিকাৰৰ কথা ক'বলৈ গ'লে ই কেৱল আখৰ চিনি পোৱা বা সাক্ষৰতা লাভ কৰাতেই সীমাবদ্ধ হৈ থকাটো অনুচিত। আধুনিক প্ৰযুক্তিবিদ্যা আৰু বৃত্তিমূলক শিক্ষাৰ জৰিয়তে নাৰীসকলক দক্ষ কৰি তোলাটো বৰ্তমান যুগৰ এক অপৰিহাৰ্য আহ্বান। এনে শিক্ষাই এগৰাকী নাৰীক কেৱল আত্মবিশ্বাসী কৰাই নহয়, বৰঞ্চ তেওঁক আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈকো শক্তি যোগায়। মন কৰিবলগীয়া যে এগৰাকী শিক্ষিত আৰু স্বাৱলম্বী মহিলাই কেৱল নিজৰ ব্যক্তিগত জীৱনটোৱেই উন্নত নকৰে, বৰঞ্চ তেওঁৰ পৰিয়াল আৰু সামগ্ৰিক সমাজখনৰ উত্তৰণত এক অপৰিসীম ভূমিকা পালন কৰে। গতিকে, উন্নত শিক্ষা আৰু দক্ষতা বিকাশৰ সুযোগ প্ৰদান কৰাটোৱেই হৈছে এখন প্ৰগতিশীল সমাজৰ প্ৰাথমিক চৰ্ত।

শিক্ষাৰ সমান্তৰালভাৱে নাৰীৰ স্বাস্থ্যৰ অধিকাৰ নিশ্চিত কৰাটোও সমানেই গুৰুত্বপূৰ্ণ বিষয়। বিশেষকৈ মাতৃত্বকালীন স্বাস্থ্য সুৰক্ষাৰ লগতে নাৰীৰ মানসিক স্বাস্থ্যৰ দিশটোকো আমি সমাজত সমানেই মৰ্যাদা দিয়াটো উচিত। আমাৰ দেশৰ দৰে ৰাষ্ট্ৰত আজিও গ্ৰামাঞ্চলৰ বহু নাৰী উন্নত আৰু আধুনিক চিকিৎসা সুবিধাৰ পৰা বঞ্চিত হৈ থকাটো এক দুৰ্ভাগ্যজনক বিষয়। সেয়েহে প্ৰতিগৰাকী নাৰীৰ বাবে সহজলভ্য আৰু উন্নত মানদণ্ডৰ চিকিৎসা সেৱা সুনিশ্চিত কৰাটো আজিৰ সময়ৰ এক অন্যতম দাবী। কিয়নো এগৰাকী স্বাস্থ্যবান নাৰীৰ পৰাই এটা স্বাস্থ্যবান পৰিয়াল আৰু এখন সবল সমাজ গঢ়ি উঠা সম্ভৱ। ইয়াৰ লগতে নাৰীৰ সুৰক্ষাৰ বিষয়টোক লৈ এখন সভ্য সমাজ কেতিয়াও উদাসীন হ'ব নোৱাৰে। ৰাজহুৱা স্থান হওক বা নিজৰ ঘৰৰ চাৰিবেৰৰ মাজতেই হওক, নাৰীৰ শাৰীৰিক আৰু মানসিক সুৰক্ষা নিশ্চিত কৰাটো তেওঁলোকৰ জন্মগত অধিকাৰৰ ভিতৰত পৰে। নাৰীৰ বাবে এক নিৰাপদ আৰু মৰ্যাদাপূৰ্ণ পৰিৱেশ সৃষ্টি কৰিব পাৰিলেহে তেওঁলোকে নিজৰ সকলো জড়তা নেওচি সমাজৰ প্ৰতিটো ক্ষেত্ৰত আত্মবিশ্বাসেৰে আগবাঢ়ি যাব পাৰিব।

ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘই বিশেষভাৱে গুৰুত্ব দিছে। কেৱল আইন প্ৰণয়ন কৰিলেই সমাজত ন্যায় প্ৰতিষ্ঠা নহয়। আইনৰ সঠিক, কঠোৰ আৰু কাৰ্যকৰী প্ৰয়োগেই হৈছে ন্যায়ৰ মূল চাবিকাঠি। দুৰ্ভাগ্যবশতঃ বহু সময়ত নাৰীসকল ঘৰুৱা হিংসা বা যৌন উৎপীড়নৰ বলি হ'লেও দীঘলীয়া আৰু জটিল আইনী প্ৰক্ৰিয়াৰ বাবে সময়মতে ন্যায় লাভ কৰিবলৈ সক্ষম নহয়। গতিকে এনে ধৰণৰ অপৰাধৰ ক্ষেত্ৰত দ্ৰুত বিচাৰ প্ৰক্ৰিয়া নিশ্চিত কৰি ভুক্তভোগীক উপযুক্ত ন্যায় প্ৰদান কৰাটো অত্যন্ত আৱশ্যকীয়। বৰ্তমানৰ ডিজিটেল বিপ্লৱৰ যুগত চাইবাৰ অপৰাধো এক ভয়ংকৰ সমস্যা হিচাপে থিয় দিছে। সামাজিক মাধ্যমৰ জৰিয়তে বহু নাৰী মানসিক নিৰ্যাতন আৰু চৰিত্ৰ হননৰ দৰে ঘটনাৰ সন্মুখীন হৈছে। এই আধুনিক সমস্যাৰ মোকাবিলা কৰিবলৈ কঠোৰ চাইবাৰ আইনৰ লগতে সমাজত ব্যাপক সজাগতাৰ প্ৰয়োজন। আনহাতে, কৰ্মক্ষেত্ৰতো সমতা স্থাপনৰ দিশত চকু দিয়াটো উচিত। সমান কামৰ বাবে সমান মজুৰিৰ ব্যৱস্থা কৰাৰ লগতে লিংগ বৈষম্য দূৰ কৰি এক মৰ্যাদাপূৰ্ণ কৰ্মপৰিৱেশ গঢ়ি তোলাটো সমাজৰ দায়িত্ব। চৰকাৰী নীতি আৰু আঁচনিসমূহ কেৱল চৰকাৰী নথি-পত্ৰতে আৱদ্ধ হৈ নাথাকি যাতে বাস্তৱ ক্ষেত্ৰত তৃণমূল পৰ্যায়লৈকে কাৰ্যকৰী হয়, সেই বিষয়ত ৰাষ্ট্ৰসংঘই বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এই বছৰ গ্ৰহণ কৰা 'Give To Gain' (দিয়ক- যাতে লাভ হয়) এই থিমটোৱে সমাজলৈ এক গভীৰ আৰু তাৎপৰ্যপূৰ্ণ বাৰ্তা আগবঢ়াইছে। ইয়াৰ মূল ধাৰণা হৈছে— যদি সমাজে মহিলা সকলক যথাযোগ্য সুযোগ, শিক্ষা, সম্পদ আৰু সমৰ্থন প্ৰদান কৰে, তেন্তে তাৰ সুফল কেৱল মহিলা সকলেই নহয়, সমগ্ৰ সমাজেই লাভ কৰিব। অৰ্থাৎ, মহিলা সকলৰ উন্নয়ন মানেই সমাজৰ সামগ্ৰিক উন্নয়ন। এই থিমে স্পষ্ট কৰিছে যে মহিলাসকলৰ উন্নয়নৰ বাবে কৰা বিনিয়োগ আচলতে সমাজৰ অগ্ৰগতিৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ। যেতিয়া মহিলাসকলে শিক্ষা লাভ কৰি কৰ্মসংস্থাপনৰ সৈতে জড়িত হয়, তেতিয়া তেওঁলোকে নিজৰ পৰিয়ালৰ লগতে সমাজৰো অৰ্থনৈতিক উন্নয়ন সাধন কৰে। এগৰাকী শিক্ষিত আৰু সবল মহিলাই পৰিয়ালৰ শিশুসকলৰ শিক্ষা, স্বাস্থ্য সজাগতা আৰু সামাজিক মূল্যবোধ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে মহিলাসকলৰ অগ্ৰগতিক এখন সুস্থ আৰু উন্নত সমাজ গঢ়ি তোলাৰ অন্যতম ভিত্তি হিচাপে গণ্য কৰা হয়।

ইয়াৰ লগতে এই থিমে সমাজৰ প্ৰতিজন ব্যক্তি, বিভিন্ন সংগঠন আৰু চৰকাৰক একেলগে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে। মহিলাসকলক আগবঢ়াই নিয়াৰ বাবে পৰিয়াল, শিক্ষা প্ৰতিষ্ঠান, সমাজ আৰু চৰকাৰ-এই সকলো স্তৰতে ইতিবাচক সহযোগিতা অত্যন্ত প্ৰয়োজন। যেতিয়া সমাজৰ সকলো অংশই একেলগে কাম কৰে, তেতিয়া মহিলাসকলৰ উন্নয়ন অধিক সহজ আৰু ফলপ্ৰসু হৈ উঠে। এই থিমৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে- মহিলাসকলৰ বাবে সমান সুযোগ সৃষ্টি কৰা। বহু সময়ত লিংগভিত্তিক বৈষম্যৰ বাবে মহিলাসকলে শিক্ষা, বিজ্ঞান, প্ৰযুক্তি, উদ্যোগ বা নেতৃত্বৰ ক্ষেত্ৰত আগবঢ়াৰ যথেষ্ট সুযোগ নাপায়। কিন্তু যেতিয়া তেওঁলোকে সমান সুযোগ লাভ কৰে, তেতিয়া তেওঁলোকে নিজৰ প্ৰতিভা আৰু দক্ষতাৰ জৰিয়তে সমাজৰ উন্নয়নত উল্লেখযোগ্য অৱদান আগবঢ়াব পাৰে। এই থিমে সমাজৰ মনোভাৱত ইতিবাচক পৰিৱৰ্তন আনিবলৈও বিশেষ গুৰুত্ব প্ৰদান কৰিছে। বহু সময়ত সমাজত থকা কিছুমান পুৰণি ধাৰণা আৰু কুসংস্কাৰে মহিলাসকলৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰে। সেয়েহে এই থিমে লিংগভিত্তিক বৈষম্য আৰু সংকীৰ্ণ মনোভাৱ ত্যাগ কৰি সমতা আৰু পাৰস্পৰিক সন্মানৰ ভিত্তিত এখন সমাজ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ কথা সোঁৱৰাই দিছে।

পৰিশেষত ক'ব পাৰি যে- নাৰীৰ প্ৰতি সন্মান আৰু সমতা প্ৰদৰ্শন কৰাটো কেৱল চৰকাৰী নীতি বা আইনৰ বিষয় নহয়। ই আমাৰ প্ৰতিজন ব্যক্তি আৰু পৰিয়ালৰ এক নৈতিক দায়িত্বও। পৰিয়ালৰ পৰা ল'ৰা-ছোৱালীক সমতা আৰু পাৰস্পৰিক সন্মানৰ শিক্ষা দিব পাৰিলেহে সমাজত লিংগ সমতা প্ৰতিষ্ঠা কৰাটো সহজ হৈ পৰিব। ৰাজনীতি, বিজ্ঞান, প্ৰশাসন বা উদ্যোগ- এই প্ৰতিটো গুৰুত্বপূৰ্ণ ক্ষেত্ৰত নাৰীৰ সক্ৰিয় অংশগ্ৰহণ আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা বৃদ্ধি পালেহে সমাজখন সুষম আৰু শক্তিশালী হ'ব। সমাজত প্ৰচলিত কুসংস্কাৰ আৰু পুৰণি সামাজিক ধাৰণাসমূহক চেৰ পেলাই সজাগতা সভা আৰু কৰ্মশালাৰ জৰিয়তে মানুহৰ মানসিকতাৰ পৰিৱৰ্তন ঘটাব লাগিব। সমাজত নাৰীক আগস্থান দিয়াৰ লগতে তেওঁলোকৰ মৌলিক অধিকাৰ সমূহৰ প্ৰতি সচেতন হলেহে প্ৰকৃতাৰ্থত এক উন্নত পৃথিৱী গঢ়িবলৈ সমৰ্থ হ'ব পৰা যাব বুলি আশা কৰিব পাৰি।

# নাৰী দিৱস পৰিক্ৰমা আৰু প্ৰাসংগিকতা

ৰীতামণি বড়া

নাৰী হৈছে বিধাতাৰ অনুপম সৃষ্টি। এখন সমাজ তথা দেশৰ মূল আধাৰশিলা হ'ল নাৰী। নাৰীয়ে সন্তান জন্ম দিয়াৰ ওপৰিও লালন পালন কৰে কৰি সমাজ গঠনত প্ৰণিধানযোগ্য ভূমিকা পালন কৰে। সেয়ে বিশ্ববিখ্যাত ফৰাচী সম্ৰাট নেপোলিয়ন বোনাপাৰ্টে নাৰীৰ গুৰুত্ব অনুধাৱণ কৰি অকপটে ব্যক্ত কৰিছিল— "মোক এগৰাকী সু-মাতৃ দিয়া, মই এখন সুস্থ-সবল সমাজ দিম।" তথাপিও পুৰুষপ্ৰধান সমাজ ব্যৱস্থাত আজিৰ তাৰিখতো নাৰীক কেৱল ভোগৰ সামগ্ৰী হিচাপেহে ব্যৱহাৰ কৰি অহা পৰিলক্ষিত হৈছে। নাৰীৰ স্থান কেৱল পাকঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ বুলি আজিও এচাম লোকে নভবা নহয়। তেওঁলোকৰ মনত এক বদ্ধমূল ধাৰণাই শিপাই আছে যে নাৰীৰ দায়িত্ব কেৱল সন্তান জন্ম দিয়া, পালন কৰা আৰু ঘৰ-সংসাৰ চলোৱা। যুগে যুগে নাৰীসকলে ভুগি অহা অন্যায়-অবিচাৰ, বঞ্চনা, প্ৰতাৰণা তথা শোষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি নাৰীক চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনি সমাজত ন্যায্য আসন দিয়াৰ ক্ষেত্ৰত যিসকলে অহোপুৰুষাৰ্থ কৰিলে তেওঁলোক আজিৰ দিনত বিশ্ববাসীৰ বাবে চিৰস্মৰণীয়। প্ৰকৃততে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস হৈছে নাৰীসকলৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক দিশৰ অগ্ৰগতি তথা ভূমিকাক উদযাপন কৰা এক বিশেষ দিন। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস সূচনা হৈছিল ১৯০৮ চনত। প্ৰায় পোন্ধৰ হাজাৰ মহিলাই আমেৰিকাৰ নিউয়ৰ্ক চহৰত এক শক্তিশালী প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচী ৰূপায়িত কৰিছিল। তেওঁলোকৰ মূল দাবী আছিল— বেতন বৃদ্ধি কৰা, কৰ্মদিন হ্ৰাস কৰা আৰু ভোটাধিকাৰ সাব্যস্ত কৰাৰ অধিকাৰ প্ৰদান কৰা। আমেৰিকাৰ ছচিয়েলিষ্ট পাৰ্টিয়ে ১৯০৯ চনৰ ২৮ ফেব্ৰুৱাৰীত নিউ য়ৰ্কত নাৰী দিৱস পালন কৰিছিল। ১৯১০ চনত হোৱা International Socialist Women Conference ত জাৰ্মানীৰ ক্লাৰা জেটলিনে নাৰী দিৱসটি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পালন কৰাৰ উদ্দেশ্যে প্ৰস্তাৱ আগবঢ়ায়। ১৭ খন দেশৰ ১০০ গৰাকী নাৰী প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিছিল যি সময়ৰ সোঁতত এক মাইলৰ খুঁটিত পৰিণত হৈছিল। তাৰ ফলশ্ৰুতিত ১৯১১ চনৰ পৰা নাৰীসকলৰ সম অধিকাৰ দিৱস হিচাপে এই দিনটো উদ্‌যাপন কৰা হৈছিল। ১৯১৪ চনৰ পৰা বিশ্বৰ কেইবাখনো দেশত এই দিনটো নাৰী দিৱস হিচাপে পালন কৰিবলৈ আৰম্ভ কৰে। এই দিনটোৰ গুৰুত্ব আৰু প্ৰাসংগিকতা উপলব্ধিকৰি ১৯৭৫ চনৰ ৮ মাৰ্চৰ পৰা ৰাষ্ট্ৰসংঘই প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰে।

২০২৬ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ মূল বিষয়বস্তু হ'ল-"Give to Gain" অৰ্থাৎ ইয়াৰ দ্বাৰা নাৰীৰ উদাৰতা আৰু সমন্বয়তাক প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে। লগতে এই কথা বোধগম্য কৰিবলৈ প্ৰয়াস কৰা হৈছে যে সকলো ধৰণৰ সক্ৰিয় সহযোগিতা প্ৰদান কৰি সা- সুবিধা আদায় কৰিব পাৰি লগতে ই লিংগ সমতাৰ দিশতো এক ইতিবাচক ভূমিকা পালন কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস প্ৰকৃতাৰ্থত তেতিয়াহে সফল হ'ব, যেতিয়া আমি কৰ্মস্থান, পথ, বিদ্যালয় আদি সকলোতে অৰ্থাৎ স্থান কাল নিৰ্বিশেষে এগৰাকী নাৰী সুৰক্ষিত বুলি দাবী কৰিব পাৰিম। যদিও সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস পালন কৰি অহা হৈছে তথাপিও মহিলাসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়টো বৰ্তমান সময়তো এক প্ৰশ্ন হৈয়ে আছে। দৰাচলতে মহিলাসকলে নিজকে সুৰক্ষিত অনুভৱ কৰা এখন সুস্থ আৰু সবল সমাজ গঢ়ি তুলিব পাৰিলেহে আমি এখন স্বাৱলম্বী আৰু সুসংগঠিত সমাজৰ বাসিন্দা বুলি দাবী কৰিব পাৰিম। তাৰ উপৰিও ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি সকলো দিশতে নাৰীসকলে সমান অধিকাৰ তথা সুযোগ সুবিধা লাভ কৰিব লাগিব। নাৰী হ'ল এক শক্তি, সমাজৰ ধাৰক আৰু বাহক। নাৰীয়েই হ'ল নৱ প্ৰজন্মৰ সৃষ্টিকৰ্তা জাতি তথা দেশৰ মূল আধাৰস্বৰূপ। পণ্ডিত হেমচন্দ্ৰ বৰুৱাদেৱে কোৱাৰ দৰে— "নাৰী আছে বাবেই হয়তো সমাজ সুন্দৰ হৈ আছে।"

এই কথা অনুধাৱণ কৰা হৈছে যে পাশ্চাত্যৰ দেশসমূহৰ তুলনাত ভাৰতবৰ্ষৰ দৰে দেশত নাৰীৰ স্থিতি তুলনামূলকভাৱে শোচনীয়। ভাৰতবৰ্ষৰ সংবিধানে নাৰী-পুৰুষ উভয়কে সম-অধিকাৰ প্ৰদান কৰা সত্ত্বেও অদ্যপিও ভাৰতীয় সমাজ ব্যৱস্থাৰ পৰা লিংগ বৈষম্য আঁতৰ কৰিব পৰা নাই। বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অভিধাৰ বাবে ভাৰতীয় নাৰীসকল আজিও বিভিন্ন পৰ্যায়ত বৈষম্যৰ সন্মুখীন হৈছে। ২০১১ চনৰ ভাৰতবৰ্ষৰ লোকপিয়লৰ তথ্যৰ আধাৰত ব্যক্ত কৰিব পাৰি যে ভাৰতীয় মহিলাৰ সাক্ষৰতাৰ হাৰ হ'ল ৬৫.৪৬ শতাংশ। তাৰ সমান্তৰালভাৱে পুৰুষৰ সাক্ষৰতাৰ হাৰ হ'ল ৮২.১৪ শতাংশ। বহু পিতৃ মাতৃৰ অজ্ঞতা আৰু এলান্ধুকলীয়া মানসিকতাৰ বাবে নাৰীসকল বৈষমৰ মুখামুখি হৈছে। উপলব্ধ তথ্য অনুসৰি ভাৰতৰ গ্ৰামাঞ্চলৰ প্ৰায় ৭০ শতাংশ ভূমিৰ মালিকীসত্ব আজিৰ দিনটো পুৰুষৰ হাতত আছে। এনেদৰে বহু মহিলা শিক্ষা আৰু সম্পত্তিৰ অধিকাৰ উপভোগৰ পৰা বঞ্চিত হৈ চিৰদিনৰ বাবে পুৰুষসকলৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়াত পৰিছে। এনে চিন্তা তথা কাম কাজে সমাজৰ সামগ্ৰিক তথা উত্তৰণৰ ক্ষেত্ৰত হেঙাৰ হিচাপে থিয় দিছে। বিশ্ব বিখ্যাত দাৰ্শনিক, পণ্ডিত তথা চিন্তাবিদ স্বামী বিবেকানন্দই কৈছিল-" There is no chance for the welfare of the world unless the condition of women is improved. It is not possible for a bird to fly on only one wing" অৰ্থাৎ যিদৰে এজনী চৰাইয়ে এখন ডেউকাৰ জৰিয়তে উৰিব নোৱাৰে সেইদৰে নাৰীসকলৰ উত্তৰণ অবিহনে বিশ্বৰ মংগল সাধন হ'ব নোৱাৰে।

# দুনী গভৰাত মুনলাইট গোষ্ঠীৰ উদ্যোগত আৰু দৰং কৰ্কট কেন্দ্ৰৰ সহযোগত কৰ্কট ৰোগ সজাগতা সভা আৰু প্ৰাথমিক স্বাস্থ্য পৰীক্ষা শিবিৰ

**অসম বাৰ্তা, ছিপাঝাৰ, ৬ মাৰ্চ ঃ** ছিপাঝাৰ বিধানসভা সমষ্টিৰ পশ্চিম দৰঙৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন মুনলাইট গোষ্ঠী গভৰাৰ উদ্যোগত আৰু দৰং কৰ্কট কেন্দ্ৰৰ সহযোগত দুনী স্নাতক মহাবিদ্যালয়, দুনী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত কৰ্কট ৰোগ সজাগতা সভা আৰু প্ৰাথমিক স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। সাংবাদিক তথা মুনলাইট গোষ্ঠীৰ সম্পাদক কমল কুমাৰ নাথে আত ধৰা কৰ্কট ৰোগ সজাগতা সভাত দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলামে উপস্থিত থাকি কৰ্কট ৰোগৰ সাৱধানতা, লক্ষণ, সজাগতাৰ লগতে HPV ভেকচিনৰ বিষয়ে অৱগত কৰাৰ লগতে কৰ্কট ৰোগৰ আগতীয়া চিকিৎসা সম্পৰ্কীয় কিছু কথা অৱগত কৰে। দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা সমূহৰ বিষয়ে অৱগত কৰাৰ লগতে কৰ্কট ৰোগী সকলৰ উপৰিও অন্য সকলো ৰোগীৰ চিকিৎসা পৰীক্ষা ক্ৰমে এম আৰ আই, চিটি স্কেন, এক্স-ৰে, তেজ পৰীক্ষা, আল্ট্ৰাচাউণ্ড, মেমোগ্ৰাফী আৰু ইচিজি আদি কম খৰচত উপলব্ধ আৰু লিনাক, কেন্সাৰ স্ক্ৰীনিং, ৰেডিয়েচন থেৰাপী, ব্ৰেকী থেৰাপী, কেমোথেৰাপী, মেডিকেল অংক'লজি, পেলিয়েটিভ কেয়াৰ, ৰেডিয়েচন অংক'লজি, লেব'ৰেটৰী, টেলি-কনসালটেশন আদিৰ সুবিধা সমূহ উপলব্ধ ৰ লগতে দৰং কৰ্কট কেন্দ্ৰত থকা সকলোবোৰ সুবিধাৰ বিষয়ে অৱগত কৰে। শতাধিক লোক উপস্থিত থকা কৰ্কট ৰোগ সজাগতা সভাত কেন্সাৰ স্ক্ৰীনিং আৰু প্ৰাথমিক স্বাস্থ্য পৰীক্ষা সেৱা সমূহ আগবঢ়াই দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলাম, নাৰ্ছিং অফিছাৰ নয়না শৰ্মা, মঙলদৈ জি. এন.এম নাৰ্ছিং প্ৰশিক্ষণ কেন্দ্ৰৰ নাৰ্ছ বৰষা শইকীয়া আৰু বন্দনা শইকীয়াই। লগতে উপস্থিত থাকে অৱসৰী শিক্ষক ডিম্বেশ্বৰ নাথ, ৰমেশ চন্দ্ৰ নাথ, বলেন্দ্ৰ কুমাৰ নাথৰ লগতে জেষ্ঠ ব্যক্তি শশীন্দ্ৰ নাথ, গৰ্গ ৰাম নাথ, মদন নাথ, সমাজকৰ্মী জিতু কুমাৰ কলিতাকে ধৰি ভালেমান ব্যক্তি আৰু মুনলাইট গোষ্ঠীৰ সদস্য সদস্যাসকল।

# প্ৰয়াত মাকন তালুকদাৰৰ সোঁৱৰণত স্মৃতিগ্ৰন্থ আৰু স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, বাগানপাৰা, ৬ মাৰ্চ ঃ** বাগানপাৰাৰ নিকটৱৰ্তী অদলা গাঁও নিবাসী, সমাজকৰ্মী, ৰাজ্যিক বঁটা প্ৰাপ্ত কৃতী শিক্ষক যোগেন তালুকদাৰৰ সহধৰ্মিনী মাকন তালুকদাৰৰ সোঁৱৰণত যোৱা ৩ মাৰ্চত এখনি স্মৃতি গ্ৰন্থ আৰু স্মৃতিচাৰণ সভা শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰ প্ৰাংগন, অদলা দক্ষিণ চুবুৰীত অনুষ্ঠিত হয়। স্মৃতি গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি ইন্দ্ৰ কুমাৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতি গ্ৰন্থ আৰু স্মৃতিচাৰণ সভাখনি উদ্বোধন কৰে নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° সমৰ তালুকদাৰে। স্মৃতিচাৰণ সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে নলবাৰীৰ বিশিষ্ট লেখক, গৱেষক ড° ৰবীন দাসে। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অৰুণ দাসে প্ৰয়াত মাকন তালুকদাৰৰ অনবদ্য অৱদান সমূহ তথা কৰ্মময় জীৱনৰ স্মৃতি বোৰ যুগমীয়া কৰি ৰাখিবলৈ নৱ প্ৰজন্মলৈ আহ্বান জনায়। মাকন তালুকদাৰৰ সোঁৱৰণত প্ৰকাশ কৰি উলিওৱা "মাকন সুৰভি" নামৰ স্মৃতি গ্ৰন্থ খনি উন্মোচন কৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। স্মৃতিচাৰণ সভাত নলবাৰীৰ ৰাজ্যিক বঁটা প্ৰাপ্ত কৃতী শিক্ষক প্ৰমোদ তালুকদাৰ, কমল কৃষ্ণ হাজৰিকা স্মাৰক বক্তা ভাগৱত বঁটা প্ৰাপক পদ্ম ৰাজবংশী, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বাক্সা জিলা শাখাৰ সভাপতি ৰবীন হালৈ, সম্পাদক হিতেশ মেধি, ৰাজ্যিক বঁটা প্ৰাপ্ত কৃতী শিক্ষক ভবেন তালুকদাৰৰ সহিতে মহিলা, হিতাকাংক্ষী আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ধৰ্মপ্ৰাণ বাপ-বান্ধৱ সকল উপস্থিত থাকে। স্মৃতিচাৰণ সভাত মাকন তালুকদাৰৰ সৰু বোৱাৰী পল্লবী বড়োৱে বৰগীত, উমেশ দত্তই লোকগীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। লগতে অদলা দক্ষিণ চুপাৰ নামতি সকলে দিহানাম পৰিৱেশন কৰে যে ইয়াৰ পূৰ্বে পুৱাৰ ভাগত প্ৰসংগ কৰাৰ পিছত সমাজকৰ্মী পুষণ বাহাদুৰ ভাণ্ডাৰী, ভাস্কৰ জ্যোতি ছোৱালী হাইস্কুলৰ শিক্ষক প্ৰমোদ চৌধুৰী, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আঞ্চলিক শাখাৰ সভাপতি অতুল তালুকদাৰে গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰে। স্মৃতিচাৰণ সভাৰ সকলো কাৰ্যক্ৰমণিকাৰ আঁত ধৰে স্মৃতি গ্ৰন্থ সম্পাদনা সমিতিৰ মুখ্য সম্পাদক জ্যোতিষ মেধিয়ে।

# সৰুপথাৰ ৰে'লৱে ষ্টেচনত জন শতাব্দী এক্সপ্ৰেছৰ ষ্টপেজৰ শুভাৰম্ভ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৬ মাৰ্চ ঃ** সৰুপথাৰবাসীৰ বাবে এক অত্যন্ত ভাল খবৰ। যাতায়তৰ সুচল ব্যৱস্থাৰ বাবে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে আৰম্ভণিৰে পৰাই সমষ্টিটোত যথেষ্ট পৰিমাণে গুৰুত্ব আৰোপ কৰি আহিছে। সেইয়া লাগিলে সমষ্টিটোৰ বাট-পথেই হওক নতুবা অন্যান্য ক্ষেত্ৰতেই হওক। বিধায়ক বিশ্বজিৎ ফুকনৰ তত্ত্বাৱধানতেই শুক্ৰবাৰে সৰুপথাৰবাসীয়ে লাভ কৰিলে সৰুপথাৰ ৰেলৱে ষ্টেচনত "জন শতাব্দী" এক্সপ্ৰেছৰ ষ্টপেজ। শুক্ৰবাৰে এক আনুষ্ঠানিকতাৰ মাজেৰে বিধায়ক গৰাকীয়ে ফ্লেগ অফ কৰি ১২০৬৭-১২০৬৮ গুৱাহাটী-যোৰহাট "জন শতাব্দী" এ'প্ৰেছ ৰেলগাড়ীখনৰ সৰুপথাৰ ৰেলৱে ষ্টেচনত নতুনকৈ ৰখোৱাৰ শুভাৰম্ভ কৰে। এই গুৰুত্বপূৰ্ণ পদক্ষেপে অঞ্চলটোৰ ৰাইজৰ বহুদিনীয়া দাবীক সন্মান জনোৱাৰ লগতে যাতায়াত ব্যৱস্থা অধিক সুলভ কৰি তোলাত এক নতুন দিশ উন্মোচন কৰিব। অনুষ্ঠানটোত বিধায়ক বিশ্বজিৎ ফুকনে উপস্থিত ৰাইজক সম্বোধন কৰি তেখেতৰ ভাষণ আগবঢ়াই আৰু সকলোকে অভিনন্দন জ্ঞাপন কৰে, লগতে এই পদক্ষেপ সফল কৰি তোলাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোত বিধায়ক গৰাকীৰ লগতে উত্তৰ-পূব ৰে'লৱেৰ জেষ্ঠ বাণিজ্যিক প্ৰবন্ধক ধ্ৰুৱজ্যোতি বৰ্মন, সৰুপথাৰ সমজিলাৰ আয়ুক্ত মনোৰমা মৰাং, সৰুপথাৰ পৌৰসভাৰ উপ পৌৰপতি জগন্নাথ ফুকন, বিশিষ্ট ব্যৱসায়ী মাধুৰ্য শইকীয়া, জেষ্ঠ সাংবাদিক দ্বিপেন কুমাৰ বৰাকে ধৰি বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

## ছমৰীয়া ব্ল'ক কংগ্ৰেছ সভাপতিক কাৰ্যভাৰ হস্তান্তৰ

**অসম বাৰ্তা, সোণতলী, ৬ মাৰ্চ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ ছমৰীয়া ব্ল'ক কংগ্ৰেছৰ সভাপতিলৈ কাৰ্যভাৰ হস্তান্তৰ কৰে। এই সন্দৰ্ভত প্ৰাক্তন ব্ল'ক কংগ্ৰেছৰ সভাপতি তাজিম আহমেদৰ পৌৰহিত্বত এখনি কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত নৱ-নিৰ্বাচিত ব্ল'ক সভাপতি তাইজুদ্দিন আহমেদক কাৰ্যভাৰ হস্তান্তৰ কৰে। ইয়াৰ পিছত তাইজুদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত ১৩৯ গৰাকী লোকক ব্ল'ক কংগ্ৰেছৰ কমিটিৰ বিভিন্ন পদত নিযুক্তি পত্ৰ প্ৰদান কৰে। সভাত কামৰূপ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আজাদ আলী আৰু কামৰূপ জিলা কমিটিৰ সাধাৰণ সম্পাদক গজানন্দ দাসৰ পৰ্যবেক্ষণত নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। সভাত প্ৰবীণ কংগ্ৰেছ কৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক শেখ মহম্মদ পিয়াৰ, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক হবিবুৰ ৰহমান, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল বাৰিক, অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল হাকিম, লালচান আলী দেৱানী, বাক্কাৰ আলী, প্ৰাক্তন মণ্ডল সভাপতি ৰমজান আলী, মহিলা ব্লক কংগ্ৰেছৰ সভানেত্ৰী নাজিৰা বেগম, মাহাতলী গাঁও পঞ্চায়তৰ সভাপতি আকতাৰ হুছেইন, আঞ্চলিক সদস্য স্বাহজামাল হক, মণ্ডল সভাপতি ক্ৰমে আব্দুল হামিদ, আমিন নুৰুল ইছলাম, নুৰ মহম্মদ আলী, কলিম উদ্দিন, আব্দুৰ ৰহিম, মহিয়াল হুছেইন, মহিলা মণ্ডলৰ সভানেত্ৰী ক্ৰমে বাহাতন নেছা হালিমা খাতুন, আনোৱাৰা বেগম, ব্ল'ক যুৱ কংগ্ৰেছৰ সভাপতি ছফিকুল ইছলাম, প্ৰমুখ্যে কংগ্ৰেছৰ বিভিন্ন চেলৰ প্ৰায় দুই শতাধিক কৰ্মী উপস্থিত থাকে।

# কামৰূপ জিলাত বান প্ৰস্তুতিৰ পৰ্যালোচনা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ মাৰ্চ ঃঃ** আগন্তুক বাৰিষা কালত সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ জিলাৰ বান প্ৰস্তুতিৰ পৰ্যালোচনা সভাখন আজি আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। সভাত আয়ুক্তগৰাকীয়ে কামৰূপ জিলাত সম্ভাব্য বান পৰিস্থিতিৰে মোকাবিলা কৰাৰ বাবে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ তথা অন্যান্য বিভাগসমূহ যেনে, সমাজ কল্যাণ, খাদ্য, অসামৰিক যোগান আৰু ৰাজহুৱা বিতৰণ, লোক নিৰ্মাণ (পথ), শিক্ষা, জনস্বাস্থ্য কাৰিকৰী, জলসম্পদ, এপিডিচিএল, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, কৃষি, মীন আদি বিভাগে প্ৰস্তুত কৰা পৰিকল্পনা আৰু এই পৰ্যন্ত পৰিকল্পনা অনুযায়ী হাতত লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে জনস্বাস্থ্য কাৰিকৰী, জলসম্পদ, পশুপালন আৰু পশুচিকিৎসা, এ পি ডি চি এল আদি বিভাগে বানপানীৰ সময়ত প্ৰয়োজনসাপেক্ষে বিশুদ্ধ খোৱাপানী যোগান, অস্থায়ী প্ৰসাৱগাৰ-শৌচাগাৰ স্থাপন, ব্লিচিঙ পাউদাৰ যোগান, বিদ্যুৎ যোগান ব্যাহত হ'লে ল'বলগীয়া জৰুৰীকালীন ব্যৱস্থাৱলী আৰু বান পৰিস্থিতিত ট্ৰেন্সফৰমাৰসমূহৰ বাবে যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ আৰু বানত ক্ষতিগ্ৰস্ত হ'ব পৰা মথাউৰিসমূহৰ সবলীকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে। লগতে তেওঁ প্ৰতিজন ৰাজহ চক্ৰ বিষয়াক নিজ নিজ চক্ৰৰ অধীনত থকা নলা, জান-জুৰিকে ধৰি প্ৰাকৃতিক জলভাগৰ ওপৰত হোৱা বেদখলসমূহ চিনাক্ত কৰি তেনে এলেকাসমূহ বেদখল মুক্ত কৰাৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ সকলো সংশ্লিষ্ট বিভাগে বান পৰিস্থিতিৰ সময়ত বান প্ৰভাৱিত এলেকাত চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ সৈতে সমন্বয় বজাই ৰাখি কাম কৰিব লাগিব বুলিও উল্লেখ কৰে। সভাত উপস্থিত থাকি কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ৰাজীৱ দত্ত চৌধুৰীয়ে বান পৰিস্থিতিৰে মোকাবিলাৰ প্ৰস্তুতি হিচাবে জিলাখনত ১১টা ৰাজহ চক্ৰৰ অধীনত পৰ্যাপ্ত সংখ্যক আশ্ৰয় শিবিৰ চিনাক্ত কৰা হৈছে আৰু সাহায্য তথা উদ্ধাৰ অভিযানৰ বাবে এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ দল সাজু কৰি ৰখা হৈছেবুলি জনোৱাৰ লগতে অন্যান্য ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামীৰ, অতিৰিক্ত জিলা আয়ুক্ত বিক্ৰম ছেত্ৰী, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, বকো ছয়গাঁও সম জিলা আয়ুক্ত প্ৰিয়াংশু ভাৰদ্বাজ, ৰাজহ চক্ৰ বিষয়াসকলকে ধৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণী ছাত্ৰ-ছাত্ৰীৰ বিদায় সভা

**অসম বাৰ্তা, উজনী মাজুলী, ৬ মাৰ্চ ঃ** নামনি মাজুলী বালিচাপৰি মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিদায় সভাখনি আজি বিদ্যালয়ত অনুষ্ঠিত হয়। শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰিজু ভূএগ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে বিদ্যালয়ৰ ছাত্ৰ সদনৰ সম্পাদিকা কৃষ্ণা দাসে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিবেশন কৰা এটি গীতেৰে সভাৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। বালিচাপৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰূপজ্যোতি শইকীয়া বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ মাতৃগোটৰ সম্পাদিকা অনুৰূপা বৰা, বিদ্যালয়ৰ সহকাৰী শিক্ষক নীলকমল ফুকন, হৰেণ দাস, ৰিকেশ দলে, দেৱাশিস ওজা, জেফিন হাজৰিকা আৰু প্ৰিয়া সৰকাৰে ছাত্ৰ-ছাত্ৰী উদ্দেশি বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ ফালৰ পৰা অষ্টম শ্ৰেণীৰ ৩৯ গৰাকী ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ তৰফৰ পৰা বিদায় জনায়। বিদায়ী ছাত্ৰ-ছাত্ৰী সকলে শিক্ষক শিক্ষয়িত্ৰীক ফুলাম গামোচা প্ৰদান কৰি শিক্ষক শিক্ষয়িত্ৰীৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে। বিদায় সভাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী সকলে সাংস্কৃতিক কাৰ্যসূচীও পালন কৰে।

# ৰহা কটহগুৰি নেহৰু প্ৰাথমিক বিদ্যালয়ত আৰ ডি মটৰচ্ চ্যাৰিটেবল ট্ৰাষ্টে প্ৰদান কৰা শিশু উদ্যান মুকলি

**অসম বাৰ্তা, ৰহা, ৬ মাৰ্চ ঃ** ৰহা কটহগুৰি নেহৰু প্ৰাথমিক বিদ্যালয়ত আৰ ডি মটৰচ্ চ্যাৰিটেবল ট্ৰাষ্ট, নগাঁৱৰ উদ্যোগত প্ৰায় ১.৩০ লাখ টকা ব্যয় সাপেক্ষে বিদ্যালয়ৰ কণকণ শিশু সকলৰ শাৰীৰিক, মানসিক বিকাশ সাধনৰ বাবে স্থাপন কৰা শিশু উদ্যানৰ আজি আনুষ্ঠানিক ভাবে উদ্বোধন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অতুল চন্দ্ৰ ডেকা আৰু প্ৰধান শিক্ষক প্ৰফুল্ল চন্দ্ৰ ডেকাই। উদ্যান উদ্বোধন ৰ লগত সংগতি ৰাখি বিদ্যালয় প্ৰাংগনত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অতুল চন্দ্ৰ ডেকাৰ সভাপতিত্বত আৰু শিক্ষক লক্ষ্মীপ্ৰসাদ ডেকাৰ উদ্দেশ্য ব্যাখ্যাৰে অনুষ্ঠিত হোৱা সভাত উপস্থিত ব্যক্তি সকলে আৰ ডি মটৰচ্'ৰ স্বতাধিকাৰী বিশাল আগৰৱালা সহ আৰ ডি মটৰচ ৰ সমূহ পৰিয়াললৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কণকণ ছাত্ৰ ছাত্ৰীয়ে গীত নৃত্য আৰু কবিতা আবৃতি কৰি সমস্ত ক্ষেত্ৰ মুখৰিত কৰি তুলে। উদ্যান উদ্বোধন অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ উপ সভাপতি দীন কোঁৱৰ, সমাজকৰ্মী মালিবৰ ডেকা, সুৰেন কোঁৱৰ, শিশুৰাম কোঁৱৰ, ফুলবানি গাঁওখোৱা, মিনতি ডেকা, ধৰিত্ৰী ডেকা, ৰনথলি গাঁও পঞ্চায়তৰ সভাপতি পাৰ্থপ্ৰতিম কোঁৱৰ, আৰ ডি মটৰচ্'ৰ অইচ আৰু মেনেজাৰ যুতিকা বৰুৱা. ওৰ্কচপ মেনেজাৰ অজিত শইকীয়া, কাচটমাৰ মেনেজাৰ হেমেন্দ্ৰ শইকীয়া, চি এচ আৰ কৰডিনেটৰ অচিন্ত কুমাৰ দাস, শিক্ষক-শিক্ষয়ত্ৰী ক্ৰমে মৃদুল কুমাৰ ভৰালী, মৃদুল বৰা, নিৰুপমা বৰদলৈ, মৌচুমী শৰ্মা, বিষ্ণুজ্যোতি শইকীয়া, সহ বিদ্যালয় পৰিচালনা, আৰ ডি মটৰচ্'ৰ বিষয়ববীয়া, শিক্ষক শিক্ষয়ত্ৰী, কণকণ ছাত্ৰ-ছাত্ৰী আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকি আৰ ডি মটৰচ্'ৰ এই পদক্ষেপৰ প্ৰশংসা কৰে আৰু আৰ ডি মটৰচ্'ৰ ফালৰ পৰা কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত লঘু আহাৰ বিতৰণ কৰা হয়।

জাজড়িত গভীৰ শোক

## কুকীলকণ্ঠী গায়িকা আছফিয়া চুলতানাৰ আকস্মিক বিয়োগ

**অসম বাৰ্তা, বেবেজীয়া, ৬ মাৰ্চ ঃ** বেবেজীয়াৰ নিকটৱৰ্তী জাজৰি বৰমনিপুৰৰ কন্যা, বৰচিলা কনপাই বৰদলৈ মহাবিদ্যালয়ৰ প্ৰৱক্তা, কুকীলকণ্ঠী গায়িকা আচফিয়া চুলতানাৰ ৫ মাৰ্চৰ দিনৰ ১১ বজাত আকস্মিক বিয়োগৰ বাতৰিয়ে সমগ্ৰ জাজৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। জাজৰি শতদল শাখা সাহিত্য সভাৰ লগত সক্ৰীয়ভাৱে জড়িত আচফিয়া অসম সাহিত্য সভাৰ হিতৈষী সভ্য আছিল। বৃহত্তৰ জাজৰি অঞ্চলৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত অতি নিবিৰভাৱে জড়িত আচফিয়া চুলতানাৰ মৃত্যুৰ সময়ত বয়স আছিল ৪৫ বছৰ। আচফিয়াৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ বৰমণিপুৰস্থিত বাসগৃহত অগণন গুণমুগ্ধৰ সমাগম ঘটে আৰু তেওঁক শেষ শ্ৰদ্ধা নিবেদন কৰে। এক যটিল ৰোগত আক্ৰান্ত হৈ কম বয়সতে মৃত্যুক সাৱতি লোৱা আছফিয়াই ইহ সংসাৰত স্বামী, এগৰাকী কন্যা সন্তান আৰু বহু আত্মীয় স্বজনক এৰি থৈ যায়। তেওঁৰ মৃত্যুত জাজৰি শতদল শাখা সাহিত্য সভা, জাজৰি প্ৰেছ ক্লাব, সদৌ অসম গৰীয়া-মৰীয়া-দেশী জাতীয় পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে।

# নাহৰকটীয়াত বিজেপিৰ 'জন আশীৰ্বাদ যাত্ৰা'; ৰাইজৰ বিপুল সঁহাৰি

**অসম বাৰ্তা, নাহৰকটীয়া, ৬ মাৰ্চ ঃ** পুনৰ দিছপুৰ দশল কৰাৰ উদ্দেশ্যে বিজেপি দলে কেইদিনমানৰ পূৰ্বৰ পৰা আৰম্ভ কৰাজন আশীৰ্বাদ যাত্ৰাৰ অংশ স্বৰূপে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাহৰকটীয়াত এক বিশাল পদ যাত্ৰাত অংশ লয়। নাহৰকটীয়াৰ নগাঁও তিনিআলিৰ পৰা আৰম্ভ কৰা এই যাত্ৰাই নাহৰকটীয়াৰ মৰাণ তিনিআলি হৈ নাহৰকটীয়া সমষ্টিৰ সীমামূৰীয়া অঞ্চল তিনিআলি চাহ বাগিচাত অন্ত পৰে। কেইবা হাজাৰ সমৰ্থকে এই যাত্ৰাত সহযোগিতা আগবঢ়াই। মুখ্যমন্ত্ৰী গৰাকীয়ে যোৰহাট সমষ্টিৰ সম্পৰ্কত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে যোৰহাট সমষ্টিত কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এইবাৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবহুৱাৰ বিষয়ে বিজেপি দলত আলোচনা হোৱা নাই। কিয়নো তেওঁ কেন্দ্ৰীয় মন্ত্ৰী সভাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী দৰে এটা গুৰুত্বপূৰ্ণ পদবী লাভ কৰাটো অসমৰ বাবে ভাগ্যৰ কথা। ২০২৯ চনৰ লোকসভা নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা আগবঢ়াওক তাত আমাৰ সহযোগিতা থাকিব আৰু মোদী মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হওক বুলি উল্লেখ কৰে। যোৰহাট সমষ্টিত সাধাৰণ পৰিয়ালৰ সাধাৰণ লোকেই এই নিৰ্বাচনত অৱতীৰ্ণ হব বুলিও লগতে উল্লেখ কৰে। নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বৰা, অশোক সিংঘাল আদিকে ধৰি বিজেপিৰ নাহৰকটীয়া সমষ্টিৰ মণ্ডলৰ সভাপতি, জিলা পৰিষদৰ সদস্যৰ, নামৰূপ, নাহৰকটীয়া পৌৰসভা, গাঁও পঞ্চায়তৰ সভাপতি, বাগিচাৰ শ্ৰমিক, আদিৰ লগতে বিজেপিৰ কৰ্মকৰ্তা সকল উপস্থিত থাকে।

# জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভৱনৰ আধাৰশিলা স্থাপন বিধায়ক নুৰুল হুদাৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ৬ মাৰ্চ ঃ** শুকুৰবাৰৰ দিনটোতে জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নতুনকৈ নিৰ্মাণ হ'ব লগা ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰে ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই। ২ কোটি ৪২ লাখ ৮৩ হাজাৰ টকাৰে নতুনকৈ নিৰ্মাণ হ'ব লগা জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকে স্বাস্থ্য কেন্দ্ৰটিৰ সকলো চিকিৎসকৰ লগতে স্বাস্থ্য কৰ্মী সকল। জুৰীয়া অঞ্চলৰ একমাত্ৰ এই স্বাস্থ্য কেন্দ্ৰটি বহু দিন ধৰি জৰাজীৰ্ণ ৰূপত আছিল আৰু বহু সা-সুবিধাৰ পৰা বঞ্চিত আছিল অঞ্চলবাসী ৰাইজ। বিধায়ক নুৰুল হুদাই বিধানসভাৰ মজিয়াত কেইবাবাৰো এই স্বাস্থ্য কেন্দ্ৰৰ পুণ্য নিৰ্মাণৰ বাবে আঁচনি গ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগক অনুৰোধ জনায় আহিছিল। তিনি মহলাৰ পৰিকল্পনাৰে নিৰ্মাণ হ'ব লগা হস্পিটেল খনিৰ নতুন ভৱনটোত থাকিব এটা পাঁচখন বিছনা যুক্ত পুৰুষ ৱাৰ্ড, এটা পাঁচখন বিছনা যুক্ত মহিলা ৱাৰ্ড, এটা অষ্ট্ৰোপচাৰ কক্ষ, এটা ক্ষুদ্ৰ অষ্ট্ৰোপচাৰ কক্ষ, দুটা প্ৰসূতি কক্ষ, এটা আধুনিক পৰীক্ষাগাৰ, এটা আৰোগ্য ক্ষেত্ৰ, জৰুৰীকালীন বিভাগ, তিনিটা বহিৰ্বিভাগ, এটা আয়ুষ বহিৰ্বিভাগ আৰু এটা শীতল গৃহ থাকিব বুলি সাংবাদিকক জানিবলৈ দিয়ে বিধায়ক নুৰুল হুদাই। এই সভাত স্বাস্থ্য কেন্দ্ৰটিৰ নৱগঠিত পৰিচালনা সমিতি অৰ্থাৎ "জন আৰোগ্য সমিতি"ৰ সভানেত্ৰীৰ লগতে সকলো সদস্য উপস্থিত থাকে।

অব্যাহত আছে সুদখোৰৰ তাণ্ডৱ

# বুমেৰাঙত পৰিণত সুদখোৰৰ বিৰুদ্ধে চলা অভিযান

**অসম বাৰ্তা, লেংটিছিঙা, ৬ মাৰ্চ ঃ** অভয়াপুৰীৰ আৰবিন বেগম নামৰ মহিলা এগৰাকীয়ে কিছুদিন পূৰ্বে অভয়াপুৰীৰ ৰৌমাৰীৰ চেনেহী বেগম নামৰ মহিলাৰ পৰা ১০ লাখ টকা সুতত লৈছিল। ইফালে চেনেহী বেগম আৰু তেওঁৰ পৰিয়ালে আৰবিন বেগমক সুতত দিয়া টকা ঘূৰাই বিচৰাত আৰবিন বেগমে টকা ঘূৰাই দিব নোৱাৰাত দুয়ো পক্ষৰ মাজত সৃষ্টি হয় সংঘাত। এই সংঘাতেই পোহৰলৈ আহে এতিয়াও ৰাজ্যত চলি থকা সুদখোৰৰ সন্ত্ৰাস। ইফালে আৰবিন বেগমৰ পৰা টকা বিচাৰি সুদখোৰৰ দলটোয়ে আৰবিন বেগমক দিছে ঘৰ মাটি জব্দ কৰাৰ ভয় ভাবুকি। চান্দ মহম্মদ আলী, চেনেহী বেগম, ছামিউল আহমেদ আৰু জাকিৰ উদ্দিন আহমেদ নামৰ লোককেইজনে আনকি আৰক্ষী প্ৰশাসনক কেৰেপ নকৰে দম্ভালি মাৰিছে সুদখোৰৰ ব্যৱসায় কেইজনে। অভয়াপুৰী থানাত আৰবিনে চাৰিজনৰ বিৰুদ্ধে দাখিল কৰিছে এজাহাৰ। ইফালে ৰাজ্যত যে এতিয়াও মাৰাত্মক ৰূপত সুদখোৰৰ সন্ত্ৰাস চলি আছে তাকে প্ৰমাণ কৰিলে। এই সুদখোৰসকলৰ বিৰুদ্ধে ৰাজ্য চৰকাৰ কিম্বা আৰক্ষী প্ৰশাসনে কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হৈ পৰিব!

ন'ৰোড ন' ভোটৰ হুংকাৰ স্থানীয় ৰাইজৰ

# জাঁজী বলমীয়া খনিকৰ গাঁৱৰ পথৰ দুৰৱস্থা

**অসম বাৰ্তা, জাঁজী, ৬ মাৰ্চ ঃ** জাঁজীৰ গাওঁ অঞ্চলৰ পথৰ অৱস্থা এতিয়াও শোচনীয়। উল্লেখ্য যে শিৱসাগৰ জিলাৰ জাঁজী বলমীয়া খনিকৰ গাঁৱৰ প্ৰায় ১ কিলোমিটাৰ দৈঘ্যৰ পথছোৱাৰ দুৰৱস্থাৰ বাবে ক্ষোভিত হৈ পৰিছে গাওঁ বাসী। পূৰ্বৰ আমগুৰি সমষ্টি আৰু বৰ্তমানে শিৱসাগৰ সমষ্টিৰ অন্তৰ্ভুক্ত হোৱা জাঁজী বলমীয়া গাঁৱৰ এই পথছোৱা দীৰ্ঘদিন ধৰি অৱহেলিত হৈ থকাত আজি গাঁও বাসীয়ে পথটোৰ প্ৰৱেশ পথত No Road No Vote ফলক আঁৰি প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে আগন্তুক বিদান সভা নিৰ্বাচনৰ পূৰ্বে পথটো নিৰ্মাণ নকৰিলে গাওঁ বাসীয়ে নিৰ্বাচন বৰ্জনৰ হুংকাৰ দিছে। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে সময়েহে কব।

ব্ৰহ্মপুত্ৰত তিনি যুৱক-যুৱতীৰ সলিল সমাধি; সন্ধানহীন এগৰাকী যুৱতী

# হোলীৰ আনন্দৰ মাজতে বহৰিত শোকাৱহ ঘটনা

**অসম বাৰ্তা, দৌলাশাল, ৬ মাৰ্চ ঃ** হোলীৰ আনন্দৰ মাজতে বৰপেটাৰ বহৰিত সংঘটিত হৈছে এক শোকাবহ ঘটনা। বহৰিৰ কলতলিৰ ব্ৰহ্মপুত্ৰত আজি বিয়লিৰ ভাগত গা ধুবলৈ গৈছিল ১১ জনীয়া এটি যুৱক-যুৱতীৰ দলে। সমনীয়াৰ স'তে ব্ৰহ্মপুত্ৰত গা ধুবলৈ গৈছিল যুৱক-যুৱতীৰ দলটো। ইয়াৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ পানীত কেইবাজনো যুৱক-যুৱতী ডুব গৈছিল। সম্প্ৰতি তিনজনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। এগৰাকী যুৱতী, দুগৰাকী যুৱক আৰু কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। এগৰাকী যুৱতী বৰ্তমানো সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। মৃতদেহ উদ্ধাৰ হোৱা যুৱক-যুৱতী কেইগৰাকী হৈছে বহৰি গাঁৱৰ প্ৰয়াত দেৱনাথ তিয়কৰ পুত্ৰ ৰাজকুমাৰ তিয়ক (১৫), চৰত জিতৰ কন্যা অনিতা তিয়ৰ(১৮) আৰু ৰামচন্দ্ৰ মাঝিৰ পুত্ৰ বিষুঃ মাঝি (১৭)। আনহাতে সন্ধানহীন হৈ থকা যুৱতীগৰাকী হৈছে ৰীতা তিয়ৰ(১৮)। উদ্ধাৰ হোৱা বাকী সাতগৰাকী যুৱক-যুৱতী সুস্থ অৱস্থাত থকা বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত এটি আৰক্ষীৰ দল উপস্থিত হৈ উদ্ধাৰ অভিযান চলোৱা বুলি জানিব পৰা গৈছে। এচডিআৰএফ বাহিনীৰ এটি দলো উদ্ধাৰ অভিযান চলায়। উদ্ধাৰ হোৱা মৃতদেহ কেইটাৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে আৰক্ষীয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই শোকাবহ ঘটনাই বৃহত্তৰ বহৰি অঞ্চলত শোকৰ ছাঁ পেলাইছে।

মুখ্যমন্ত্ৰী আৰু বিধায়ক ভুবন গামলৈ কৃতজ্ঞতা

# অৱশেষত ভকত চাপৰিৰ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই আৰম্ভ হ'ল পকী দলঙৰ কাম

**অসম বাৰ্তা, মাজুলী, ৬ মাৰ্চ ঃ** স্বাধীনতাৰ ৭০ বছৰ পাৰ হ'ল, কিন্তু তেওঁলোকে হাজাৰ বাৰ প্ৰতিবাদ কৰিও পোৱা নাছিল এখন দলং। এখন দলঙৰ অভাৱত জীয়াতু ভুগিছিল ৰোগী, ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ ৰাইজে। বাৰিষাত কালত ভুৰত পাৰ কৰিছিল ৰোগী, মৃতদেহ। ৰাতি হলে বন্ধ হৈ পৰিছিল যাতায়াত যোগাযোগ। উপায়ন্তৰ ভকত চাপৰি বাসীয়ে প্ৰতিবছৰে যাতায়াতৰ বাবে নিজা খৰচেৰে নিৰ্মাণ কৰিছিল বাঁহৰ দলং। বাঁহৰ দলঙেৰে অব্যাহত আছিল বিপদসংকুল যাতায়ত। ব্ৰহ্মপুত্ৰৰ খহনীয়াত সৰ্বস্বান্ত হোৱা নামনি মাজুলীৰ হ ১৬ খনকৈ গাঁও থকা এটা বৃহৎ অঞ্চল ভকত চাপৰি। খেতি পথাৰৰ উৎপাদিত সামগ্ৰীৰে উভৈনদী হৈ থকা ভকত চাপৰিবাসীৰ সকলোতকৈ ডাঙৰ আশা আছিল এখন পকী দলঙৰ। অৱশেষত বিজেপি চৰকাৰ শাসনলৈ অহাৰ পাছতে মাজুলীৰ তেতিয়াৰ বিধায়ক তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০১৮ চনত নৈপৰীয়া ৰাইজৰ দুখ দুৰ্দশা বুজি নিৰ্মাণ কৰি দিছিল এখন কাঠৰ দলং। কিন্তু নিম্ন মানৰ কাঠেৰে নিৰ্মিত দলঙ এবছৰতে পচি গৈ বানৰ তাণ্ডৱত কাঠৰ দলংখন নৈত উটি যোৱাত ভকত চাপৰি বাসীয়ে আশা কৰিছিল এখন পকী দলঙৰ। গত নিৰ্বাচনৰ সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰী গৰাকীয়ে প্ৰতিশ্ৰুতি দিছিল এখন পকী দলঙৰ। কিন্তু গত কাৰ্যকালত দলঙ দুৰৰে কথা বিধ্বংসী খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰাত বিশাল অঞ্চল ব্ৰহ্মপুত্ৰ বুকুত জাহ যায়। উপায়ন্তৰ হৈ ৰাইজে নিৰ্বাচন বৰ্জন আৰু ৰাজনৈতিক নেতাৰ ভকত চাপৰিত প্ৰবেশ নিষিদ্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। অৱশেষত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে নিজাববীয়াকৈ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰাৰ বাবে আগবাঢ়ি অহাত গা লৰিল সংশ্লিষ্ট বিভাগ আৰু চৰকৰৰ একে দৰে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰক ৰাইজে বিধায়কৰ যোগেদি অনুৰোধ জনায় এখন পকী দলঙৰ বাবে। বিধায়কে ৰাইজৰ কথা মতে ভকত চাপৰিক উপহাৰ দিয়ে এখন সুন্দৰ পকী দলং। বৰ্তমান তীব্ৰ গতিত কাম কৰা দলংখন প্ৰায় আধা বছৰতে সম্পূৰ্ণ হৈছে চল্লিশ শতাংশ কাম। ভকত চাপৰি বাসীয়ে ধন্যবাদ জ্ঞাপন কৰে মুখ্যমন্ত্ৰী আৰু মাজুলীৰ বিধায়ক ভুৱন গামক। ইতিমধ্যে ভকত চাপৰিলৈ সোমাই অহা টুনী সুতিটোত জিঅ' বেগেৰে বন্ধ কৰাৰ কাম আৰম্ভ কৰিছে। তদুপৰি ভকত চাপৰিৰ খহনীয়া প্ৰতিৰোধৰ বাবে এক অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে। আচনিখন ৰূপায়ণ হ'লে ব্ৰহ্মপুত্ৰৰ বালিত সেউজ বিপ-ৰ গঢ়ি তোলা ভকত চাপৰিৰ ১৬খন গাঁৱৰ দুৰ্দশাৰ অন্ত পৰিব। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ভকত চাপৰিৰ বাবে লোৱা আঁচনিয়ে বিজেপিৰ ভোট গজগজীয়া হ'ব বুলি জোৰদাৰ প্ৰচাৰ চলিছে। তদুপৰি ভুৱন গামক টিকেট দিব লাগে বুলি মুকলিকৈ মত প্ৰকাশ কৰিছ।

# ডিব্ৰুগড়ত চেণ্টাৰ ফৰ্ ইছলামিক ষ্টাডিজৰ এটা গোট 'সহযোগ'ৰ উদ্যোগত ইফতাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ মাৰ্চ ঃ** অন্যান্য বছৰৰ দৰে এইবছৰো ডিব্ৰুগড়ত আজি চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ এটা গোট "সহযোগ"ৰ উদ্যোগত ডিব্ৰুগড় ঈদগাহ প্ৰেক্ষাগৃহত এক ইফতাৰৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সহযোগৰ আহ্বায়ক আব্দুল চাজিদে উপস্থিত সকলোকে আদৰণি জনায় আৰু সহকাৰী আহ্বায়ক ইমৰাণ হুছেইনে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি চেহিৰ আহমেদে থুলমূলকৈ 'সহযোগ'ৰ প্ৰকৃত উদ্দেশ্যৰ বিষয়ে বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে এই সহযোগৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে সমাজ উন্নয়ন, দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ আৰ্থিক উন্নয়ন, চিকিৎসা সেৱাৰ সহায়, দক্ষতা উন্নয়ন প্ৰশিক্ষণ, অন্যান্য জীৱিকা মূলক প্ৰশিক্ষণ, যুৱ প্ৰজন্মৰ বাবে চেমিনাৰ আৰু সচেতনতা বৃদ্ধিৰ অনুষ্ঠান, সুস্থ সমাজ গঠনৰ লক্ষ্যৰে শিক্ষা মূলক কাৰ্যসূচী আদি। জাতি ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ বাবে সেৱা আগবঢ়াই যোৱাটোৱে সহযোগৰ মূল লক্ষ্য। ২৭ বছৰ গৰকা চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজে এই সুদীৰ্ঘ সময়ছোৱাত বিভিন্ন ধৰণৰ সমাজ সেৱামূলক কাম কৰি আহিছে। আজিৰ ইফতাৰ অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডাঃ ফাৰুক আহমেদ, বিশিষ্ট ব্যৱসায়ী ফিৰোজ খান, জ্যেষ্ঠ সাংবাদিক ইকবাল আহমেদ, চেণ্টাৰৰ উপ সভাপতিদ্বয় আব্দুল খালেক, ৰফিক আহমেদ, সাংবাদিক এম হাছিম আলী, আলহজ চৌকত আলি, নৌচাদ আলি আহমেদ, কমৰুজ্জামান, মুহিবুল হুছেইন (বাবুল), নুৰু জামান, আজিজুল হক, ৰহিমুল হুছেইন আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰকে আদি কৰি চহৰৰ বহু কেইগৰাকী গণ্যমান্য ব্যক্তিসহ শতাধিক লোকে অংশগ্ৰহণ কৰে। শেষত বিশ্ব শান্তিৰ কাৰণে দোৱা প্ৰাৰ্থনা কৰে নালিয়াপুল মছজিদৰ পেচ ইমাম মৌলনা চৈয়দ মোবাৰক হুছেইন আৰু পূৱ বানিপুৰ মছজিদৰ পেচ ইমামে সমূহীয়া নামাজত ইমামতি কৰে। সহযোগৰ গোটটোৱে সকলো অতিথি আৰু সদস্য সকলক ইফতাৰত উপস্থিত থকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

খৰাহাট ষ্টেচনত নাগালেণ্ড এক্সপ্ৰেছৰ ঐতিহাসিক ষ্টপেজ মুকলি

# ডিমৌবাসীৰ দীৰ্ঘদিনীয়া দাবী পূৰণ




**অসম বাৰ্তা, ডিমৌ, ৬ মাৰ্চ ঃ** ডিমৌ অঞ্চলৰ ৰাইজৰ বাবে যাতায়তৰ এক নতুন দিগন্ত মুকলি কৰি আজিৰে পৰা নৱনিৰ্মিত খৰাহাট ৰে'লৱে ষ্টেচনত নাগালেণ্ড এক্সপ্ৰেছৰ ঐতিহাসিক ষ্টপেজ মুকলি কৰা হয়। ইয়াৰ লগে-লগে ডিমৌবাসীৰ দীৰ্ঘদিনীয়া এটা আশা বাস্তৱায়িত হোৱাৰ লগতে গুৱাহাটীলৈ যাত্ৰা কৰা যাত্ৰীসকলৰ বাবে পোনপটীয়া ৰে'ল যোগাযোগ সম্ভৱ হৈ পৰিছে। উল্লেখ্য যে, ডিমৌৰ পৰা গুৱাহাটীলৈ পোনপটীয়া ৰে'ল সেৱাৰ বাবে খৰাহাটত এটা ষ্টপেজ বিচাৰি বৃহত্তৰ ডিমৌবাসী ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে দীৰ্ঘদিন ধৰি দাবী জনাই আহিছিল। ৰাইজৰ এই প্ৰয়োজনীয়তাক অনুভৱ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিষয়টো বিশেষভাৱে গুৰুত্ব দিছিল। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰালয়ৰ সৈতে যোগাযোগ কৰি ডিমৌবাসীৰ এই সমস্যাৰ কথা অৱগত কৰাৰ পৰিপ্ৰেক্ষিততে ৰে'ল বিভাগে নাগালেণ্ড এক্সপ্ৰেছৰ ষ্টপেজৰ অনুমতি প্ৰদান কৰে। যাৰ বাবে যাতায়তৰ এই নতুন সংযোজনে সমগ্ৰ ডিমৌ সমষ্টিলৈ এক নতুন পৰিচয় কঢ়িয়াই আনিছে। ৰাইজৰ নিৰন্তৰ দাবীৰ আংশিক সফলতাত এতিয়া সমগ্ৰ অঞ্চলটোতে আনন্দৰ লহৰ উঠিছে। আজি খৰাহাট ৰে'ল ষ্টেচনত এক উষ্ম পৰিৱেশত বিধায়ক সুশান্ত বৰগোহাঁইয়ে নাগালেণ্ড এক্সপ্ৰেছৰ এই যাত্ৰাৰ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰে। এই অনুষ্ঠানত বিজেপিৰ কৰ্মকৰ্তাসকলৰ লগতে বহুসংখ্যক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি চৰকাৰৰ এই পদক্ষেপক আদৰণি জনায়। এতিয়াৰে পৰা নাগালেণ্ড এ'প্ৰেছ ৰে'লখন নিৰ্ধাৰিত সময় খৰাহাট ষ্টেচনত উপস্থিত হ'ব বুলি জানিব পৰা গৈছে, যিয়ে অঞ্চলটোৰ যাতায়তৰ উপৰি ব্যৱসায়-বাণিজ্যৰ দিশতো এক বিশেষ মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

# তিনিচুকীয়াৰ সৌমাৰজ্যোতি বিদ্যালয়ৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৬ মাৰ্চ ঃ** তিনিচুকীয়াৰ এখন অন্যতম ব্যক্তিগত খণ্ডৰ অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান সৌমাৰজ্যোতি বিদ্যালয়ৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদযাপন কৰা হয়। আজি পুৱা বিদ্যালয়ৰ পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ ঘটোৱা হয়। পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক লীলাম্বৰ দহোটীয়াই। বিদ্যালয়ৰ লগত জড়িত যিসকল ব্যক্তি, শুভাকাংক্ষী, শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে ইহসংসাৰ ত্যাগ কৰিছে, তেওঁলোকৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ ন্যাস সমিতিৰ সম্পাদক ফটিক চন্দ্ৰ নেওগে। বিদ্যালয়ৰ বিজ্ঞান সমিতিয়ে প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'প্ৰতিবিম্ব' উন্মোচন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য (ভাৰপ্ৰাপ্ত) ড° মদন শৰ্মাই আৰু Literature Club 'শব্দক্ষেত্ৰ'ই প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'পুৰাতন পৃষ্ঠা' উন্মোচন কৰে তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম দুৱৰাই। ইয়াৰ পিছতেই অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট শিক্ষাবিদ ড° মদন শৰ্মাই। সভাৰ আৰম্ভণিতেই শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিদ্যালয় সংগীত পৰিবেশন কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষা উমাৰাণী বৰবৰা বৰঠাকুৰে। নিমন্ত্ৰিত অতিথিবৃন্দৰ জ্ঞানগৰ্ভ ভাষণৰ মাজে মাজে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত সত্ৰীয়া নৃত্য, দিহানাম, আধুনিক গীত, সৃষ্টিশীল নৃত্য, লোকবাদ্যৰ অনুষ্ঠান আদিয়ে অনুষ্ঠানৰ ৰহন চৰায়। বিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সৌমাৰজ্যোতি' উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰে। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰস্তুত কৰা চিত্ৰ আলোচনী 'চিত্ৰাঞ্জলী' উন্মোচন কৰে বিশিষ্ট সাংবাদিক কমল তালুকদাৰে। সভাৰ অন্য এটি প্ৰধান কাৰ্যসূচী আছিল বিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকলক আবঢ়োৱা বিভিন্ন সোঁৱৰণী বঁটা প্ৰদান আৰু লগতে চলিত শিক্ষাবৰ্ষত এশ শতাংশ উপস্থিতিৰ বাবে বঁটা প্ৰদান অনুষ্ঠান। শেষত শলাগৰ শৰাই তথা সভাপতিৰ ভাষণেৰে সভাখনিৰ অন্ত পৰে।

# নিশা মাকুম টেঙাপানী-গড়বস্তি গাঁৱত বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা

**অসম বাৰ্তা, মাকুম, ৬ মাৰ্চ ঃ** নিশা প্ৰায় ৮ মান বজাত মাকুম টেঙাপানী-গড়বস্তি গাৱত এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। গাঁওখনৰ নিবাসী ধ্ৰুৱ শৰ্মা নামৰ লোকজনৰ বাস গৃহত বিদ্যুৎ বিজুটি ঘটি ছিলিণ্ডাৰ বিস্ফোৰণ হৈ অগ্নিকাণ্ডটো সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত কথমপি পৰিয়ালটো ৰক্ষা পৰে যদিও বাসগৃহটোৰ বয়বস্তুৰ লগতে বাস গৃহটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া হয় যদিও তিনিচুকীয়াৰ অগ্নি নিৰ্বাপক বাহিনীৰ বাহন ঘটনা স্থলীত উপস্থিত হওঁতে পলম হোৱাত স্থানীয় ৰাইজে লাংকাছি আৰক্ষী চকীৰ আৰক্ষীৰ সহযোগত জুই নুমোৱাবলৈ সক্ষম হয়। উল্লেখযোগ্য যে মাকুম সম জিলা হোৱাৰ পাছতো মাকুমত এটা অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন নহ'ল, ফলত এনেধৰণৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হ'লে এক বিভীষিকাময় পৰিৱেশৰ সৃষ্টি হয়। সেয়েহে ঘটনা স্থলীত উপস্থিত থকা তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য বিপিন শ্বাহ, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সাংগঠনিক সম্পাদক যতন প্ৰধান লগতে স্থানীয় ৰাইজে অতি সোনকালে এটা অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন কৰিবলৈ মাকুম সম জিলাৰ সহ আয়ুক্ত গৰাকীলৈ সংবাদ মাধ্যমৰ যোগেদি আহ্বান জনায়।

ডবকা ৰাজীৱ ভৱনত স্ক্ৰিনিং কমিটিৰ সদস্যৰ মতামত গ্ৰহণ

# বিন্নাকান্দি সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব কেন্দ্ৰিক বিতৰ্ক

**অসম বাৰ্তা, ডবকা, ৬ মাৰ্চ ঃ** ৰাজ্যৰ ২০২৬ ৰ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সমগ্ৰ ৰাজ্যজুৰি প্ৰতিটো ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে। তাৰ মাজতে অসমৰ অন্যতম গুৰুত্বপূৰ্ণ সমষ্টি হৈছে বিন্নাকান্দি বিধানসভা সমষ্টি। যিটো সমষ্টিত বিগত প্ৰয় ২০ বছৰ ধৰি এআইইউডিএফৰ দখলত আছে সমষ্টিখন। বৰ্তমান সমষ্টিখনৰ বিধায়ক চিৰাজুদ্দিন আজমলে বিগত কিছুদিন ধৰি ব্যাপক নিৰ্বাচনী প্ৰচাৰ অভিযানত নামি পৰা পৰিলক্ষিত হৈছে। এইবেলি সমষ্টিত মৌলানা বদৰুদ্দিন আজমল নিজে প্ৰাৰ্থী হ'ব। সেয়েহে অসমবাসী সকলোৰে দৃষ্টি আকৰ্ষণ এই সমষ্টিকলৈ। সম্প্ৰতি বিন্নাকান্দি সমষ্টিকলৈ চলি আছে কংগ্ৰেছ আৰু অজাপৰ মাজত টিকেট কেন্দ্ৰিক বিতৰ্ক। এই বিতৰ্কৰ মাজতে আজি সমষ্টিৰ প্ৰাৰ্থীত্ব সন্দৰ্ভত মতামত গ্ৰহণ কৰে স্ক্ৰিনিং কমিটিৰ সদস্য ইমৰান মাসুদে। ডবকাৰ ৰাজীৱ ভৱনত উপস্থিত হৈ কংগ্ৰেছৰ স্ক্ৰিনিং কমিটিৰ অন্যতম সদস্য তথা উত্তৰ প্ৰদেশৰ চাহাৰাণপুৰৰ সাংসদ ইমৰান মাসুদে বিশেষ কৈ বিন্নাকান্দি সমষ্টিটো সন্দৰ্ভত তৃণমূল কৰ্মীসকলৰ মতামত জানিবলৈ তেওঁ ব্লক কংগ্ৰেছ, যুৱ কংগ্ৰেছ, এন এছ ইউ আই, মহিলা কংগ্ৰেছৰ লগতে বিভিন্ন পঞ্চায়ত প্ৰতিনিধিৰ সৈতে বিস্তৃত আলোচনা কৰে। সমান্তৰালকৈ প্ৰাৰ্থীত্বৰ দাবীদাৰ সকলৰ সৈতেও বাৰ্তালাপ কৰে। আলোচনাৰ অন্তত সংবাদ মাধ্যমৰ আগত সাংসদ ইমৰান মাসুদে জানিবলৈ দিয়ে যে ব্লক কংগ্ৰেছৰ প্ৰতিনিধি, যুৱ কংগ্ৰেছ, এন এছ ইউ আই, মহিলা কংগ্ৰেছ আৰু পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে তেওঁ মত বিনিময় কৰিছে। তেওঁলোকৰ মতামত আৰু তথ্য সমূহ সংগ্ৰহ কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব আৰু সেই প্ৰতিবেদন কংগ্ৰেছৰ উচ্চ নেতৃত্ব তথা স্ক্ৰিনিং কমিটিৰ লগতে প্ৰিয়ংকা গান্ধীলৈ প্ৰেৰণ কৰা হ'ব। উল্লেখযোগ্য যে বিন্নাকান্দি সমষ্টি অসম জাতীয় পৰিষদক এৰি দিয়া হ'ব পাৰে বুলি ইতিমধ্যে সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পিছতেই কংগ্ৰেছৰ তৃণমূল কৰ্মীসকলৰ মাজত তীব্ৰ প্ৰতিবাদ আৰু এক প্ৰকাৰ বিদ্ৰোহ সৃষ্টি হৈছিল। বিভিন্ন স্থানত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে কংগ্ৰেছ কৰ্মীসকলে কংগ্ৰেছ হাই কমাণ্ডৰ ওচৰত লিখিত অভিযোগো দাখিল কৰিছিল। সেই অভিযোগৰ ভিত্তিতেই কংগ্ৰেছ হাই কমাণ্ডে স্ক্ৰিনিং কমিটিৰ সদস্য ইমৰান মাসুদক সমষ্টিটো পৰিদৰ্শন কৰি কৰ্মীসকলৰ মতামত সংগ্ৰহ কৰিবলৈ নিৰ্দেশ দিছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বিগত দুটা পঞ্চায়ত নিৰ্বাচনত বিন্নাকান্দি সমষ্টিৰ অধিকাংশ পঞ্চায়তত কংগ্ৰেছৰ প্ৰতিনিধি জয়ী হৈছিল। লগতে কাজিৰঙা লোকসভা সমষ্টিৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী ৰজলীনা তিৰ্কীয়ে এই সমষ্টিৰ পৰা প্ৰায় দেৰ লাখ ভোট লাভ কৰিছিল। সেয়েহে কংগ্ৰেছ কৰ্মীসকলে দাবী কৰিছে যে সমষ্টিটোত কংগ্ৰেছৰ শক্তিশালী সংগঠন থকাৰ বাবে আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছকেই ইয়াত প্ৰাৰ্থিত্ব দিয়া উচিত। ইফালে এই সমষ্টিৰ পৰা প্ৰায় সাত গৰাকী প্ৰাৰ্থীয়ে ইতিমধ্যে কংগ্ৰেছৰ পৰা টিকেট বিচাৰি আবেদন জনাইছে। এতিয়া চূড়ান্তভাৱে কংগ্ৰেছ আৰু মিত্ৰজোটে কি সিদ্ধান্ত লয় সেয়া আগন্তুক দিনত স্পষ্ট হ'ব। ইফালে কংগ্ৰেছে প্ৰথমখন তালিকা প্ৰকাশ কৰা বিষয়টো বিধায়ক ৰেকিবুদ্দিন আহমেদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় এয়া অতি সুন্দৰ তালিকা প্ৰকাশ পাইছে, প্ৰথমখন প্ৰাৰ্থী তালিকাক লৈ কোনো ধৰণৰ বিতৰ্ক হোৱা নাই বুলি মন্তব্য কৰে ৰেকিবুদ্দিন আহমেদ।

# ন্যায় বিচাৰি হেলেম থানাত পৰিয়ালৰ ৰাজহুৱা আবেদন পৰকীয়া প্ৰেমেই কাল হ'ল বিহালীৰ জোনাকী তাঁতীৰ

**অসম বাৰ্তা, জিনজিয়া, ৬ মাৰ্চ ঃ** প্ৰথমতে চিনাকি, তাৰ পিছত প্ৰেম.. তাৰ পাছত বিষ খাই আত্মহত্যাৰ দৰেই ঘটনা ঘটনাটো বিহালী সমষ্টিৰ নলনীবাৰী গাঁৱৰ। নলনীবাৰীৰ বিবাহিত মহিলা জোনাকী তাঁতী যোৱা কিছুদিন ধৰি একে গাঁৱৰে জিন্নত আলি নামৰ এগৰাকী মুছলমান সম্প্ৰদায়ৰ ব্যক্তিৰ লগত পৰকীয়া প্ৰেমত লিপ্ত হৈ আছিল। ঘটনাক্ৰমে জোনাকী তান্তি লগত মানসিক আৰু শাৰীৰিক ভাৱে অত্যাচাৰ কৰি আহিছিল জিন্নত আলিয়ে। অভিযোগ অনুসৰি শাৰীৰিক সম্পৰ্ক হোৱাত পিছত অন্ত: সত্ত্বা হোৱাৰ বাবে জিন্নত আলিৰ সৈতে মহিলাৰ গৰাকীৰ কাজিয়াৰ সূত্ৰপাত হয় আৰু অৱশেষত জোনাকী তাঁতীয়ে বিষ খাই প্ৰাণ হেৰুৱালে বুলি অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজে। ইফালে বিষ খোৱাৰ কথা জানিব পৰি জিন্নত আলিয়ে চিকিৎসায়লৈ লৈ যায় যদিও মহিলা গৰাকী মৃত্যু হয়। দীৰ্ঘদিন ধৰি মুছলমান সম্প্ৰদায়ৰ জিন্নত আলিয়ে জোনাকী তাঁতী ঘৰত গৈ মানসিক আৰু শাৰীৰিক অত্যাচাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। এই সন্দৰ্ভত ইতিমধ্যেই হেলেম আৰক্ষীয়ে BNS/108/16/26 ধাৰাত কেচ পঞ্জীয়ন কৰি আলিক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। পৰিয়ালৰ লোক আৰু স্থানীয় ৰাইজে বিষয়টোৰ সন্দৰ্ভত পুনৰ যোৱাকালী হেলেম থানাত ৰাজহুৱা ভাৱে ন্যায় বিচাৰি এজাহাৰ দাখিল কৰিছে। অৱশ্যে কি কাৰণত মহিলা গৰাকী বিষপ্ৰাণ কৰিলে সেই কথা এতিয়াও স্পষ্ট হোৱা নাই। লগতে প্ৰকৃততে মহিলা গৰাকী অন্তসত্ত্বা আছিল নে অন্য কিবা কাৰণ আছে আৰক্ষীৰ নিৰপেক্ষ তদন্ততহে আচল ৰহস্য ফাদিল হ'ব। এই ক্ষেত্ৰত হেলেম আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে জানিব পৰা গৈছে।

# সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ বালাপাৰা আঞ্চলিকৰ বৃহৎ যোগদান কাৰ্য্যসূচী

**অসম বাৰ্তা, লেংটিছিঙা, ৬ মাৰ্চ ঃ** আজি অসম গণ পৰিষদ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত বালাপাৰা আঞ্চলিকৰ এখন যোগদান কাৰ্যসূচীত প্ৰাৰ্থীত্ব প্ৰত্যাশী ছাহিদুল ইছলাম উপস্থিত থাকি বালাপাৰাত এখন যোগদান কাৰ্য্যসূচী অনুষ্ঠিত হয়। যুৱ নেতা ছাহিদুল হক নেতৃত্বত অসম গণ পৰিষদ দলত যোগদান প্ৰায় ৭২জন ব্যক্তিয়ে যোগদান কৰে। ছাহিদুল ইছলাম আৰু দলীয় কৰ্মকৰ্তা সকলৰ নেতৃত্বত এই যোগদান কাৰ্যসূচীয়ে কংগ্ৰেছ আৰু AIUDF শিবিৰত খলকনিৰ সৃষ্টিৰ লগতে স্থানীয় ৰাজনীতিত নতুন ৰং যোগাইছে। কংগ্ৰেছ আৰু AIUDF শিবিৰত এই ঘটনাই বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। আগন্তুক দিনত এই পৰিৱৰ্তনৰ স্থানীয় ৰাজনীতিত গতি-প্ৰকৃতিত কেনেদৰে প্ৰভাৱ পেলায়, সেয়া সময়ে ক'ব। উক্ত সভাত উপস্থিত থাকে কেন্দ্ৰীয় প্ৰতিনিধি উমেশ ঠাকুৰীয়া, সমষ্টি কমিটিৰ সাধাৰণ সম্পাদক আনিচুল চৌধুৰী, সহ সম্পাদক আবু হায়েত, আব্দুল মান্নান, সাংগঠনিক সম্পাদক মহচিন আহমেদ, আঞ্চলিকৰ সম্পাদক নওশদ আলী, যুৱ পৰিষদৰ সভাপতি ইছমাইল হোছেইন, দলীয় কৰ্মকৰ্তা সকল।

ফ্লেগ অফৰ আগেয়ে পুষ্পাঞ্জলিৰে আদৰিলে লিডু-ৰঙীয়া এক্সপ্ৰেছক

# চেলেংহাট ৰে'লৱে ষ্টেচনত বহু প্ৰত্যাশিত দুৰণিবটীয়া ট্ৰেইনৰ ষ্টপেজ



**অসম বাৰ্তা, চেলেংহাট, ৬ মাৰ্চ ঃ** চেলেংহাট বাসীৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি ভাৰতীয় ৰে'লে স্বাধীনতা-উত্তৰ কালত স্থাপন হোৱা চেলেংহাট ষ্টেচনত দুৰণিবটীয়া ট্ৰেইন লিডু ৰঙীয়া এক্সপ্ৰেছৰ ষ্টপেজৰ ব্যৱস্থা কৰিছে। লাহিং আৰু গাখীৰখোৱা মৌজাৰ এক বৃহৎ সংখ্যক লোক উপকৃত হ'ব পৰাকৈ চেলেংহাট ষ্টেচনত এক্সপ্ৰেছ ট্ৰেইন ষ্টপেজৰ এক দীৰ্ঘদিনীয়া দাবী আছিল। শেহতীয়াকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপত চেলেংহাট ৰে'লৱে ষ্টেচনে লাভ কৰিলে ১৫৯৬৮ নং লিডু-ৰঙিয়া এক্সপ্ৰেছৰ ষ্টপেজ। আজি ফ্লেগ অফ চেৰীমনী উপলক্ষে ষ্টেচনৰ সমীপত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত অখিল প্ৰদীপ নেওগ, লাহিং জিলা পৰিষদৰ সদস্য ৰাজেন গগৈ, সমাজকৰ্মী নিলুৎপল গগৈ আদি বিভিন্নজনে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। সভাত জেষ্ঠ সমাজকৰ্মী ৰাজু চক্ৰৱৰ্তী, দিগন্ত প্ৰদীপ নেওগ, তপন পাত্ৰ, সাংবাদিক জ্যোতিপ্ৰসাদ গগৈ, দেববিকাশ দত্ত, অনুৰাগ শইকীয়াকে ধৰি চেলেংহাট ব্যৱসায়ী সন্থাৰ বিষয়ববীয়া আৰু বিভিন্নজন গণ্যমান্য ব্যক্তি আৰু ৰেলৱে বিভাগৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে। সভাৰ মাজতে উপস্থিত হোৱা লিডু-ৰঙীয়া এক্সপ্ৰেছক উপস্থিত কেই বা শতাধিক ৰাইজে পুষ্পাঞ্জলিৰে সম্ভাষণ জনায়। চেলেংহাট ষ্টেচনৰ পৰা ৰে'লৰখনৰ ফ্লেগ অফ কৰে বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ প্ৰতিনিধি তথা লাহিং জিলা পৰিষদৰ সদস্য ৰাজেন গগৈ আৰু সমাজকৰ্মী অখিল প্ৰদীপ নেওগে। চেলেংহাট ষ্টেচনৰ পৰা প্ৰথমখন দূৰণিবটীয়া এক্সপ্ৰেছ ট্ৰেইন চলাচল কৰাত আনন্দিত হৈছে চেলেংহাটবাসী।

# ৯৬ বছৰীয়া ডাঃ তোযেশ্বৰ দত্তৰ অবুজ সাহিত্য উন্মোচন

**অসম বাৰ্তা, যোৰহাট, ৬ মাৰ্চ ঃ** অসমৰ এজন প্ৰসিদ্ধ চিকিৎসক, ৰাজনীতিক তথা লেখক ৯৬ বছৰীয়া ডাঃ তোযেশ্বৰ দত্তৰ এখন গ্ৰন্থ আজি উন্মোচন কৰা হয়। যোৰহাট মহানগৰীৰ উপকণ্ঠৰ পদুমণিৰ চিকিৎসকজনৰ বাসগৃহত অনুষ্ঠিত এক অনুষ্ঠানত অবুজ সাহিত্য নামৰ গ্ৰন্থখন উন্মোচন কৰে উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা কবি দিব্যজ্যোতি দত্তই। যোৰহাটৰ গণবাৰ্তা প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত গণ সাংস্কৃতিক মঞ্চ, অসমৰ উপসভাপতি তথা লেখক মহেন্দ্ৰ কুমাৰ খনিকৰে গ্ৰন্থখনৰ চমু বিশ্লেষণ কৰে। গণবাৰ্তা কাকতৰ সম্পাদক নৰেন্দ্ৰনাথ দত্তই আঁত ধৰা অনুষ্ঠানত গ্ৰন্থকাৰৰ সহধৰ্মিনী অমিয়া চুবেদাৰ, আধাৰ আলোচনীৰ সম্পাদক হেমেন কুমাৰ শইকীয়া, সমাজকৰ্মী জগন্নাথ অগ্নি বৰা, বাখৰ আলোচনীৰ সম্পাদক আশামণি গগৈ, শিৱম কটকী, প্ৰিয়াংশু গগৈ প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। নৰেন্দ্ৰনাথ দত্তই শলাগ জনোৱা সভাত চাৰিখন গ্ৰন্থ প্ৰনয়ন কৰা ডাঃ তোযেশ্বৰ দত্তই কৰ্ম জীৱনৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে অনুভৱ ব্যক্ত কৰে। স্মৰ্তব্য, ডাঃ তোযেশ্বৰ দত্তই পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ, প্ৰাক্তন সাংসদ হেম বৰুৱা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলৰ সান্নিধ্য লাভ কৰাৰ লগতে ইংলেণ্ডৰ ৰাণীৰ স্বাস্থ্য পৰীক্ষাও কৰিছিল। অনুষ্ঠানত গণ সাংস্কৃতিক মঞ্চ, অসম আৰু গণবাৰ্তা প্ৰকাশনৰ তৰফৰ পৰা বিশিষ্ট চিকিৎসকজনক সম্বৰ্ধনা জনায়।

ৰাইজৰ আগত তামোল-পাণ লৈ ক্ষমা প্ৰাৰ্থনা কল্যাণ সমিতিৰ

# আমগুৰিত বিহু কৰ্মশালা কেন্দ্ৰিক বিতৰ্ক

**অসম বাৰ্তা, চেলেংহাট, ৬ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত সম্প্ৰিতি আৰু ভাতৃত্ববোধ বিনষ্ট কৰিব পৰা এক ঘটনা সম্প্ৰতি স্থানীয় দল-সংগঠনৰ প্ৰচেষ্টাত শাম কাটিছে। আমগুৰিৰ অগ্ৰনী সাংস্কৃতিক অনুষ্ঠান "ৰংচেংৰী"ৰ উদ্যোগত প্ৰতিবছৰে মাৰ্চ মাহত কণ-কণ ছাত্ৰ-ছাত্ৰীৰ মাজত বিহু তথা বিহু নাচ, ঢোল বাদন, পেঁপা আদি বজোৱাৰ কৰ্মশালা অনুষ্ঠিত হৈ আহিছে। পূৰ্বৰ দৰে এই বছৰো আমগুৰি বেঙ্গলী সমাজৰ দ্বাৰা গঠিত কল্যাণ সমিতিৰ দ্বাৰা পৰিচালিত দুৰ্গাবাৰীত সংগঠনটোৱে কৰ্মশালাৰ বাবে অনুমতি বিচাৰি আবেদন জনায়। দহদিনীয়া এই কৰ্মশালাৰ বাবে প্ৰতিদিনে দুহেজাৰ টকাকৈ দহ দিনৰ বাবে বিশ হেজাৰ টকা কল্যাণ সমিতিয়ে দাবী কৰাত "ৰংচেংৰী" গোষ্ঠীৰ সম্পাদক নৱদ্বীপ হাজৰিকাই হোৱাটচ্এপ গ্ৰুপৰ যোগেদি সমগ্ৰ ঘটনাৰ বিষয়ে আমগুৰিবাসীক অৱগত কৰে। খবৰ বিয়পি পৰাৰ লগে লগে জাঙুৰ খাই উঠে আমগুৰিবাসী আৰু জাতীয়, জনগোষ্ঠীয় দল-সংগঠনসমূহ। আমগুৰিৰ মাটি, পানী, বায়ু সেৱন কৰি, জীৱন-জীৱিকা আমগুৰিতে পালন কৰা কল্যাণ সমিতিয়ে অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰাণ বিহুৰ কৰ্মশালাৰ বাবে দুৰ্গাবাড়ীৰ প্ৰাঙ্গণ ব্যৱহাৰৰ বাবত বৃহৎ পৰিমাণৰ ভাড়া বিচৰা কাৰ্য্যত আমগুৰিৰ ৰাইজ, আটাছু, বীৰ লাচিত সেনা, টাইপা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, আছু, ছাত্ৰ মুক্তি আদি অৰাজনৈতিক দল, সংগঠন ব্যথিত হোৱাৰ লগতে ক্ষুব্ধ হৈ পৰে। আজি দুপৰীয়া কল্যাণ সমিতিৰ সভাপতিৰ উপস্থিতিত আমগুৰি পৌৰসভাৰ সভাকক্ষত অনুষ্ঠিত সভাত ৰাইজে ক্ষোভ প্ৰকাশ কৰে আৰু বিহু কৰ্মশালাৰ নামত এনেদৰে ধন দাবী কৰাৰ বাবে ৰাইজ আৰু দল-সংগঠনৰ প্ৰবল ক্ষোভৰ সন্মুখীন হৈ সন্ধিয়া পাঁচ বজাত আমগুৰি নগৰৰ চাৰিআলিত সকলো ৰাইজ আৰু দল-সংগঠনৰ উপস্থিতিত কল্যাণ সমিতিৰ বিষয়-ববীয়া আৰু সদস্য সকলে আহি তামোল-পাণ লৈ ভুলৰ ক্ষমা খোজে আৰু লিখিতভাৱেও ভুল স্বীকাৰ কৰে। উল্লেখযোগ্য যে কল্যাণ সমিতিয়ে নিজৰ পেডত সভাপতি -সম্পাদক সহিতে যোল্লজন লোকে ধন দাবী পত্ৰত চহী কৰিছিল।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন